


# পঞ্চদশ অসম বিধান সভা
# ২০২১-২০২৬
# গৌৰৱময় প্ৰথম বৰ্ষ



**বিশ্বজীৎ দৈমাৰী**
**মাননীয় অধ্যক্ষ**
অসম বিধান সভা



**ডাঃ নোমল মমিন**
**মাননীয় উপাধ্যক্ষ**
অসম বিধান সভা

## থোৰতে পঞ্চদশ অসম বিধান সভাৰ কাৰ্য্য-পৰিচালনা

- ৫৮খন বিধেয়ক পাৰিতকৰণ।
- বিভাগীয়ভাৱে সম্বন্ধ থকা ৪খন স্থায়ী সমিতি (DRSC)ৰ ৬৮খন প্ৰতিবেদন সদনত দাখিল।
- ২০খন বিধান সভা সমিতিৰ ৯৩খন বৈঠক আৰু এই সমিতিসমূহৰ দ্বাৰা ৬৮খন প্ৰতিবেদন দাখিল।
- বিধান সভাৰ ৩খন অধিবেশনত ৩১৬২টা প্ৰশ্ন গৃহীত।
- আবেদনসমূহৰ সমিতিৰ দ্বাৰা জনসাধাৰণৰ পৰা পোৱা ২০খন আবেদনৰ নিস্পত্তি।
- অসম বিধান সভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে বিধান সভাৰ অধিবেশনত লোকসভাৰ মাননীয় অধ্যক্ষ শ্ৰীওম বিৰলা ডাঙৰীয়াৰ সম্বোধন।

## তথ্য প্ৰযুক্তিৰ প্ৰয়োগঃ এক ৰূপৰেখা

- অসমীয়া, বড়ো আৰু ইংৰাজী ভাষাত সদনৰ কাৰ্য্য-পৰিচালনাৰ সমান্তৰাল অনুবাদৰ ব্যৱস্থা।থা।
- বিধান সভা গ্ৰন্থাগাৰৰ ডিজিটাইজেশ্বন।।
- প্ৰশ্নোত্তৰ আৰু জাননীৰ ক্ষেত্ৰত অন্‌লাইন ব্যৱস্
- RFID প্ৰযুক্তিৰে গ্ৰন্থাগাৰ পৰিচালন ব্যৱস্থা।
- সদনৰ কাৰ্য্যসূচীত অংশগ্ৰহণকাৰী মন্ত্ৰী-বিধায়কৰ বক্তব্যৰ সময় নিৰূপক ব্যৱস্থা।
- বিধান সভা স্বাস্থ্য সেৱা কেন্দ্ৰৰ কাৰ্য্যাৱলীৰ স্বয়ংক্ৰিয় চালন ব্যৱস্থা (Automation)।
- RFID প্ৰযুক্তিৰে বিধান সভা কক্ষলৈ ফটো পৰিচয় সহ বিধায়কৰ প্ৰৱেশ।
- দৰ্শনাৰ্থীৰ বাবে অনলাইন প্ৰৱেশ-পত্ৰ।
- অসম বিধান সভাৰ প্ৰৱেশদ্বাৰসমূহত Boom Barrier আৰু Flap Barrierৰ জৰিয়তে দৰ্শনাৰ্থীৰ প্ৰৱেশৰ ব্যৱস্থা।
- সদন কক্ষত অত্যাধুনিক অগ্নি সচেতক (Fire Alarm) ব্যৱস্থাৰ সংযোজন।
- বিধায়কৰ বাবে আৱাস চৌহদত wifiৰ ব্যৱস্থা।

## স্মৰণীয় কাৰ্য্যাৱলী

- **৯ আৰু ১০ এপ্ৰিল ২০২২** তাৰিখে প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত কমনৱেল্‌থ সংসদীয় সংঘৰ (CPA) মধ্যবৰ্ষীয় আন্তঃৰাষ্ট্ৰীয় কাৰ্য্য-নিৰ্বাহক সমিতিৰ বৈঠক অসম বিধান সভাৰ সৌজন্যত গুৱাহাটীত অনুষ্ঠিত।
- **১১ আৰু ১২ এপ্ৰিল ২০২২**ত অসম বিধান সভা ভৱনত কমনৱেল্‌থ সংসদীয় সংঘৰ ভাৰত ক্ষেত্ৰীয় সন্মিলন।
- অসম বিধান সভাত বড়ো ভাষাৰ প্ৰৱৰ্তন।
- জনতাত্বিক তথা সাংস্কৃতিক অৱস্থাৰ ক্ষেত্ৰীয় ভিত্তিক অধ্যয়নমূলক ভ্ৰমণ আৰু প্ৰতিবেদন দাখিলৰ বাবে প্ৰথমবাৰৰ বাবে সদন সমিতি গঠন।
- অধ্যক্ষৰ উদ্যোগ (Speaker's Initiative) শিতানত শিক্ষানীতি ২০২২ আৰু অসমৰ শক্তি (Power) খণ্ডত দুদিন দিশ-নিৰ্ণয়কাৰী আলোচনা।
- অসম-মিজোৰাম সীমা সমস্যাৰ বাবে সৰ্বদলীয় প্ৰতিনিধি দলৰ কাছাৰ জিলাৰ লাইলাপুৰ পৰিদৰ্শন আৰু প্ৰতিবেদন।
- বিধায়ক আৰু বিষয়া-কৰ্মচাৰীৰ বাবে সুকীয়া স্বাস্থ্য সেৱা কেন্দ্ৰ।
- প্ৰদূষণ নিয়ন্ত্ৰণ আৰু যান-জঁট হ্ৰাসৰ বাবে বিধায়ক আৱাসৰ পৰা বিধান সভালৈ বেটেৰীযুক্ত বাহনৰ ব্যৱস্থা।
- বিধান সভাৰ নতুন গৃহ নিৰ্মাণৰ কাৰ্য্য ক্ষীপ্ৰকৰণ।
- অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দ্বাৰা নতুন বিধায়ক আৱাসৰ আধাৰশিলা স্থাপন।
- বিধায়কসকলৰ বাবে যোগাভ্যাস আৰু শৰীৰ চৰ্চা কেন্দ্ৰ।

- **বিগত বৰ্ষত অসম বিধান সভালৈ আগবঢ়োৱা সৰ্বতোপ্ৰকাৰৰ সহায়ৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।**
- **বড়ো ভাষালৈ অনুদিত "অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী" খন ভাৰতৰ মহামহিম ৰাষ্ট্ৰপতি শ্ৰীযুত ৰামনাথ কোবিন্দ ডাঙৰীয়াৰ গৌৰৱময় উপস্থিতিত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দ্বাৰা ৪ মে', ২০২২ তাৰিখে উন্মোচন কৰা হয়।**
- **কমনৱেল্‌থ সংসদীয় সংঘ (Commonwealth Parliamentary Association)ৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্য্যকৰী সমিতিৰ সদস্যৰূপে অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীযুত বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াৰ মনোনয়নত অসম বিধান সভা গৌৰৱান্বিত।**
- **জনসাধাৰণৰ প্ৰতি উৎসৰ্গীত মনোভাবেৰে বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা এনে সম্প্ৰচাৰ www.bidhansabha.org আৰু ইউটিউবত উপলব্ধ।**







**অসম বিধান সভা সচিবালয়**

Exclusive/2022/05

Janasanyog/D/3785/22

### পশ্চিম দৰঙত বন্যাৰ্তৰ হাহাকাৰ

# পশুধনৰ খাদ্য সংকটৰ মাজত মন্ত্ৰী চন্দ্ৰমোহনৰ বানপীড়িতৰ পৰিস্থিতিৰ বুজ

## কলৰ ভূৰৰে বানাক্ৰান্তৰ কাষত প্ৰাক্তন বিধায়ক বিনন্দ ঃ দৰং আছু ক্ষোভিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুনী, ২০ মে’ ঃ** পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত দিমীলা আৰু কালপানী নদীৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নতি ঘটিছে। অৱশ্যে বানাক্ৰান্ত লোকসকলৰ মাজত ৰাজ সাহায্য প্ৰদানত যথেষ্ট পলম হোৱাৰ গুৰুতৰ অভিযোগ প্ৰদান কৰে ৰাইজে। আজি ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীৰ সন্মুখতে বিষ্ণুপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিবিৰত থকা একাংশ বৰ্নাত্যই মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক ক্ষোভেৰে আজি চাৰি দিন ধৰি বানাক্ৰান্তৰ লগতে পশুধনক খাদ্য যোগান নধৰাৰ অভিযোগ প্ৰদান কৰে। অৱশ্যে মন্ত্ৰীৰ স’তে থকা উপায়ুক্ত, ৰাজহ চক্ৰ বিষয়াক ৰাইজৰ অভিযোগ দূৰ কৰিবলৈ মন্ত্ৰী চন্দ্ৰমোহনে নিৰ্দেশ দিয়ে। উল্লেখ্য যে আজি জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহনে দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ বানপীড়িত এলেকা পৰ্যবেক্ষণ কৰে। পৰ্যবেক্ষণৰ সময়ছোৱাত মুখ্য বানাক্ৰান্ত অঞ্চল পৰিদৰ্শনৰ পৰা অইন ফালে লৈ যোৱাত বানপীড়িত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰো সৃষ্টি হয়। স্মৰণযোগ্য যে পাথৰিঘাট ৰাজহ চক্ৰৰ দুনী, ভেৰুৱা, ভেৰুৱাদল, পাণ্ডাঘাট, বিহাইগাঁও, ৰাইজঘাট, শান্তিপুখুৰী, সৰাবাৰী, হুছেইনচুবুৰি, বৰপথাৰ, টেঙেৰা, বৰবৰী, গভৰা, জয়পুৰ, পদ্মাঝাৰ, বিষ্ণুপুৰ, বুঢ়া, নাওপোটা, দুৰদুৰীয়া, নাওদিঙা, জয়ন্তীপুৰ, চকৰমুখ, কাঁহিতলী আদি বিস্তীৰ্ণ এলেকা বানে সংহাৰ ৰূপ লয়। অদ্যাপি বানৰ কবলত সংশ্লিষ্ট গাঁওকেইখন। বানৰ ফলত ভেৰুৱাদলৰ দুনী-সাৰেং সংযোগী গড়কাপ্টানী পথ, বৰবৰী-দিপীলা, জয়পুৰ -দুনী, তিতকুছি- বৰপথাৰ-দুনী, বুঢ়া-দুনী, বিষ্ণুপুৰ-চেঙেলীয়াঝাৰ, হালধা-লাওজান সংযোগী পথ বানৰ কবলত পৰাত সম্প্ৰতি যোগাযোগ বিচ্ছিন্ন হৈ আছে। নাওদিঙা দুৰদুৰীয়া বিষ্ণুপুৰ চকৰমুখ আদিৰ বিলাই-বিপত্তি নোহোৱা হৈছে। ইয়াৰ মাজতে নিৰন্তৰভাৱে বিধায়ক পৰমানন্দ ৰাজবংশীয়ে ক্ষতিগ্ৰস্তৰ বুজ লৈ থকাৰ উপৰি যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰশাসনৰ লগত যোগাযোগ চলাই আছে। ইপিনে প্ৰাক্তন বিজেপি বিধায়ক বিনন্দ কুমাৰ শইকীয়াই হঠাৎ সক্ৰিয় ৰূপত বানপীড়িত ৰাইজৰ মাজত সোমাই পৰা পৰিলক্ষিত হৈছে। আজি আৰু কালি পাথৰিঘাট ৰাজহ চক্ৰৰ বিভিন্ন বানাক্ৰান্ত এলেকা পৰ্যবেক্ষণ কৰে। বিষ্ণুপুৰৰ শিবিৰৰ লোকসকলৰ মাজত সাহায্য বিতৰণ কৰি প্ৰাক্তন বিধায়ক বিনন্দই কলৰ ভূৰেৰে বানপীড়িত অঞ্চললৈ গৈ বানাক্ৰান্তসকলৰ অৱস্থাৰ বুজ লোৱা পৰিলক্ষিত হয়। একেদৰে সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, উপ-সভাপতি পৰেশ চহৰীয়াৰ নেতৃত্বত এটা সঁজাতী দলে হালধা, বিষ্ণুপুৰ, দুনী, ভেৰুৱা আদি পৰিদৰ্শন কৰি বানাক্ৰান্তক পৰ্যাপ্ত পৰিমাণৰ সাহায্য প্ৰদানৰ বাবে জিলা প্ৰশাসনক দাবী জনায়।





### ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত আকাশ অনুষ্ঠান আৰু মহাবিদ্যালয়ৰ শাখা সভাৰ স্বীকৃতি প্ৰদান অনুষ্ঠান

## নাৰীক অৱহেলা নকৰি সময়ৰ গতিত আগবঢ়াই নিলেহে সমাজৰ প্ৰকৃত উন্নতি সম্ভৱ ঃ মৃণালিনী দেৱী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ মে’ ঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত, ভাষা-সাহিত্য চ’ৰা, অসমীয়া বিভাগ আৰু জিলা সাহিত্য সভাৰ সহযোগত ১৯ মে’ তাৰিখে অসম সাহিত্য সভাৰ আকাশ অনুষ্ঠান আৰু ভোলানাথ মহাবিদ্যালয়ৰ শাখা সভাৰ স্বীকৃতি প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈ যায় । মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে । অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিত শৰ্মাই । ভাষণ প্ৰসংগত ড° শৰ্মাই কয় যে আজিৰ দিনটো ভোলানাথ মহাবিদ্যালয়ৰ বাবে ঐতিহাসিক দিন। আজিৰ সভাতে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে শাখা সভাৰ আনুষ্ঠানিক স্বীকৃতি-পত্ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীৰ হাতত অৰ্পণ কৰিব। এয়া মহাবিদ্যালয়খনৰ বাবে বিৰল স্বীকৃতি। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপিকাবৃন্দ আৰু ছাত্ৰীসকলে বিয়াগীত, গোৱালপৰীয়া লোকগীত, নৃত্য, বিহু নৃত্য, গোৱালিনী নৃত্য, সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° পলী বেজবৰুৱাই আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। ভাষণ প্ৰসংগত মৃণালিনী দেৱীয়ে কয় যে নাৰী মুক্ত হ’লেহে আমি উন্নতিৰ দিশত আগবাঢ়িব পাৰিম। অসম সাহিত্য সভাই নাৰীক সন্মান জনোৱাৰ উদ্দেশ্যে আকাশ অনুষ্ঠান অনুষ্ঠিত কৰি অহা হৈছে। নাৰীক অৱহেলা কৰি ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰাখিলে আমি প্ৰগতিৰ দিশত আগবাঢ়িব নোৱাৰিম। অনুষ্ঠানত জিলা সভাৰ সম্পাদক আজাদ আলী আহমেদ, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰীতা বৰাৰ লগতে জিলা সভাৰ বিষয়ববীয়া, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° অলকা শৰ্মাই। শাখা সভাৰ স্বীকৃতি অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীৰ পৰা গ্ৰহণ কৰি অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে বিমল আনন্দ লাভ কৰি কয় যে এয়া আমাৰ মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। অনুষ্ঠানত শাখা সভাৰ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰও বিতৰণ কৰা হয়। জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# অস্ত্ৰ আৰু হিংসাই কোনো সমস্যাৰ সমাধান নকৰে

## আলফাত (স্বা) যুৱক-যুৱতীৰ যোগদান সন্দৰ্ভত মন্তব্য এডিজিপি (এছবি) হিৰেন নাথৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২০ মে’ ঃ** ‘অস্ত্ৰ আৰু হিংসাই কোনো সমস্যাৰ সমাধান নকৰে।’ একাংশ যুৱক-যুৱতী আলফাত (স্বা) যোগদান কৰা প্ৰসংগত মন্তব্য অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হিৰেন চন্দ্ৰ নাথৰ। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত ডিব্ৰুগড় জিলা মটক যুৱ-ছাত্ৰ সন্মিলনৰ আতিথ্যত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় মটক ছাত্ৰ অধ্যয়ন চক্ৰৰ সহযোগত ১৯ মে’ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰত ‘আলোড়ন’ শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে কেন্দ্ৰীয় লোকসেৱা আয়োগ, অসম লোকসেৱা আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ’ব পৰাকৈ অনুষ্ঠিত কৰা বিশেষ সজাগতামূলক অনুষ্ঠানত উপস্থিত থাকি শীৰ্ষ আৰক্ষী বিষয়াগৰাকীয়ে কয়, সকলো সশস্ত্ৰ আৰু হিংসাৰ মাজেদি যিবিলাক আন্দোলন কৰা হৈছে আটাইবোৰ আন্দোলনেই বিফল হৈছে। মানুহে ইতিমধ্যে বুজি উঠিছে। প্ৰত্যেকটো জনগোষ্ঠীৰে একো একোটা সশস্ত্ৰ গোট আছে। গোটেইকেইটাই শান্তি প্ৰক্ৰিয়াৰ মাজলৈ ঘূৰি আহিছে। তেওঁলোকে এতিয়া উপলব্ধি কৰিছে। বিগত তিনিটা দশক ধৰি ৰাজ্যখনে ৰক্তক্ষয়ৰ এক দীঘলীয়া ইতিহাস দেখা পাইছিল। মানুহৰ মনত অশান্তি নামি আহিছিল। কিন্তু যোৱা তিনি দশকৰ পিছত প্ৰথমবাৰ অসমলৈ শান্তিৰ বাতাৱৰণ আহিছে। যিসকলে বিদ্ৰোহী সংগঠনলৈ গৈছে তেওঁলোক এতিয়াও বুজিয়ে উঠা নাই। কাৰণ বুজি পাই এতিয়া বহু ল’ৰা-ছোৱালী মূল সুঁতিলৈ উভতি আহিছে। অনিশ্চয়তাৰ পথলৈ গমন কৰাটো নিশ্চিতভাৱে সঠিক হোৱা নাই। অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে আৰু কয় যে, ‘মানুহৰ অদম্য সাহস আৰু স্পৃহাক কোনোৱেও হত্যা কৰিব নোৱাৰে। কৰিম মনোভাৱেৰে কৰি গ’লে পৃথিৱীৰ সকলো কামেই কৰিব পাৰে।’ নিজৰ শিক্ষাগুৰু, পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনক সন্মান জনাব লাগে বুলি উল্লেখ কৰি পুৱা শুই উঠিয়েই সুপ্ৰভাতেৰে সম্ভাষণ জনালে দিনটো মন ধনাত্মক হৈ পৰে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। আনহাতে, গীত হৈছে মানুহৰ আত্মাৰ মেডিচিন বুলি উল্লেখ কৰি কয়, মানুহক বিশ্ৰামৰ যথেষ্ট প্ৰয়োজন। বিশ্ৰামে মন সতেজ কৰি ৰাখে। সেই বাবে ভাল গীতো মানুহৰ বিশ্ৰামৰ আধাৰ হ’ব পাৰে। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপদেষ্টা মিণ্টু বৰপাত্ৰগোহাঁয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লীলাকান্ত নাথ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা গুৰু ড° নিৰোদ বৰুৱা, গুৱাহাটীৰ এছ পি এম একাডেমীৰ প্ৰবক্তা চিন্ময় বৰদলৈ, মটক স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিড চেতিয়া, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপদেষ্টা মিণ্টু বৰপাত্ৰগোহাঁই, সভাপতি ৰঞ্জিত গোহাঁই, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, পৰিৱেশ আৰু পৰ্যটন সম্পাদক গিৰীশ পাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ বিকাশ মিচং, সাধাৰণ সম্পাদক অবিনাশ শইকীয়া আদিকে ধৰি ভালেকেইগৰাকী বিষয়ববীয়াই উপস্থিত থাকে।

## বিষ্ণুপুৰত বান শৰণাৰ্থী শিবিৰত মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২০ মে’ ঃ** দৰঙৰ পশ্চিমাঞ্চলত দিমিলা আৰু কালপানী নৈৰ বানে ভয়াবহ ৰূপ ধাৰণ কৰাত এই বেলি বিস্তৰ ক্ষতি সাধন হৈছে অঞ্চলবাসী ৰাইজ ৰ। আংশিক কমিছে যদিও দুনী,বোনমাঝা আৰু বুঢ়া পঞ্চায়তৰ বিস্তৃত অঞ্চল জুৰি এতিয়াও পানীৰ তলতে আছে। বিশেষকৈ বুঢ়া পঞ্চায়ত এলেকাৰ বহু কেইটা পৰিয়াল গৃহহীন হৈ বিষ্ণুপুৰ প্ৰাথমিক বিদ্যালয়ত বান শৰণাৰ্থী শিবিৰত ১০৫ জনে আশ্ৰয় লব লগাত পৰিছে। ইয়াৰ ভিতৰত ২৫ গৰাকী শিশু আছে। সেয়ে আজি বানপীড়িত জনতাৰ দুখ দুৰ্দশা বুজ ল’বলৈ এই শিবিৰ পৰিদৰ্শন কৰে পৰিবহণ বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী য়ে। ৰাইজৰ দুখ দুৰ্দশা ৰ বুজ লোৱা ৰ অৰ্থে এই পৰিদৰ্শন কাল চোৱাত সংগ দিয়ে বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, উপায়ুক্ত,চক্ৰ বিষয়া,ৰানা বশিষ্ঠ ৰ লগতে অন্যান্য বিষয়া বৰ্গ ই। লগতে অঞ্চলটি এচ ডি আৰ এফ ৰ সহায়ত পৰিদৰ্শন কৰে। উল্লেখ্য যে ইয়াৰ আগতে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই বুঢ়া পঞ্চায়তৰ কিছু এলেকা পৰিদৰ্শন কৰিছিল আৰু পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ৪৩ খন গাওঁ এইবেলি বানৰ কবলত পৰে।



## দেৰগাঁও নগৰৰ সাৰ্বজনীন নামঘৰত খনিকৰ পুথি পাঠ আৰু নাম-কীৰ্তনৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২০ মে’ ঃ** দেৰগাঁও নগৰস্থিত ঐতিহ্যমণ্ডিত নৰেন শৰ্মা স্মৃতি পথাৰৰ সমীপত আঞ্চলিক সাৰ্বজনীন নামঘৰ প্ৰাংগণত ১৮ আৰু ১৯ মে’ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা মহিমা মণ্ডিত খনিকৰ পুথি নাম কীৰ্তনৰ সামৰণি পৰে । দেৰগাঁও বাইপাছবিৰোধী সংগ্ৰাম সমিতি, সচেতন নাগৰিক মঞ্চ আৰু দেৰগাঁওবাসীৰ ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা এই ধাৰ্মিক অনুষ্ঠানটিত কেইবা শতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত হৰি নামৰ ধ্বনিৰে মুখৰিত হয় বৃহত্তৰ দেৰগাঁও অঞ্চল। দেৰগাঁৱৰ কুৰিখন গাঁওবাসীৰ কুশল-মঙ্গল কামনা কৰি শান্তি-সম্প্ৰীতি ঐক্য স্থাপনৰ উদ্দেশ্যে আয়োজিত ধৰ্মীয়স্থলীত সেৱকী সমষ্টই ধূপ-চাকি জ্বলাই শৰাই-নৈবেদ্য আগবঢ়াই সেৱা লয়। ওৰে ৰাতি শ্ৰৱণ-কীৰ্তনৰ অন্তত দ্বিতীয় দিনাও পুৱাৰে পৰা বৈকুণ্ঠ ধামলৈ পৰিণত হয় সমগ্ৰ দেৰগাঁও। আধ্যাত্মিক আৰু এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত বিয়লি মহিমামণ্ডিত পুথিভাগ বিদায় দিয়া হয়। সন্ধিয়া গোপাল কৃষ্ণ খাউণ্ড আৰু সঞ্জীৱ বৰাৰ পৰিচালনাৰে সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত ‘বিপ্ৰ দামোদৰ আখ্যান’ নামৰ ভাওনাখন প্ৰদৰ্শন কৰা হয়।

# হাজোত ভূমি বিবাদক কেন্দ্ৰ কৰি আক্ৰমণৰ ঘটনা

### আহত শিশু-মহিলাসহ ৫জনকৈ লোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২০ মে’ ঃ** কামৰূপ জিলাৰ হাজোত ভূমি বিবাদক কেন্দ্ৰ কৰি বুল্লুট চাৰিআলিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। ৫-৬ জনীয়া এটা দুৰ্বৃত্তৰ দলৰ আক্ৰমণত এটি পৰিয়ালৰ ছমহীয়া শিশু-



মহিলাসহ ৫জনকৈ লোক আহত হোৱা ঘটনাই চাঞ্চল্যকৰ সৃষ্টি কৰিছে। ঘটনাটো সংঘটিত হৈছে হাজো আৰক্ষী থানাৰ অন্তৰ্গত বুল্লুট চ’ক বজাৰত। ঘটনাৰ বিষয়ে জানিব পৰা মতে যোৱা বৃহস্পতিবাৰে বিয়লি ভাগত অইন দিনাখনৰ দৰে বুল্লুটৰ চফুৰ আলী নামৰ ব্যৱসায়ীজনে নিজ ব্যৱসায় প্ৰতিষ্ঠানখনত ব্যস্ত থকাৰ সময়ত অকস্মাৎ প্ৰায় ৫-৬ জনীয় দুৰ্বৃত্তৰ দল এটি আহি ব্যৱসায় প্ৰতিষ্ঠানখনৰ ভূমি দখলৰ চেষ্টা চলায়। পিছত চফুৰ আলীয়ে ইয়াৰ বিৰোধিতা কৰাত দুৰ্বৃত্তৰ দলটোৱে দোকানখনৰ স্বত্বাধিকাৰী চফুৰ আলীসহ তেওঁৰ পৰিয়ালটোক যাঠি-জোঙৰ লগতে চোকা অস্ত্ৰৰে উপৰ্যুপৰি প্ৰহাৰ কৰে। ফলত ৰক্তাক্ত হৈ পৰে চফুৰ আলীৰ দোকান ঘৰ আৰু আঘাতপ্ৰাপ্ত হয় ক্ৰমে চফুৰ আলী, মকিবুল ইছলাম, মফিদা বেগম, চামিনা বেগম আৰু ৬মহীয়া শিশু চাহনুৰ আলী। অৱশেষত তেজেৰে তুমৰলি অৱস্থাত আঘাতপ্ৰাপ্ত আটাইকেইজনে হাজো থানাত উপস্থিত হৈ দুৰ্বৃত্তৰ দলটোত থকা ক্ৰমে চলিম আলী, নেমুদ্দিন আলী, চালাম আলী, আছমিনা বেগম, নুৰনেহাৰ বেগম আৰু মেমজান বেগমৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে । পিছত হাজো আৰক্ষীয়ে আহত আটাইকেজনক বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা প্ৰদান কৰে ।

## কাকজান দুলীয়াগাঁও তিনিআলিত চিলিণ্ডাৰ বিস্ফোৰণ, বহু ব্যৱসায় প্ৰতিষ্ঠান কথমপি ৰক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ মে’ ঃ** কাকজান দুলীয়া গাঁও তিনি আলিস্থিত হোটেল গৌৰাঙ্গত আজি দিনৰ দুই বজাত এক চিলিণ্ডাৰ বিস্ফোৰণ ঘটনা সংঘটিত হয়। হোটেলখনৰ পাকঘৰত থকা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ পৰা গেছ নিৰ্গমন হৈ হঠাৎ কোঠাটো জুইৰ লেলিহান শিখাই আগুৰি ধৰে। সেই সময়তে হোটেলখনৰ কৰ্মীসকলে পানী আৰু বালি ব্যৱহাৰ কৰি জুইৰ প্ৰকোপ কমাবলৈ সক্ষম হয় যদিও সম্পূৰ্ণভাৱে জুই নুমুৱাবলৈ বিফল হয়। কম সময়ৰ ভিতৰতে টীয়কৰ অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰি চিলিণ্ডাৰটো মুকলি ঠাইলৈ উলিয়াই আনি এক ভয়ংকৰ পৰিস্থিতিৰ পৰা স্থানীয় ব্যৱসায় প্ৰতিষ্ঠানসমূহক ৰক্ষা কৰে। অগ্নি কাণ্ডৰ ফলত কোনোধৰণৰ অনিষ্ট হোৱা নাই যদিও কিছু সময়ৰ বাবে সেই স্থানৰ ৰাইজৰ মাজত আতংকৰ সৃষ্টি হয়। উল্লেখ যে উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানখনত বাণিজ্যিক চিলিণ্ডাৰ ব্যৱসায়ৰ কৰিব লাগে যদিও প্ৰতিষ্ঠানখনত ঘৰুৱা চিলিণ্ডৰ ব্যৱসায়ৰ কৰিছে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে।

### লক্ষীপুৰত সীমা অতিক্ৰম কৰিছে বন্য হস্তীৰ উপদ্ৰৱে ঃ ৰাইজ ৰাজপথলৈ

# মৃত জোনাকৰ মাতৃৰ হিয়া ভগা কান্দোন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২০ মে’ ঃ** লক্ষীপুৰত সীমা অতিক্ৰম কৰিছে বন্য হস্তীৰ উপদ্ৰৱে। অৱশেষত লক্ষীপুৰত বন্যহস্তীৰ আক্ৰান্ত ৰাইজ ওলাই আহিল ৰাজপথলৈ ।হাতে হাতে প্লেকাৰ্ড লৈ বনমন্ত্ৰী হায় হায়, অসম চৰকাৰ হায় হায় ধ্বনিৰে শতাধিক পুৰুষ-মহিলাই আজি লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত কুৰ্শাপাখৰী গাঁৱৰ পথ কঁপাই তোলে। উল্লেখ্য যে বুধবাৰে নিশা লক্ষীপুৰ বন বিভাগৰ অন্তৰ্গত কুৰ্শাপাখৰী গাঁৱত জোনাক কোচ নামৰ কিশোৰ এজনক বন্য হস্তীয়ে গচকি মাৰি পেলোৱাৰ পিছত যোৱা নিশাও হাতীজাকে গাঁওখনত ভয়াৱহভাৱে উপদ্ৰৱ চলায়। হাতীৰ জাকটোৱে ২০টাৰো অধিক পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি , ধান-চাউল খাই বিস্তৰ ক্ষতি সাধন কৰে। উল্লেখ্য যে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত এই হাতীজাকে আজি তিনি-চাৰি বছৰ ধৰি উপদ্ৰৱ চলাই আহিছে । অভিযোগ অনুসৰি বিগত দিনত প্ৰায় বিশ-পঁচিশগৰাকী মানুহ হাতীৰ আক্ৰমণত মৃত্যু হৈছে। সম্প্ৰতি হাতীজাকৰ উপদ্ৰৱ ভয়াৱহভাৱে বৃদ্ধি পাইছে ।ৰাইজে ইয়াৰ এটি স্থায়ী সমাধান কৰাৰ বাবে দাবী জনোৱাৰ পিছতো কোনো সুফল নোপোৱাত অতিষ্ঠ ৰাইজে এনেদৰে ৰাজপথলৈ ওলাই আহিছে। প্ৰতিবাদকাৰীসকলে বন্য হস্তীৰ আক্ৰমণত মৃত্যু হোৱা লোকক আৰু বন্য হস্তীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা লোকসকলক উপযুক্ত ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে ।মৃত জোনাক কোচৰ মাতৃয়েও হুক হুকাই কান্দি ক’লে— মোৰ লৰাক হেৰুৱালো। আৰু যাতে কাকো হেৰুৱাব লগা নহয়।

## ৰাশিফলত আজিৰ দিনটো

**৬ জেঠ, শনিবাৰ, ২১ মে’, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা ষষ্ঠী, নক্ষত্ৰ ঃ উত্তৰাষাঢ়া, জন্ম ৰাশি ঃ মকৰ**
**সূৰ্যোদয়- ৪-৩৬-৩০ সূৰ্যাস্ত- ৫-৫৯-৪**



■ **মেষ** ঃ দৈহিক পীড়া ■ **বৃষ** ঃ ব্যৱসায়ত লাভ ■ **মিথুন** ঃ আৰোগ্য লাভ ■ **কৰ্কট** ঃ সম্পদ লাভ ■ **সিংহ** ঃ আনৰ সহায় ■ **কন্যা** ঃ প্ৰেমত শুভ ■ **তুলা** ঃ শুভ সংবাদ ■ **বৃশ্চিক** ঃ বন্ধু বিৰোধ ■ **ধনু** ঃ ৰোগ বৃদ্ধি ■ **মকৰ** ঃ গৃহ সুখ ■ **কুম্ভ** ঃ শুভ ■ **মীন** ঃ দাম্পত্য সুখ।


No. M/3/Part-IV/2022-23/67/

**SHORT NOTICE INVITING TENDER**

Sealed tender affixing non-refundable court fee stamp of Rs. 8.25 (Rupees eight and twenty five paisa) only is hereby invited from the eligible registered contractors/surveyor of Irrigation Department in prescribed form subsequently to be drawn in APWD F-2 form of Tender Agreement for the following works under SOPD for the year 2019-20 which will be received by the undersigned up to 2.00 p.m. of 30-05-2022 and will be opened on the same day at 2.30 p.m. in presence of the interested tenderer(s) or their authorized representatives. In the event of any reason, if the office remain closed in the specific date, the tenders will be received /opened on the next working day at the same time and same place.

Detail N.I.T, terms, and conditions, etc. may be hadfrom the office of the undersigned on payment of nonrefundable tender fee of Rs.300.00 (Rupees Threehundred)only in the form Bank Draft (BD) duly pledged in favour of the undersigned up to 12.00 O' clock(noon) on 30-05-2022

| Sl No | Name of Scheme | Head of Account | Approx Amount |
|---|---|---|---|
| 1 | 'roviding Roof Trusses, Corrugated GS sheet, MS Grills are at Barge of Kuruwa LIS | 4702-00-101-1522-121-13-01-SOPD-G-V-GA | Rs.7,30,000.00 (Rupees Seven lakh Thirty thousand only) |

**Earnest Money :** 2% against work value (1% for SC/ST/OBC) in the shape of Bank Draft/ Call deposit drawn from any Scheduled Bank guaranteed by RBI and duly pledged in favour of "The Executive Engineer, Mangaldai-Dalgaon-Sipajhar Division (Irrigation) Mangaldai"is to be submitted along with the tender.

**Time of Completion :- 30(thirty) days only.**

**Special Clauses :-**

1. The undersigned reserves the right to accept or reject any or all of the tenders without assigning any reason there of or stop the process of tender at any time and shall bear no liability whatsoever consequent upon such decision and also not bound to accept lowest tender rate.
2. Payment of bill etc will be made subject to the availability of fund under the concerned Head of A/C and it is also clear that no interest etc will be made for such inconvenience as agreed.

Sd/-
Executive Engineer
Mangaldai-Dalgaon-Sipajhar Division (Irrigation)
Mangaldai

**Janasanyog /C/2776/22**


# বানপীড়িতৰ মাজত ফিল্টাৰ বিতৰণ অনুসূচিত জাতি উন্নয়ন ব’ৰ্ড নগাঁৱৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ মে’ ঃ** বছৰটোৰ পহিলা বানে ৰাজ্যবাসীৰ মাজলৈ বিপদ মাতি আনিছে। নগাঁও জিলাতো বানৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। বানে নিশাৰী, হাৰিয়া নৈৰ জলপৃষ্ঠ বৃদ্ধিৰ ফলত নগাঁও জিলাৰ সদৰ সমষ্টিৰ অন্তৰ্গত বৰকলা, কচুপিত, তুলসীমুখ, ৰাঙলুমুখ, নৈপাম, বুঢ়াগোহাঁই আদি অঞ্চলসমূহ প্লাৱিত হোৱাৰ ফলত জনসাধাৰণে বিনিদ্ৰ ৰজনী কটাইছে। বৰকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৬টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত প্ৰায় দুই হাজাৰ লোকে আশ্ৰয় গ্ৰহণ কৰিছে । উল্লেখ্য যে



বানাক্ৰান্ত ৰাইজৰ মাজত আজি নগাঁও জিলা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ নৰেন দাসৰ লগতে সদস্যদ্বয় হীৰকজ্যোতি দাস আৰু অনুপম দাস তথা দক্ষিণপাট গাঁও পঞ্চায়তৰ সভাপতি যুগ প্ৰসাদ বৰদলৈয়ে বন্যাৰ্ত লোকৰ বুজ লোৱাৰ লগতে ৩০টা পানী খোৱা ফিল্টাৰ বিতৰণ কৰে ।

### গুৱাহাটীত দীপক শৰ্মা সম্পাদিত প্ৰবন্ধ সংকলন ‘ফুল-বাঁহ’ উন্মোচন

# ফুল-বাঁহৰে অৰ্থনৈতিক বুনিয়াদ গঢ়িব পাৰি ঃ ড° সূৰ্য হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ মে’ ঃ** কালি অসমৰ অন্যতম প্ৰকাশন প্ৰতিষ্ঠান ‘পৰাগজ্যোতি প্ৰকাশন’ৰ উদ্যোগত মহানগৰীৰ এছ কে হাজৰিকা কলেজ প্ৰাংগণত সাংবাদিক, কবি দীপক শৰ্মা সম্পাদিত প্ৰবন্ধ সংকলন ‘ফুল-বাঁহ’ৰ শুভ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি ‘পদ্মশ্ৰী’প্ৰাপক, বিশিষ্ট সাহিত্যিক, চিন্তাবিদ ড° সূৰ্য হাজৰিকাই কয়— ‘ফুল আৰু বাঁহ খেতিৰে নিজেও স্বাৱলম্বী হ’ব পাৰি। লগতে দহটা পৰিয়ালকো পোহপাল দিব পাৰি। বাঁহৰ উদ্যোগ কেতিয়াও মৰহি নাযায়। ফুল-বাঁহেৰে অৰ্থনৈতিক বুনিয়াদ গঢ়িব পাৰি। আছে। অসমত ৰঘুনাথ চৌধাৰী, ৰত্নকান্ত বৰকাকতী, পাৰ্বতিপ্ৰসাদ বৰুৱা, নলিনী বালা দেৱী, জয়ন্ত হাজৰিকা আদিয়ে বহু গীত-কবিতা ফুলক লৈ ৰচনা কৰি থৈ গৈছে।’ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত উপ-মহাপ্ৰবন্ধক তথা নগাঁৱৰ বিশিষ্ট কবি চন্দ্ৰকান্ত শইকীয়াই কয়— ‘বাঁহ মানৱ সভ্যতাৰ এক মহামূল্যৱান সম্পদ। অসমীয়া সমাজত বাঁহৰ ব্যৱহাৰ যুগ-যুগান্তৰৰ পৰা চলি আহিছে। বাঁহক লৈ বৃহৎ উদ্যোগ স্থাপন কৰিব পাৰি। ফুল বেয়া পোৱা মানুহ এই পৃথিৱীত নাই বুলি ক’ব পাৰি। ফুলৰ প্ৰয়োজনীয়তা অসমত




ৰাজ্য চৰকাৰে ফুল-বাঁহৰ ওপৰত যথোচিত ধৰণেৰে গুৰুত্বাৰোপ কৰি নিবনুৱা সমস্যা সমাধান কৰিব পাৰে।’ সভা উদ্বোধন কৰি বিশিষ্ট বুদ্ধিজীৱী তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দয়ানন্দ পাঠকে কয়- ‘ব্যৱসায়িক ধৰণেৰে ফুল খেতিৰ লগতে বাঁহ খেতি কৰিলে অসমত যথেষ্ট সম্ভাৱনা আছে। গুৱাহাটীৰ বজাৰলৈ নিতৌ কলকাতা, বেংগালুৰু আদিৰ পৰা লাখ-লাখ টকাৰ ফুল আহে। সেই ফুলৰ বজাৰ অসমৰ যুৱক-যুৱতীয়ে গঢ়ি তুলিব লাগে। সেই যুৱক-যুৱতীক চৰকাৰে সুলভ ধৰণেৰে ঋণ দিব লাগে। নিবনুৱা সমস্যা সমাধানত যথোপযুক্ত ধৰণৰ সহায়ক হ’ব। নতুন প্ৰজন্মই বাঁহ-বেতৰ সামগ্ৰী উৎপাদনত মনোনিৱেশ কৰিব লাগে। শ্ৰীকৃষ্ণই বাঁহেৰে বনোৱা বাঁহী বজাইছিল। বাঁহীৰ সুমধুৰ সুৰত ত্ৰিভুৱন কঁপি উঠিছিল। বাঁহৰ সমাদৰ বিশ্বজুৰি আছে।’ সভাত অংশ লৈ অসম সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক, ‘সাহিত্য কোঁৱৰ’ কমল কলিতাই কয়- ‘মানৱ জাতিৰ বাবে বাঁহ এক আপুৰুগীয়া সম্পদ। সেইদৰে ফুল নহ’লেও কোনো জাতিয়ে চলিব নোৱাৰে। অসম কিয় ভাৰতৰ লগতে সমগ্ৰ পৃথিৱীতে কবি, সাহিত্যিক, শিল্পী সৃষ্টিৰ অন্তৰালত ফুল-বাঁহৰ ভূমিকা কৃষকে বঢ়াব পৰা নাই। চৰকাৰে স্বেচ্ছাসেৱী অনুষ্ঠান, আত্মসহায়ক গোট আদিক প্ৰশিক্ষণ দি ফুল-বাঁহৰ ওপৰত ব্যৱসায়িক মনোবৃত্তি গঢ়ি তুলিব লাগে।’ গোৱালপাৰা জিলা সাহিত্য সভাৰ উপ-সভাপতি ভাস্কৰ চৌধুৰীয়ে সভাত অংশ লৈ কয়- ‘বাঁহক লৈ নতুন নতুন আচবাব নিৰ্মাণ কৰা হৈছে। ইথানল সৃষ্টি কৰিছে। বাঁহ সংস্কৃতি আদিতেও আছিল, ভৱিষ্যতেও থাকিব। ফুল-বাঁহৰ প্ৰয়োজনীয়তাক কোনেও নুই কৰিব নোৱাৰে।’ সম্পদ কেন্দ্ৰ, অসমৰ অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াই সভাত অংশ লৈ কয়- ‘সমাজ জীৱনত বাঁহৰ ভূমিকা সোদৰৰ ভাইৰ দৰে। বাঁহ খেতি কিম্বা ফুল খেতিৰ জীৱন ধাৰা,চিন্তা ধাৰা অনন্য। এজন মানুহক জন্মৰ পৰা মৃত্যুলৈ ফুল-বাঁহৰ প্ৰয়োজন আছে। সৃষ্টিশীল কামত ফুল-বাঁহৰ প্ৰয়োজন ভাবিব নোৱৰা। ফুল শান্তিৰ প্ৰতীক। সুখৰ লগতে সমৃদ্ধিশালীৰ প্ৰতীক। প্ৰেম-ভাতৃত্ববোধৰ প্ৰতীক।’ পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই আঁত ধৰা সভাত প্ৰাঞ্জল মহন্ত, প্ৰাণজিৎ বেজবৰুৱা, তাজনুৰ আলম চৌধুৰী আদি বিশিষ্ট ব্যক্তিবৰ্গ উপস্থিত থাকে।



গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

৩



দ্বাদশ বছৰ ■ সংখ্যা ২৮১ ■ গুৱাহাটী ■ শনিবাৰ, ২১ মে', ২০২২, ৬ জেঠ, ১৯৪৪ শক  RNP/GH/248/2114-2017  গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 281 Dainandin Barta ■ Guwahati, Saturday ■ 21 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449  Total Pages =12 ■ Rs. 10.00 Only




আমেৰিকা নিৱাসী অসম সন্তান তথা এভাৰেষ্ট শৃংগ আৰোহণ কৰা সপ্তম অসমীয়া হিচাপে পৰিগণিত হোৱা হেদায়েৎ আলীক গুৱাহাটীত সম্বৰ্ধনা জ্ঞাপন, শুকুৰবাৰে

# গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান উদ্বোধন

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শুভাৰম্ভ কৰিলে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে

### অসম জৈৱ প্ৰযুক্তি সন্মিলন-২০২২ মুকলি, ষ্টাৰ্ট আপ যাত্ৰা অসমৰ ফ্লেগ অফ্ কৰিলে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২০ মে' ঃ** কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ তথ্য উদ্যমিতা দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ কুইন ওজাৰ উপস্থিতত কামৰূপ জিলাৰ আমিনগাঁওস্থিত গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যানৰ প্ৰযুক্তি ইনকুবেশ্বন কেন্দ্ৰ (Technology Incubation Centre) আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ উপৰি অসম জৈৱ প্ৰযুক্তি সন্মিলন-২০২২ আনুষ্ঠানিকভাৱে মুকলি কৰে। উক্ত অনুষ্ঠানতে তিনিগৰাকী যুৱ উদ্ভাৱকক যুৱ উদ্ভাৱনী উদ্যোগী বঁটা প্ৰদান কৰাৰ উপৰি ২০২০ আৰু ২০২১ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান কৰা হয়। ২০২০ বৰ্ষৰ এই বঁটা লাভ কৰিছে ক্ৰমে ড° জয়ন্তী চুতীয়া (জীৱনজোৰা সাফল্য বঁটা), ড° হেমেন কুমাৰ কলিতা (যুৱ বিজ্ঞানী বঁটা), ইনষ্টিটিউট অৱ এড্ভানছ ছায়েন্স এণ্ড টেকন'ল'জিয়ে (প্ৰতিষ্ঠানিক বঁটা)। আনহাতে, ২০২১ বৰ্ষৰ অসম ৰাজ্যিক বিজ্ঞান বঁটা লাভ কৰিছে ক্ৰমে অধ্যাপক প্ৰয়াত ধীৰাজ বৰা (জীৱনজোৰা সাফল্যৰ বঁটা) আৰু ড° ৰূপম গোস্বামীয়ে (যুৱ বিজ্ঞানী বঁটা)। এই অনুষ্ঠানৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকী তথা মুখ্যমন্ত্ৰীয়ে 'ষ্টাৰ্ট আপ যাত্ৰা অসম'ৰ ফ্লেগ অফ্ কৰাৰ উপৰি 'শ্যামলিমা কামৰূপ' শীৰ্ষক কামৰূপ জিলাৰ এক বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচীৰো আনুষ্ঠানিকভাৱে ■ ৮ পৃষ্ঠাত



## গোলাঘাটৰ আঠখেলীয়াত নৃশংস হত্যাকাণ্ড

# শোৱাপাটীতেই ডিঙি কাটি এজনক হত্যা

### ৭ বছৰীয়া পুত্ৰসহ পত্নীকো হত্যাৰ চেষ্টা
### স্থানীয় ৰাইজে জ্বলাই দিলে হত্যাকাৰীৰ বাসগৃহ
### আৰক্ষীৰ জিম্মাত হত্যাকাৰী নাজিদুৰ ৰহমান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ মে' ঃ** এক নৃশংস হত্যাকাণ্ডই জোকাৰি গৈছে ৰাজ্য। এজন ব্যক্তিৰ নৃশংসতাৰ বলি হ'ল গোলাঘাটৰ আঠখেলীয়া বেবেজীয়া চাৰিঙীয়া গাঁৱৰ এটা পৰিয়াল। প্ৰাপ্ত তথ্য মতে, যোৱানিশা গোলাঘাট জিলাৰ ঘিলাধাৰী থানাৰ অন্তৰ্গত আঠখেলীয়া বেবেজীয়া চাৰিঙীয়া গাঁৱত সংঘটিত হোৱা নৃশংস হত্যাকাণ্ডৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা অনুসৰি নিজ গৃহৰ ভিতৰতেই চোকা অস্ত্ৰৰে এজন ব্যক্তিক নৃশংসভাৱে হত্যা কৰাৰ লগতে তেওঁৰ সাতবছৰীয়া পুত্ৰ আৰু পত্নীকো গুৰুতৰভাৱে জখম কৰে। আঠখেলীয়া বেবেজীয়া গাঁও নিৱাসী তিতাৰাম দাসৰ পুত্ৰ দিব্যজিৎ দাস ওৰফে দ্বিপেন দাস (৩২) নামৰ ব্যক্তিজনক ওচৰৰে আবুল আহমেদৰ পুত্ৰ নাজিদুৰ ৰহমানে (২৭) চোকা অস্ত্ৰৰে ডিঙি ৰেপি হত্যা কৰি নগদ ধন আৰু সোণৰ আ-অলংকাৰ লুট কৰি নিয়ে। পৰিয়ালৰ সূত্ৰৰ পৰা জানিব পৰা মতে, বৃহস্পতিবাৰে নিশা প্ৰায় ২ মান বজাত প্ৰিয়ম দাস (৭) নামৰ শিশুটিয়ে নিজৰ ঘৰৰ খটখটিৰ ■ ৮ পৃষ্ঠাত



হত্যাকাণ্ডৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদস্থলীত মন্ত্ৰী অজন্তা নেওগৰ বুজনি

### কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

## ৰুকাছেন মহাবিদ্যালয়ত নিৰ্বাচনী বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২০ মে' ঃ** ৮ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নিৰ্বাচনৰ বাবে জিলা নিৰ্বাচনী বিষয়াই ইতিমধ্যে সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে । সেই উদ্দেশ্যে আজি বকলীয়াঘাট ৰুকাছেন মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলগীয়া নিৰ্বাচনী বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ এক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন ■ ৮ পৃষ্ঠাত

### অপাৰেচন অল ক্লিয়াৰ

## অভিযুক্ত ২০ আলফা পত্নীক দোষমুক্ত ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২০ মে' ঃ** ৰয়েল ভূটান আৰ্মীৰ দ্বাৰা ভূটানৰ দক্ষিণ অংশত থিতাপি লৈ থকা অসমৰ একাংশ উগ্ৰপন্থী সংগঠনৰ ঘাটি উচ্ছেদ কৰিবলৈ ২০০৩ চনৰ ১৫ ডিচেম্বৰৰ পৰা ২০০৪ চনৰ ৩ জানুৱাৰীলৈ চলোৱা অপাৰেচন অল ক্লিয়াৰত সংযুক্ত মুক্তি বাহিনী চমুকৈ আলফা নেতাৰ ৩৭গৰাকীকৈ পত্নী গ্ৰেপ্তাৰ কৰা হৈছিল। ২০০৩ চনৰ ২৪ ডিচেম্বৰত ভূটানত গ্ৰেপ্তাৰ হোৱা আলফা নেতাৰ পত্নীসকলে দুবছৰ কাৰাবাস খটাৰ পিছত জামিন ■ ৮ পৃষ্ঠাত

## লালুপ্ৰসাদ যাদৱৰ বিৰুদ্ধে চিবিআইৰ নতুন গোচৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ মে' ঃ** বিপদে লগ নেৰা হৈছে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱক। কিছুদিন পূৰ্বে জামিন লাভ কৰা লালুৰ বিৰুদ্ধে পুনৰ সক্ৰিয় হৈ পৰিছে চিবিআই। এইবাৰ লালুৰ বিৰুদ্ধে চিবিআই-এ পুনৰ এক নতুন গোচৰ ৰুজু কৰে। পশুখাদ্য কেলেংকাৰিৰ গোচৰত জামিন ■ ৮ পৃষ্ঠাত

### আঁকোৰগোজ কিম জং

## পুনৰ কৰিব পাৰমাণৱিক অস্ত্ৰ পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ মে' ঃ** উত্তৰ কোৰিয়াৰ একনায়কত্ববাদী শাসক কিম জং উনৰ হুমকিৰ কথা সকলোৰে জ্ঞাত। সময়ে সময়ে আমেৰিকা আৰু দক্ষিণ কোৰিয়াক ধমকি দি বাতৰিৰ চৰ্চালৈ আহি থাকে উন। ইয়াৰ মাজতে মাৰ্কিন ৰাষ্ট্ৰপতি জো বাইডেনে এছিয়া ভ্ৰমণ কৰাৰ সময়তে উত্তৰ কোৰিয়াই পাৰমাণৱিক অস্ত্ৰৰ পৰীক্ষা ■ ৮ পৃষ্ঠাত

### বৰালিমাৰীৰ বেতনিত ভয়ংকৰ পথ দুৰ্ঘটনা

## বাইকৰ খুন্দাত থিতাতে নিহত মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ২০ মে' ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত বেতনিত আজি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত হয় এগৰাকী মহিলা। বৰপথাৰ গাঁৱৰ নিহত মহিলাগৰাকীৰ নাম আয়েছা (৪০)। ঘটনাৰ ■ ৮ পৃষ্ঠাত

## মুকলি আকাশৰ তললৈ আহিল ইন্দ্ৰাণী মুখাৰ্জী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ মে' ঃ** ২০১৫ চনৰ পৰা মুম্বাইৰ কাৰাগাৰত বন্দী হৈ থকা ইন্দ্ৰাণী মুখাৰ্জী অৱশেষত আজি মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হৈছে। চিবিআইৰ বিশেষ আদালতে বাৰে বাৰে জামিন অস্বীকাৰ কৰাৰ পিছত ফেব্ৰুৱাৰীত উচ্চতম ■ ৮ পৃষ্ঠাত

## লখিমপুৰত হেণ্ডকাফসহ আদালতৰ পৰা পলায়নৰ চেষ্টা ড্ৰাগ্ছ ব্যৱসায়ীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২০ মে' ঃ** সমগ্ৰ ৰাজ্যখনত আৰক্ষীয়ে ড্ৰাগ্ছবিৰোধী অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে লখিমপুৰতো লখিমপুৰ আৰক্ষীয়ে ভালেসংখ্যক ড্ৰাগ্ছ ব্যৱসায়ী আৰু ■ ৮ পৃষ্ঠাত

### এছিয়ান ডেভেলপমেণ্ট বেংকৰ ধনেৰে কলিয়াবৰৰ শিলঘাটৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ আঁচনি

## কলিয়াবৰৰ শিলঘাটবাসীৰ বাবে ভাল খবৰ দিলে মন্ত্ৰী পীযূষ হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২০ মে' ঃ** কলিয়াবৰৰ ঐতিহাসিক শিলঘাটত হৈ থকা তীব্ৰ খহনীয়া ৰোধৰ বাবে প্ৰায় তিনিশ কোটি টকাৰ এক আঁচনি প্ৰস্তুত কৰিছে ৰাজ্য চৰকাৰে। জলসম্পদ বিভাগৰ মন্ত্ৰীগৰাকীয়ে আজি কলিয়াবৰত এই কথা সদৰী কৰে। লগতে এই খহনীয়া প্ৰতিৰোধী আঁচনি অহা এবছৰৰ ভিতৰত সমাপ্ত হ'ব বুলিও ঘোষণা কৰে। এছিয়ান ডেভেলপমেণ্ট বেংকৰ পৰা লাভ কৰা প্ৰায় ৩৭শ কোটি টকাৰ পৰা অসম চৰকাৰে খহনীয়া ৰোধৰ বাবে এই ধন ব্যয় কৰিব। ৰাজ্যৰ সংবাদ মাধ্যমত ধাৰাবাহিকভাৱে ■ ৮ পৃষ্ঠাত



## কংগ্ৰেছৰ মুখ্য কাৰ্যালয় কমাৰ্চিয়েল কমপ্লেক্স, বাৰ-ডিস্কো যিয়েই কৰক আপত্তি নাই বিজেপি মন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ মে' ঃ** ৰাজীৱ ভৱনটো কংগ্ৰেছ দলে ব্যৱসায়িক প্ৰতিষ্ঠান অথবা বাৰ, ডিস্কো' যিয়েই কৰক, তাত মোৰ কব'লগীয়া নাই। কিন্তু অনাগত দিনত ৰাজীৱ ভৱনটো বিক্ৰী কৰাৰ অভিযোগ যাতে নাপাওঁ। উল্লেখ্য যে, গুৱাহাটীস্থিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱন চৌহদ কমাৰ্চিয়েল কমপ্লেক্স হিচাপে নিৰ্মাণ কৰাৰ খবৰ ওলোৱাৰ পিছত আজি এই সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত এই মন্তব্য তেজপুৰত কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাক দলৰ পৰা বহিষ্কাৰ কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয় যে, কংগ্ৰেছত এতিয়া ভাল কথা কোৱা মানুহক উলিয়াই দিয়া হয়। যিসকলে কংগ্ৰেছক ভাল নাপাই, কংগ্ৰেছ দলৰ বিপদৰ সময়ত একো কাম নকৰে তেওঁলোকে জবৰদস্তি পদ লৈ এতিয়া মাতব্বৰিতা কৰিবলৈ লৈছে। বাকীসকলৰ কংগ্ৰেছত ■ ৮ পৃষ্ঠাত



নিজৰ মৰমৰ অটোখনৰ পিঠিত উঠি উদ্ধাৰকাৰীলৈ অপেক্ষা শিলচৰৰ এজন বানাক্ৰান্ত নিঠৰুৱাৰ

### বাক্সাৰ সাউদৰভিঠা-ৰামচাৰটাৰীৰ দলং নিৰ্মাণত ব্যাপক দুৰ্নীতি

## ৩ বছৰেও সম্পূৰ্ণ নহ'ল দলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, আনন্দ বজাৰ, ২০ মে' ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত সাউদৰভিঠা-ৰামচাৰটাৰী পকী দলং নিৰ্মাণৰ ব্যাপক দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি নিৰ্মাণ কাৰ্যত নিয়োজিত ঠিকাদাৰৰ বিৰুদ্ধে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। লগতে অসম চৰকাৰ, ■ ৮ পৃষ্ঠাত



### ৰহা-চাপৰমুখত বানপৰিস্থিতি ক্ৰমাৎ অধিক শোচনীয়

## বিপদসীমাৰ ১.২৯ মিটাৰ ওপৰেদি বৈ আছে কলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ মে' ঃ** কপিলী আৰু বৰপানী নদীৰ বানপানীয়ে নগাঁও জিলাত তাণ্ডৱ চলাই থকাৰ সময়তে শেহতীয়াভাৱে কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ নগাঁও চহৰকে ধৰি জিলাখনৰ বিভিন্ন স্থানত ভয়াৱহ ৰূপ লৈছে । কলং নৈয়ে জিলাখনৰ বিভিন্ন স্থানত এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। নগাঁও জলসম্পদ ■ ৮ পৃষ্ঠাত

## কুৰুৱাৰ খলিহৈত ৪ হাজাৰ বিঘা বৰো খেতি বানৰ কবলত

### দিশহাৰা কৃষক ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২০ মে' ঃ** বিগত এপষেক ধৰি হোৱা নেৰানেপেৰা বৰষুণ, একেদৰে ভূতৰ ওপৰত দানহৰ দৰে ননৈ আৰু বৰনদীৰ ওফন্দি অহা ধলে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুঁৱৰীগাঁও (গণেশপুৰ), গংগাজানী, কলিতাপাৰা, ২নং শুক্তাগুৰি, একচেলিয়া আদি গাঁৱৰ কৃষকৰ বড়ো ধানৰ খেতিপথাৰ বিগত এসপ্তাহ ধৰি ■ ৮ পৃষ্ঠাত

### পশ্চিম দৰঙত সংহাৰী বানত দিশহাৰা গঞা

## দিনে-নিশাই সহায়ৰ বাবে বিধায়কে চলাইছে তৎপৰতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২০ মে' ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ কেইবাখনো গাঁৱত সংহাৰী বানে দিশহাৰা কৰি তুলিছে অঞ্চলটোৰ গঞা লোকসকলক। কালপানী আৰু দিমীলা নদীৰ প্ৰবল বানে পাথৰিঘাট ৰাজহ চক্ৰৰ অধীনস্থ ২৬,৪৩৩গৰাকী লোক, ৩৮৮.৪০ হেক্টৰ কৃষিভূমি, ৯,৫০০টা পোহনীয়া জন্তুৰ ক্ষতিগ্ৰস্ত হোৱা বুলি কালিৰ দিনটোলৈ প্ৰকাশ। পদ্মঝাৰ, ভেৰুৱা, সাৰেং আদি ঠাইৰ লগতে পশ্চিম দৰং অঞ্চলটোৰ চকৰমুখ, নাওদিঙা, দুৰদুৰীয়া আদি ঠাইসমূহতো প্ৰলয়ংকৰী বানত গঞা ■ ৮ পৃষ্ঠাত



বান-বৰষুণৰ মাজতো মুগা শিল্পৰ সম্ভাৱনা প্ৰকট কৰি ৰাখিছে চকুৱাখনাৰ কৃষকে

### অৰুণাচলৰ নেচিফুত সুৰংগ পথ ঃ অন্তিমটো বিস্ফোৰণেৰে সুৰংগ মুকলি ঃ ছেপ্টেম্বৰত সমৰ্পিত হ'ব ৰাইজৰ বাবে

## ৫,৭০০ ফুট উচ্চতাত ৫০০ মিটাৰ দৈৰ্ঘ্যৰ সুৰংগ পথে ভাৰতীয় সেনাক দিব সুচল যাতায়াত



তেজপুৰ ২০ মে'ঃ চিৰবৈৰী চীনৰ আগ্ৰাসন-ভাবুকি প্ৰতিহত কৰিবলৈ ভাৰত চৰকাৰে সীমান্তৱৰ্তী অঞ্চলৰ আন্তঃগাঁঠনি আৰু বাটপথৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিছে। চীন-ভাৰত সীমান্তৰ অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাত নিৰ্মীয়মান অৱস্থাত থকা নেচিফু সুৰংগ পথটো আজি অন্তিমটো বিস্ফোৰণৰ দ্বাৰা মুকলি কৰা হয়। অৱশ্যে সুৰংগ পথটোৰ সম্পূৰ্ণ কাম ২০২২ ৰ ছেপ্টেম্বৰ মাহৰ ভিতৰত সমাপ্ত হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, বৰ্ডাৰ ৰোডছ অৰ্গেনাইজেচনৰ সঞ্চালক প্ৰধান লেঃ জেনেৰেল ৰাজীৱ চৌধুৰীয়ে আজি ভাৰ্চুৱেল যোগে অংশগ্ৰহণ কৰা অনুষ্ঠানত ৰিমৰ্টৰ বুটাম টিপি প্ৰজেক্ট ভৰ্ত্তকৰ মুখ্য অভিযন্তা ব্ৰিগেডিয়েৰ হৰিষ কুমাৰে শেষৰ টো বিস্ফোৰণ ঘটাই বৰ্ডাৰ ৰোডছৰ বিষয়া কৰ্মচাৰীক সুৰংগৰ কাম খৰতকীয়া কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰকাশ যে, সাগৰ পৃষ্ঠৰ পৰা ৫,৭০০ ফুট উচ্চতাত নিৰ্মাণ কৰি থকা সুৰংগটো ৫০০ মিটাৰ দৈৰ্ঘৰ। সুৰংগটোৰ কাম সম্পূৰ্ণ হ'লে ■ ৮ পৃষ্ঠাত




দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২১ মে’ ■ ২০২২ ■ ৬ জেঠ ■ গুৱাহাটী

# বিকাশ আৰু চাহৰ উৎপাদনলৈ সংকট

কৰ’না মহামাৰীৰ আতংক আৰু ৰুছিয়া-ইউক্ৰেইনৰ যুদ্ধত সমগ্ৰ বিশ্বৰ অৰ্থনীতিৰ যি কঁকাল ভাঙি পেলাইছিল তাৰ পৰা বিশ্ববাসীৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখনলৈ নতুন প্ৰত্যাহ্বান নমাই আনিছে। বিশেষকৈ খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ বজাৰখনত সম্প্ৰতি নানা আহুকালৰ সৃষ্টি হৈছে। লগে লগে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰো দাম বাঢ়িবলৈ আৰম্ভ হৈছে। ই এক গতানুগতিক বিষয়। চৰকাৰে হিতাধিকাৰীমূলক আঁচনিৰ অধীনত নগদ ধন আদায় দিয়াৰ দৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। বিনামূলীয়া আটা-চাউলেৰে জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান উন্নত নহয়। দেশৰ উন্নয়নৰ মূলসুঁতিৰ লগত সকলোকে চামিল কৰিবলৈ হ’লে সকলোৰে বাবে কৰ্মসংস্থাপন সুনিশ্চিত হ’ব লাগিব। উৎপাদন প্ৰক্ৰিয়াৰ সৈতে সকলো সংযুক্ত হ’ব লাগিব। আমাৰ দেশ প্ৰাকৃতিক সম্পদতো চহকী। ৭০ শতাংশ লোকৰ জীৱিকা প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৃষিৰ লগত জড়িত। কিন্তু সেই কৃষি খণ্ডৰ দ্ৰুত বিকাশৰ বাবে বিজ্ঞানসন্মত কৰ্মসূচী নাই, কৃষি খণ্ডৰ বৈপ্লৱিক উন্নয়নৰ ৰূপৰেখা নাই অথচ ক’ভিডসৃষ্ট আৰ্থিক অনগ্ৰসৰতাৰ সময়ত চৰকাৰে কৃষি খণ্ডৰ ওপৰতে অধিক যোৰ দিয়া উচিত আছিল। একেদৰেই ৰাজ্যখনতো চৰকাৰে এইক্ষেত্ৰত যিদৰে গুৰুত্ব দিব লাগিছিল তাক উৎপাদন প্ৰক্ৰিয়া সংযুক্ত হ’ব লাগিছিল। অথচ ক’ভিদসৃষ্ট আৰ্থিক অনগ্ৰসৰতাৰ এই সময়খিনিত চৰকাৰে কৃষি খণ্ডৰ ওপৰতে অধিক জোৰ দিয়াটো উচিত আছিল। যি সময়ত গ্ৰামাঞ্চলৰ শ্ৰমজীৱী লোকৰ মাজত কৰ্মসংস্থাপনৰ লক্ষণীয় অভাৱ ঘটিছে সেই সময়তে ৰাজ্যখনত উৎপাদনো হ্ৰাস পাইছে। অসমত কৃষিৰ লগতে চাহৰ উৎপাদনেও ৰাজ্যখনলৈ বিপৰ্যয় আনিছে। উল্লেখ্য যে বিগত তিনি-চাৰি মাহ ধৰি ৰাজ্যখনত হোৱা অত্যধিক বৃষ্টিপাতৰ ফলত অভাৱনীয়ভাৱে হ্ৰাস পাইছে চাহৰ উৎপাদন। মাৰ্চ, এপ্ৰিল, মে’ মাহত হোৱা বৃষ্টিপাতৰ স্বাভাৱিক পৰিমাণতকৈ এইবাৰ বৰষুণৰ পৰিমাণ বৃদ্ধি পাইছে। ইয়াৰ লগে লগে তাপমাত্ৰাও হ্ৰাস পাইছে। কাৰণ বৈজ্ঞানিক তথ্য মতে চাহৰ উৎপাদনত এক গুৰুত্বপূৰ্ণ আছে তাপমাত্ৰাৰ ভূমিকা। সেয়ে চাহৰ উৎপাদন স্বাভাৱিক হ’বলৈ হ’লে দিনৰ সময়ছোৱাত তাপমাত্ৰা ২০-৩০ ডিগ্ৰী চেলছিয়াছ হ’ব লাগে বুলি নৰ্থ-ইষ্ট টী এছ’চিয়েচন চমুকৈ নেটাৰ সভাপতি কমল জালানে মত প্ৰকাশ কৰে। একেদৰে নিশাৰ তাপমাত্ৰা হ’ব লাগে ২৭-২৮ ডিগ্ৰী ছেলচিয়াছ যদিও ধাৰাসাৰ বৰষুণৰ বাবে এই তাপমাত্ৰা যথেষ্ট হ্ৰাস পাইছে। ফলত নতুন পাত ওলোৱা অভাৱনীয়ভাৱে হ্ৰাস পাইছে। জলবায়ুৰ এই অভাৱনীয় পৰিৱৰ্তনৰ বাবে সংকটৰ সন্মুখীন হ’ব লগা হৈছে ৰাজ্যৰ চাহ উদ্যোগ। ক’ভিড মহামাৰীয়ে এই জুৰুলা কৰা চাহ উদ্যোগক প্ৰতিকূল বতৰে সেই আশাত চেঁচাপানী ঢালে। এইক্ষেত্ৰত চৰকাৰৰ কোনো বৈজ্ঞানিক চিন্তাধাৰাৰ অভাৱ আৰু বতৰৰ এনে অৱস্থাই জটিল সংকটৰ সৃষ্টি কৰিছে। আনকি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা ক্ষুদ্ৰ চাহ খেতিয়কসকলো বিমোৰত পৰিছে। ৰাজ্যখনত থকা সৰু-বৰ চাহ বাগিচাত কমেও এক-দুই লাখ চাহ খেতিয়ক আছে, তেওঁলোকৰ উৎপাদনো চাহ খেতিয়কৰ ভূমিকা অধিক হাৰত বৃদ্ধি পায়। এইসকল খেতিয়কৰ মূল্য আগতকৈ বৰং কিছু পৰিমাণে কমিছে বুলিহে প্ৰকাশ। যাৰ কাৰণে ক্ষুদ্ৰ খেতিয়কসকলে লোকচান ভৰিবলগীয়া হৈছে। এইক্ষেত্ৰত কয়লাৰ নাটনি উল্লেখযোগ্যভাৱে জুৰুলা কৰাটো স্বাভাৱিক। শেহতীয়াভাৱে চৰকাৰে গেছৰ মূল্যবৃদ্ধি ঘটাইছে শতকৰা এশ শতাংশ। তদুপৰি ইউৰিয়া, এম অ’ পি আদি সাৰৰ নাটনি আদি ক’লা বজাৰৰ উপৰি কীটনাশক তথা অন্যান্য ঔষধ আদিৰ ভয়াৱহ মূল্যবৃদ্ধিয়ে চাহ খেতিৰ ওপৰত ইতিমধ্যে মাধমাৰ শোধাইছে। ইয়াৰ লগে লগে প্ৰতিকূল বতৰ, ৰুছিয়া-ইউক্ৰেইনৰ যুদ্ধ আৰু অন্যান্য কাৰণত চাহৰ ৰপ্তানিও হ্ৰাস পাইছে। সেয়েহে চাহ উদ্যোগক ৰক্ষাৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। অন্যথা বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনে খোজ পেলোৱাটোত জটিল ৰূপ ধাৰণ কৰাটোৱেই স্বাভাৱিক।

## জগত ভূএগাৰ সজল সোঁৱৰণত

যোৱা ১০ মে’ৰ দিনৰ প্ৰায় ১২ বাজি ৩০ মিনিটত দেহাৱসান ঘটিল জামুগুৰিহাটৰ মাধৱ গাঁৱৰ সুযোগ্য সন্তান, অনাতাঁৰ স্বীকৃত নাট্যকাৰ, ভালেসংখ্যক মাত্ৰাবিশিষ্ট, ৰসোত্তীৰ্ণ গল্পৰ স্ৰষ্টা জগত ভূঞাৰ। কৰ্মসূত্ৰে এগৰাকী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক জগত ভূঞাদেৱে কৰ্মজীৱনৰ লগতে বেছি ভাগ সময় নাটক, গল্প, সাহিত্য চৰ্চা এইবোৰৰ মাজতে নিজকে ব্যস্ত কৰি ৰাখিছিল। জামুগুৰিহাটৰ ঐতিহাসিক সৌভাগ্য মাধৱ গাঁৱৰ এটি সাধাৰণ কৃষক পৰিয়ালত ১৯৪৩ চনত জন্মলাভ কৰা এইগৰাকী নাট্যশিল্পীয়ে পঢ়ি থকা সময়ৰ পৰাই নাটক লিখা আৰম্ভ কৰিছিল। পৰৱৰ্তী কালত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা স্বীকৃতি লাভ কৰা নাট্যকাৰ জগত ভূঞাৰ বেটোকোলা, কালবিভ্ৰাট, ৰসেশ্বৰৰ আতিথ্য আদি বহুসংখ্যক পূৰ্ণাংগ আৰু একাংক নাট গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ পৰা প্ৰচাৰিত হৈছিল। তদুপৰি কেইবাখনো একাংক নাটক জামুগুৰিহাটৰ সৌভাগ্য মাধৱ ৰূপজ্যোতি শিল্পী সমাজৰ শিল্পীসকলে অসমৰ বিভিন্ন একাংক নাট প্ৰতিযোগিতা, নাট সমাৰোহ আদিত প্ৰদৰ্শন কৰি ভালেসংখ্যক বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ভূঞাদেৱৰ কেইখনমান উল্লেখযোগ্য একাংকিকা নাটক হৈছে- নিদান, সন্ধান, চক্ৰবেহ, শীতলা নীৰৱে জ্বলে, যন্ত্ৰণা, জপনা, বৰ্ব্বৰা টী-ষ্টল, প্ৰতিচ্ছবি, মৌনতাৰ অন্তৰালত, অনুতপ্ত, আৰ্তনাদ ইত্যাদি সমাজৰ বিভিন্ন সৰু-বৰ সমস্যা তথা কেঁকোৰাসমূহক অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি জগত ভূঞাদেৱে এনে সমাজ দৰ্পণৰ ৰূপত তেওঁৰ নাট্য সৃষ্টিৰ মাজেৰে তুলি ধৰি দৰ্শকক বিমল হাস্যৰস যোগান ধৰাই নহয়, নাটকৰ মাজেৰে সমাজখনলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হৈছিল। অতি সাধাৰণ, ঘৰুৱা তথা কথিত শব্দ তথা বাক্যৰ প্ৰয়োগেৰে সৃষ্টি কৰা সংলাপৰ বাবে অনাটকীয়তাৰে হওক বা মঞ্চতে হওক, জগত ভূঞাৰ নাটসমূহ সৰ্বসাধাৰণৰ সহজ বোধগম্য হৈছিল। যাৰ বাবে নাটকসমূহে বহুল জনপ্ৰিয়তা অৰ্জন কৰিছিল। প্ৰয়াত জগত ভূঞাদেৱৰ নাট্যসৃষ্টিৰ সমান্তৰালকৈ বহ বসাল গল্প সৃষ্টিৰেও অসমৰ সাহিত্য ক্ষেত্ৰত নিজ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। অসমৰ বিভিন্ন কাকত-আলোচনীত ৯০ দশকৰ পৰাই গল্প ৰচনাৰে পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা জগত ভূঞাই পৰৱৰ্তী সময়ত অসমৰ প্ৰতিষ্ঠিত সাপ্তাহিক কাকত ‘সাদিন’ৰ পাতত প্ৰায় চাৰি-পাঁচ বছৰ ধৰি নিয়মীয়াকৈ গল্প লিখা আৰম্ভ কৰে। তেওঁৰ কেইটামান জনপ্ৰিয় গল্প হৈছে— যেই দাও খিট, যেই দাও খিট, নিৰ্বাচন, ৰাইজৰ পদূলিত, শীতৰ এসাজ, চিকাৰী বকবা, সনাতন আদি। নাট্যসৃষ্টিৰ দৰেই তেওঁৰ গল্পবাজিয়ে প্ৰধান বিশেষত্ব আছিল হাস্যৰস আৰু হাস্যৰসাত্মকভাৱে সমাজৰ কিছুমান বিষয় চিত্ৰায়ন। আমাৰ গাঁৱলীয়া সমাজ জীৱনত সততে ঘটি থকা কিছুমান সৰু-সুৰা ঘটনা, চৰিত্ৰ আদিক পটভূমি হিচাপে লৈ অতি হাস্যৰসাত্মক ৰূপত তেখেতে গল্পসমূহ সৃষ্টি কৰিছিল। এক কথাত সাধাৰণ অসমীয়া গাঁৱলীয়া সমাজ এখনৰ এখন নিৰ্ভাঁজ ছবি বৰ সুন্দৰ ৰূপত গল্পসমূহৰ মাজেৰে তুলিব পাৰিছিল গল্পকাৰ জগত ভূঞাই। তেখেতৰ একমাত্ৰ প্ৰকাশিত গল্প আৰু নাট সংকলনখন হৈছে— ‘মোৰ বং মোৰ চং’। তদুপৰি জগত ভূঞা আছিল এগৰাকী সুদক্ষ অভিনেতা। গাঁৱৰ ভাওনাত তেখেতে দিয়া ‘শকুনি’, অসুৰ আদিৰ অভিনয় আজিও মানুহৰ মানসপটত জিলিকি আছে। উল্লেখ্য যে জগত ভূঞাৰ জ্যেষ্ঠ ভাতৃ প্ৰয়াত গুণ ভূঞাও এগৰাকী প্ৰতিষ্ঠিত নাট্যকাৰ। তেখেতেও অসমৰ নাট্যক্ষেত্ৰলৈ ভালেসংখ্যক উচ্চ মানবিশিষ্ট নাটকৰ সৃষ্টিৰে উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। কিছু দুৰ্ভাগ্যজনকভাৱে অকালতে তেখেতে জীৱন নাট সামৰিব লগা হয়। জগত ভূঞাই ভাতৃৰ বিয়োগৰ পাছত ঘৰখনৰ সমস্ত দায়িত্ব পালন কৰিবলগীয়াত পৰে। চাকৰিৰ ব্যস্ততা, ঘৰুৱা দায়িত্ব আদিবোৰৰ মাজতে নাটক বলিয়া মানুহজনে যেতিয়াই, লগে লগে একে বহাতে নতুন নাটক এখন লিখি দি পঠিয়ায়। মৃত্যুৰ আগমুহূৰ্তলৈকে নাটক, গল্প এইবোৰৰ মাজতে নিজকে ব্যস্ত কৰি ৰাখিছিল গল্পকাৰ, নাট্যশিল্পী জগত ভূঞাই। শেহতীয়াকৈ কিছু বছৰৰ পৰা বোগাক্ৰান্ত হৈ পৰা ভূঞাদেৱে কিন্তু গল্প-নাটক আদিবোৰৰ চৰ্চা এৰি দিয়া নাছিল। শৰীৰে নিদিলেও মনৰ জোৰেৰে পঞ্জীৰ হতুৱাই বা ওচৰৰ কাৰোবাক মাতি আনি শ্ৰুতলিপি দি হ’লেও গল্প, নাটক আদি লিখি গৈছিল। নাটক, গল্প বুলি ক’লে তেখেতে যেন কেৱা এটা নতুন জীৱনহে বিচাৰি পাইছিল। এইগৰাকী প্ৰতিভাসম্পন্ন নাট্যশিল্পী তথা গল্পকাৰ জগত ভূঞাৰ আজি অন্যত্ৰাৰ পৱিত্ৰ দিনটোত তেখেতৰ সৃষ্টিৰাজিৰ সৌৰৱণেৰে তেখেতলৈ জনাইছো আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি। তেখেতৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক।

■ হিমাংশু ৰঞ্জন ভূঞা

# অস্পৃতা নিবাৰণীৰ এপাত অস্ত্ৰ শান্তি সতী ৰাধিকাৰ কৃতিত্ব আৰু শান্তিজান

■ গজেন ৰাজখোৱা

অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে ঐতিহ্যমণ্ডিত স্থানসমূহৰ ভিতৰত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হোৱা শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ পূৰ্বে ধনুভিৰিয়াকৈ বিস্তৃত হৈ থকা জানটিৰ নামে হ’ল শান্তিজান। গুৰু ভক্তি, কৃষ্ণ ভক্তি, স্বামী ভক্তিৰ আদৰ্শৰে আজি পাঁচশ বছৰৰ আগতেই জাতি-আন্তৰ্জাতিক সকলোকে সমাজ সংস্কাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অস্পৃশ্যতা নিবাৰণীৰ কাৰণে এপাত অস্ত্ৰ বাছি লৈছিল সতী ৰাধিকাক। অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সমাজ জীৱনত সতী ৰাধিকাৰ প্ৰভাৱ বিশেষ তাৎপৰ্যপূৰ্ণ। ‘ব্ৰাহ্মণ চাণ্ডাল নিবিচাৰি কুল। দাতাত চোৰত যেন দৃষ্টি একতুল’ এই আদৰ্শৰে অনুপ্ৰাণিত কৰি মহাপুৰুষীয়া ধৰ্ম গঢ়ি তোলাৰ কাৰণে এক শ্ৰেণী লোকৰ পদদলিতসকলক উচ্চ আসন দিবলৈ শ্ৰীমন্ত শংকৰদেৱে বাছি ল’লে অনুসূচিত জাতিৰ কৈৱৰ্ত সম্প্ৰদায়ৰ এগৰাকী মহিলা যাৰ নাম ৰাধিকা। দ্বাপৰ যুগত ৰাধিকা ৰেৱতী নামে বলোভদ্ৰৰ পত্নী আছিল। ৰূপে-গুণে অতুলনীয় ৰেৱতীয়ে নাচ-গানো গাইছিল আৰু কৰিছিল। এদিন বলোভদ্ৰ ঘৰত নথকাৰ সময়ত সুবুদধন নামে এজন বিদ্যাধৰৰ পৰা ৰেৱতীয়ে নৃত্য শিকি আছিল। বলোভদ্ৰ আহি ৰেৱতীয়ে নাচ-গান কৰি থকা দেখি লাজ আৰু ক্ৰোধত অগ্নিসম হৈ সুবুদধনক পৃথিৱীত মানৱ জন্ম লৈ নপুংসক হৈ বাস কৰিবলৈ আৰু ৰেৱতীক মানৱ জন্ম লৈ জনমে জনমে নিকাৰ ভুঞ্জিবলৈ দুয়োকে শাপ দিলে। হঠাৎ এনে নিদাৰুণ শাপ স্বামীৰ মুখত শুনি ৰেৱতীয়ে কান্দি কান্দি স্বামীৰ চৰণত পৰি কাতৰ প্ৰাৰ্থনা কৰি ক’লে— ‘হে স্বামী তুমিটো কোনো কথায়ে মোক নুসুধিলা? নাজানি-নুশুনি-নুবুজি তুমি আমাক কিয় এনে নিদাৰুণ শাপ দিলা? যি কৰিলা স্বামী, তুমি মাত্ৰ মোক এটা কথা কোৱা, মোৰ যাতে স্বামীৰ প্ৰতি ভক্তি জনমে জনমে সদাই থাকে আৰু মোৰ যেন সতীত্ব জীয়াই ৰাখিব পাৰো। পত্নীৰ কাতৰ প্ৰাৰ্থনাত বলোভদ্ৰ কিছু শান্ত হৈ ৰেৱতীক ক’লে— ‘কলিত তুমি নদীয়ালৰ ঘৰত জন্ম ল’বা, বিদ্যাধৰ সুবুদধন পূৰ্ণানন্দ নামে জন্ম ল’ব। তুমি তেওঁৰে ভাৰ্য্যা হৈ স্বামী সেৱাৰ মাজেৰে ধৰ্ম ৰক্ষা কৰিবা। তেতিয়া তোমাৰ সতীত্ব ৰক্ষা হ’ব।

তথাপিতো তোমাক হৰিবে নোৱাৰে<br>
নপুংসক সিতো হৈব।<br>
শান্তি হেন মানি শংকৰে তোমাক<br>
জান বান্ধিবাক নিব।। (অমূল্য ৰত্ন)

দ্বাপৰ যুগ পাৰ হ’ল। কলি যুগ আহি পালে। দেশত ধৰ্মৰ গ্লানি হ’ল। অধৰ্মই গা কৰি উঠিল। হৰিৰ প্ৰতি লোক বিমুখ হ’ল। তেতিয়া নিগম ভকতি পন্থ প্ৰচাৰ কৰিবৰ কাৰণে বৰদোৱাৰ আলিপুখুৰীত ১৩৭১ শকৰ (১৪৪৯ খ্ৰীঃ) আহিন মাহৰ শুক্লা দশমী তিথিত জীৱক জীৱ তৰণৰ উপায় দিবলৈ জন্মগ্ৰহণ কৰিলে আমাৰ পৰম গুৰু শ্ৰীমন্ত শংকৰদেৱে। মহাপুৰুষ গুৰুজনাৰ জন্মস্থান বৰদোৱা আলিপুখুৰীৰ দক্ষিণে নলচা গাঁও। নলচা গাঁৰৰ কিয়দংশ এতিয়াও কিংবদন্তিৰে কোৱাই কটা গাঁও। কোৱাই কটা গাঁৰৰ কিছু দক্ষিণে বিষ্ণুপুৰ সত্ৰ (কুঁজিসত্ৰ)। তাৰ ওচৰা-উচৰিকৈ গোসাঁই খন্দা, শিমলুগুৰি, বোৱালগুৰি, কটহগুৰি, কঁহুৱাতলী, দেওৰা, কঁহুৱাআটী, দেওৰা আদিৰে এটি বৃহৎ অঞ্চলৰ কেইবাখনো গাঁও কৈৱৰ্ত সম্প্ৰদায়ৰ আছিল। নলচা গাঁৰৰ কিছু আঁতৰত কৈৱৰ্ত সম্প্ৰদায়ৰ এটি দুখীয়া পৰিয়ালত ৰাধিকাৰ জন্ম হয়। পিতৃৰ নাম ধজ্জা আৰু মাতৃৰ নাম আছিল গোগমায়া। পিতৃ-মাতৃয়ে ৰাধিকাৰ নাম ৰাখিছিল সুমথিৰা। গাঁৱত সুমথিৰাৰ প্ৰচলিত নাম আছিল জয়ন্তী। লাহে লাহে জয়ন্তী ডাঙৰ হ’ল। কৈৱৰ্ত কুলত জন্মগ্ৰহণ কৰা জয়ন্তীৰ কৃষ্ণ ভক্তিৰ মাজেৰে বুজিব পাৰি যে জয়ন্তীৰ শৈশৱ কালছোৱাৰ পৰাই কৈৱৰ্ত ভাৱমূৰ্তিৰ মাজত ডাঙৰ-দীঘল হৈছিল। এদিন পূৰ্ণানন্দৰ লগত জয়ন্তীৰ বিয়া হ’ল। বিয়াৰ পাছত স্বামী পূৰ্ণানন্দই মৰমতে জয়ন্তীক তৰাৱতী আৰু ৰাধিকা বুলি মাতিছিল। মহাপুৰুষ গুৰুজনাৰ উপৰিপুৰুষ চণ্ডিবৰৰ দিনত কণৌজৰ পৰা বৰদোৱাৰ টেম্বুৱানী বান্ধৰ এটা চাপৰিত থাকিবলৈ লৈছিল। বৰদোৱা ভূমি খণ্ড বৰ ‘দ’ ঠাই আছিল যদিও তাতেই তেওঁলোক থাকি খোৱা পানী-দুনীৰ সুবিধা কৰি পুখুৰী খন্দাই আলি-পদুলি বন্ধাই ফুৰা-চকাৰ সুবিধা কৰি গাঁওখন পৰিপাটীকৈ সজাই-পৰাই লৈছিল কাৰণেই গাঁওখন আলিপুখুৰী বুলিছিল। এই বৰদোৱা আলিপুখুৰীৰ টেম্বুৱানী জানৰ লগত সংলগ্ন হৈ ব্ৰহ্মপুত্ৰৰ এটা সুঁতি বৈ আছিল বাবেই সেই টেম্বুৱানী জানেৰে বাৰিষা ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানী সঘনে সোমাই গোটেই অঞ্চলৰ বহুকেইখন গাঁৰৰ লগতে খেতি-বাতি বৰ অনিষ্ট কৰি থাকে। আৰু ৰাইজে বহু দিন কটাব লগা হয় এনেদৰেই। ফলত খেতিয়কসকলে জমিদাৰ ভূঞাসকলক খেতি-বাতিৰ বুজ দিব নোৱৰা হয়। তাকে ভাবি-চিন্তি এদিন গঞা ৰাইজে বৰভূঞা শংকৰদেৱৰ লগত আলোচনা কৰি গাঁৰৰ বাহিৰেও টেম্বুৱানী জানৰ মুখত বান্ধ এটা দি জানটো বন্ধ কৰিবলৈ সিদ্ধান্ত কৰি ৰাইজৰ মাজত গুণা-গঠাৰে আনন্দত আত্মহাৰা হৈ এটা দিনত জানৰ মুখত বান্ধ দিবলৈ দা-কুঠাৰ, কোৰ-পাচি লৈ ৰাইজ ওলাই আহিল। অনন্ত কন্দলি, ৰাম সৰস্বতী, সন্ধিসৰস্বৰী, বাগীশ ভট্টাচাৰ্য, কবিৰত্ন আদি অনেক পণ্ডিত বিপ্ৰসকল, কেঁচাই খা, বুঢ়াখা, শ্ৰীৰামখা আদি ভূঞাসকলৰ প্ৰমুখ্যে গাঁৰৰ সকলো ৰাইজ জানৰ মুখত গোট খালে। বৰভূঞা শংকৰদেৱো তাত গৈ উপস্থিত হ’ল। ৰাইজে হাতে-কামে জানৰ মুখ বন্ধা কামত উঠি-পৰি লাগিল। কিন্তু মাটি ভৰাইহে ভৰাই এপাচিও মাটি জানত ৰাখিব পৰা নাই। জানৰ তীব্ৰত সোঁতে উটুৱাই নিয়ে।

তীব্ৰতৰ স্ৰোত মাটি পেলাইলা উতাই।<br>
গোঁজ ধৰা সমস্তকে পেলাইলন্ত খহাই<br>
(অমূল্যৰত্ন)

দুদিন-তিনিদিনকৈ ৰাইজে বহু কষ্টৰে জানৰ বান্ধ ৰাখিব নোৱাৰিলে। ৰাইজ ভাগৰুৱা হৈ পৰা দেখি শংকৰদেৱে ৰাইজক হতাশ হ’বলৈ নিদি এগৰাকী শান্তি কন্যা বিচাৰিবলৈ দিলে। শান্তি হ’লেহে জানৰ মুখ বন্ধ কৰিব পৰা যাব আৰু যিগৰাকী কন্যাই এই বৰলুইতৰ পৰা একলহ পানী উঠাই আনিব পাৰিব তেওঁকেই শান্তি বুলি চিনিব পৰা যাব

এক পল ভৰি লৌহিতৰ আনি পানী।<br>
জানত ঢালিয়া দিলে শান্তি হেন মানি।<br>
অনন্তৰে মাটি বাকী জানৰ মাজে দিব।<br>
সৰ্বলোকে তাতে তেবে প্ৰমাণ দেখিব।

শংকৰদেৱৰ মুখত এই কথা শুনি ৰাইজে শান্তি বিচৰাত লাগিল। ইফালে শান্তি বিচৰা খবৰ পায় বিপ্ৰসকলৰ ভট্টাচাৰ্যসকলৰ প্ৰায়বোৰ তিৰুতাই তেওঁলোক একো-একোজনী শান্তি বুলি নিজেই চিকাৰ কৰি শান্তিৰ পৰীক্ষা দিবলৈ সাজো হ’ল।

আমি বিপ্ৰ ভট্টাচাৰ্য পণ্ডিতৰ গৃহিণী।<br>
আমি শান্তি নভৈলে হৈব কোন জনী।।

শান্তিসকল ওলোৱা জানি জানৰ মুখত ৰাইজ পুনৰ গোট খালে। বৰভূঞা তালৈ গৈ শান্তিৰ পৰীক্ষা কৰিবৰ কাৰণে উপস্থিত হ’ল। ঘোষণা কৰিলে যিগৰাকী তিৰোতাই বৰলুইতৰ পৰা এই তিনিটা কাঠিৰ পলটোৰে এপল’ পানী উঠাই আনি সমাজৰ মাজত দিব পাৰিব সেই গৰাকীকেই শান্তি বুলি চিনি পোৱা যাব। গুৰুজনাৰ শান্তি পৰীক্ষাৰ কথাটো জানি যিসকল তিৰোতাই নিজকে শান্তি বুলি বুকু ফিন্দাই ঘৰৰ পৰা ওলাই গৈছিল, পিছে সমাজৰ মাজত লাজত পৰাৰ ভয়ত কোনোবা জালৰ মুখৰ পৰা, কোনোবা আধা বাটৰ পৰা উলটি ঘৰা ঘৰি গ’ল। শান্তি কন্যা পোৱা নহ’ল। ইফালে সেই সময়তে দুজন মুনিহ-তিৰোতাই বৰলুইতেৰে নাৱৰে উজাই আহি থাকোতে টেম্বুৱানী জালৰ মুখত ডাঙৰ সমাজ এখন দেখি তিৰোতাজনীয়ে তেওঁৰ স্বামীক সেয়া কিহৰ ইমান মানুহ গোট খাইছে সুধিলে। মুনিহজনে বোলে সেইবোৰ আমাৰ দায়ে নাপায় ব’ল। শুনিছোহে সেই জানটোৰ মুখখন বন্ধ কৰিবলৈ বোলে শংকৰদেৱে শান্তি কন্যা বিচাৰিছে। তিৰোতাজনীয়ে বোলে কি কামবা কৰি দিব লাগে, আমি চাগৈ শান্তি হ’ব নোৱাৰিমনে? তিৰোতাৰ মুখত এনে বৰ কথা শুনি মুনিহজনে খঙতে ক’লে— ‘হেৰ মনে মনে থাক ইমান ডাঙৰ কথা তই কৈছ কোন সাহসেৰে, নীতি-নিয়ম নোহোৱা নীচ কুলিয়া বুলি সমাজে যাক ঘৃণা কৰে তেনে এজনী ধীবৰণীয়ে মিছায়ে নিজকে শান্তি বুলি বৰ কথা নক’বি হয়। কোনোবাই শুনি বৰভূঞাক কথাটো ক’বলৈ গ’লে মজাপালি উলিয়াব বাপেৰে।’ দুয়ো এনেকৈ বাদ-বিবাদ কৰি থাকোতে তেওঁলোকৰ কথাবোৰ পাৰৰ পৰা শুনি থকা এজন লোকে সকলো কথা বৰভূঞাৰ আগত কৈ দিলে। বৰভূঞাই লগে লগে সমাজৰ পৰা দুজন মানুহ পঠাই তেওঁলোকক মতাই অনালে। ভয়ে ভয়ে মুনিহ-তিৰোতা দুয়োজন আহি শংকৰদেৱৰ চৰণত সেৱা জনালেহি। তেওঁলোকৰ নাম কি, ক’ত থাকে বৰভূঞা শংকৰদেৱে সুধিলে। মুনিহজনে বোলে ‘প্ৰভু আমি কৈৱৰ্ত মানুহ। মোৰ নাম পূৰ্ণানন্দ। এওঁ মোৰেই তিৰোতা নাম ৰাধিকা। কি অপৰাধ কৰিলো প্ৰভু’। বৰভূঞাই ক’লে — অপৰাধ একো কৰা নাই তথাপি এটা কথা কওঁ শুনা। এই জানটোৰ মুখখন বন্ধ কৰিবলৈ এগৰাকী শান্তি কন্যা লাগে। শান্তি সতী এগৰাকীৰ সতীত্বৰ বলতহে পানীৰ সোঁত বন্ধ কৰিব পৰা যাব আৰু সোঁত বন্ধ হ’লেহে জানৰ মুখ বান্ধিব পৰা যাব। তোমাৰ পত্নীয়ে তেওঁ শান্তি বুলি তোমাক কোৱা কথাটো মই জানিছো কাৰণেই তোমালোকক মতাই অনাইছো। পিছে কোৱাচোন ৰাধিকা, তুমিনো কেনেকৈ শান্তি বুলি ভাবিলা? সেয়ে তুমি আমাক এটা পৰীক্ষা দিব লাগিব। ৰাধিকাই বৰভূঞা শংকৰদেৱৰ কথাত ভয়ে ভয়ে ক’লে— প্ৰভু ঈশ্বৰ। মই আসে নামাতো। আমিনো শান্তি হ’ব নোৱাৰোনে বুলি স্বামী গুৰুৰ আগত কোৱা কথাটো সঁচা। মোক ক্ষমা কৰি দিয়ক প্ৰভু। এনে এটা মহৎ কাম আমাৰ কি সাধ্য প্ৰভু। ইমানবোৰ উচ্চ কুলৰ পত্নীসকল থাকোতেনো আমাৰ নিচিনা নীচ কুলৰ এজনী অভাগীৰ কি ভাগ্য আছে প্ৰভু। ৰাধিকাক শংকৰদেৱে উৎসাহ দি ক’লে— ৰাধিকা জাতিৰ কোনো সৰু-বৰ নাই। মানুহ মাত্ৰেই সকলো মানুহৰহে জাত। মানুহৰ বৃত্তিৰহে পাৰ্থক্য আছে। উচ্চ-নীচ, সৰু-বৰ, ভাল-বেয়া বৃত্তিৰ দ্বাৰাহে হয়। তোমালোক বৈশ্যৰ গৰ্ভত ক্ষত্ৰিয়ৰ ঔৰসত জন্ম। সেয়ে তোমালোকক ধীবৰ বুলি কয়।

বৈশ্যায়াং ক্ষত্ৰিয়াং জাতঃ ধীবঃ বৈৱৰ্তসংজ্ঞাকঃ (ব্ৰহ্মবৈৱৰ্ত পুৰাণ)

কাৰ্যভেদে একোটা সংজ্ঞা মাত্ৰ। ক্ষত্ৰিয় বৈশ্যৰ সংযোগত উৎপন্ন জাতি এটা কেতিয়াও কোনো কাৰণতে নীচ জাতি হ’ব নোৱাৰে। চোৱাচোন ৰাধিকা দেৱপূজ্য ব্যাসদেৱ কৈৱৰ্তনী গৰ্ভত হৈছিল। পৰাশ মুনি চাণ্ডালনীৰ গৰ্ভত। গতিকে নিজকে হীন জাতি বুলি নাভাবি তুমি এতিয়া এই পল’টোৰে বৰলুইতৰ পৰা পানী এপল’ আনি তোমাৰ সতীত্বৰ পৰীক্ষা দিয়া, যোৱা। গুৰুজনাৰ কথাত ৰাধিকাই উৎসাহ পায় স্বামী দেৱতাক সেৱা এটি জনাই, গুৰু বাক্য যেন ৰক্ষা কৰা, মোৰ সতীত্ব যেন ৰক্ষা হয় এই কামনাৰে গুৰুজনাক সেৱা এটি কৰি গুৰুৰ আদেশ শিৰত লৈ, কৃষ্ণদেৱক স্মৰণ কৰি লাহে লাহে পল’টোৰে ব্ৰহ্মপুত্ৰৰ একাঁঠু পানীলৈ নামি পানী এপল’ উঠাই আনিলো। উপস্থিত ৰাইজে এটা ঐশ্বৰিক কাৰ্য দেখি আনন্দত সীমা নোহোৱা হ’ল। কিন্তু পল’ৰ চাকতকৈ চাৰি আঙুল পানী কম হৈ আহিল। তাকে দেখি গুৰুজনে চাৰি আঙুল পানী কিয় কম হৈ আহিল ৰাধিকাক সুধিলে। কিছু সময় নীৰৱে থাকি ৰাধিকাই ক’লে— ‘প্ৰভু এদিন দুপৰীয়া স্বামী গুৰু ঘৰত নথকা সময়ত মোৰ ভনী জোঁৱাইটো আহি পালে। ৰন্ধা-বঢ়া কৰি চালো ভাতমুঠি দিবলৈ ভিতৰত পাত এডোখৰো নাই। ভনী জোঁৱাইকে পাত এখন কাটি আনিবলৈ বুলি কাচি এখন দিওঁতেই মোৰ মূৰৰ ওৰণিখন খহি পৰিল। এনেতে ভনী জোঁৱায়ে মোৰ মুখখন দেখি পালে প্ৰভু। মোক ক্ষমা কৰি দিয়ক।

ৰান্ধিলো ভাত পাত কাটি দেওঁতা নাই।<br>
তাকে কাটিবাক কাচি দিলোহো পেলাই।।<br>
কাচি দেওঁতে জমাই মোৰ মুখক দেখিলা।<br>
সেহি পাপ গোট বাখ আমাৰ সিজিলা।।

সকলো কথা ৰাধিকাৰ পৰা শুনি গুৰুজনে সামান্য দোষ বুলি দোষৰ ক্ষমা কৰিলে আৰু পুনৰবাৰৰ বাবে পানী আনিবলৈ ৰাধিকাক হুকুম কৰিলে। গুৰুজনাৰ হুকুম মতে স্বামী আৰু গুৰুক সেৱা কৰি কৃষ্ণদেৱক চিন্তি আগৰবাৰৰ দৰে এইবাৰো পানী এপল’ আনি গুৰুজনাৰ ওচৰত ৰাখিলেহি। এইবাৰ পল’ৰ চাকতকৈ চাৰি আঙুল পানী বেছি হৈ বাগৰি আহিছিল। ৰাধিকাৰ সতীত্বৰ মহিমা দেখি সভাষদ সকলোৰে বিস্ময় মানিলে। প্ৰমাণিত হ’ল এগৰাকী সতী শান্তি নাৰীৰ। লগে লগে ধন্য ধন্য বুলি সতীৰ জয়ধ্বনিৰে চৌদিশ মুখৰিত হ’ল। গুৰুজনাই পানী পল’ ৰাধিকাক জানত ঢালি দিবলৈ ক’লে। ৰাধিকাই সেই মতেই কাম কৰিলে আৰু গুৰুজনাক সেৱা এটি জনালে। পানীৰ সোঁত লাহে লাহে বন্ধ হৈ সোঁতৰ গতি দক্ষিণ মুৱাকৈ ব’বলৈ ধৰিলে।

শুনিয়া ৰাধিকা জল আৰু মাটি দিলা<br>
পৰিল মাত্ৰকে পাছে জল বন্ধ ভৈলা।।<br>
তাৰ পাছে লোকে মাটি চাণ্ডি কৰি আনি।<br>
জানক ভৰাই মাটি দিলা খুন্দি টানি।।

ৰাইজে লগে লগে উঠিপৰি লাগি ধৰা-বন্ধাকৈ কাম শেষ কৰিলে। এনে এটা অলৌকিক কাৰ্য উপস্থিত লোকে দেখি আচৰিত হ’ল আৰু ‘জয় শান্তি সতীৰ জয়’ ধ্বনিৰে ৰজন-জনাই দিলে। গুৰুজনাই স্বতঃস্ফূৰ্তভাৱে ঘোষণা কৰিলে— জানটিৰ নাম শান্তিজান। মহাপুৰুষ গুৰুজনাৰ আজ্ঞা শিৰত লৈ ব্ৰহ্মপুত্ৰৰ পৰা পল’ত পানী আনি সতী ৰাধিকাই যি সতীত্বৰ মহিমাৰ পৰিচয় দি লুইতকো ওভতাই বোৱাই টেম্বুৱানী জানৰ মুখ বান্ধিলে সেই বান্ধেই শান্তিসতী নামে প্ৰসিদ্ধ জানটি আজিও বিৰাজমান। সতী ৰাধিকাৰ এই কাহিনী অলৌকিকেই হওক বা অদ্ভুতেই হওক কিম্বা ঐশ্বৰিক শক্তিয়েই হওক এইগৰাকী সতীৰ কাহিনীৰে কিন্তু অসমৰ সমাজত পৰিৱৰ্তনৰ বৰঙণি আগবঢ়াই গ’ল। তিনিটা কাঠিৰ পল’ত (সত, ৰজ, তম, তিনি গুণ) ব্ৰহ্মপুত্ৰৰ পৰা পানী আনিবলৈ দি সতীৰ পৰীক্ষা কৰা এটা কাহিনী কাৰোবাৰ কাৰণে এক ঐশ্বৰিক শক্তিৰ প্ৰদৰ্শন, কাৰোবাৰ কাৰণে ই এক অলৌকিকতা হ’লেও ধৰ্মীয় গ্ৰন্থসমূহৰ মাধ্যমতহে প্ৰকাশ পাইছে সতী ৰাধিকাৰ সতীত্ব। এইগৰাকী শান্তি সতীৰ স্মৃতি সংৰক্ষণ কৰি যশ-কীৰ্তি জীৱন্ত কৰি ৰাখিবলৈ শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিয়ে সেইসময়ৰ সাধাৰণ সম্পাদক কমল চন্দ্ৰ বৰাদেৱৰ প্ৰচেষ্টাত শান্তি জানৰ পাৰতে ১৯৬০ চনত বিনোৱাভাৱে অসমলৈ আহোতে তেখেতৰ দ্বাৰা শুভ আৰম্ভ কৰা হৈছিল এটি সতী ৰাধিকা স্মৃতি সৌধৰ। তেতিয়াৰে পৰা শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিয়ে এই ক্ষেত্ৰখনৰ স্মৃতি সৌধৰ কাম কৰি আহিছে যদিও ৰাইজৰ চকুত লগা হ’বলৈ মাথোঁ কেইটিমান দিন লাগিব। এই স্মৃতি ক্ষেত্ৰত প্ৰতি বছৰে শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিয়ে ব’হাগৰ পূৰ্ণিমা তিথিত সতী ৰাধিকা উৎসৱ পালন কৰি অহাৰ লগতে ভক্তসকলে ব্ৰহ্মাণ্ড ভেদি যোৱা হৰি নামৰ ধ্বনিৰে গোটেই অঞ্চলৰ আকাশ-বতাহ ঢৌৱাই থাকে।

কিয় তুমি উভতি বোৱা ঐ শান্তিযান<br>
কিয় তুমি উভতি বোৱা<br>
শান্তি সতী ৰাধিকাই শান্তিৰ বান্ধিলে<br>
সতীত্ব গুণেৰে চোৱা।।

এইগৰাকী মহীয়সী নাৰী সতী ৰাধিকা। যাৰ জীৱনে আজিও অতীত গৌৰৱ ৰক্ষাত মুগ্ধ কৰি ৰাখিছে। তেনে এগৰাকী অসমীয়াৰ জন-জীৱনৰ এক নমস্য নাৰী সতী ৰাধিকাই সামাজিক জীৱনত গভীৰ আধ্যাত্মিক চিন্তনেৰে দি যোৱা আদৰ্শ আজিৰ নাৰী সমাজখনক গতিশীল কৰি তুলিবলৈ আহ্বান জনাই থৈ গৈছে। আমি আশা কৰো সতী ৰাধিকাৰ আদৰ্শৰে প্ৰতিগৰাকী নাৰীয়ে নিৰ্মল হৃদয়ে সুস্থ সমাজ এখন গঢ়ি সমাজলৈ কঢ়িয়াই আনক দয়া, ক্ষমা, প্ৰেম-প্ৰীতি আৰু ভাতৃত্ববোধ।

*ফোন ঃ ৯৮৫৪৫-৫৬০৭০*

# ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি, ফখৰুদ্দিন আলী আহমেদ

■ সুশান্ত দাস

এগৰাকী বিচক্ষণ ৰাজনীতিবিদ, একাধাৰে এজন দক্ষ টেনিচ তথা গল্ফ খেলুৱৈ আৰু অক্লান্ত স্বাধীনতা সংগ্ৰামী, আদৰ্শৱান কংগ্ৰেছ নেতা, উদাৰ ৰাজনীতিজ্ঞ তথা মহান ব্যক্তিত্বৰ অধিকাৰী, ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি আছিল ফখৰুদ্দিন আলী আহমেদ। এইজনা মহান নেতাই ১৯০৫ চনৰ ১৩ মে’ তাৰিখে ভাৰতৰ ৰাজধানী দিল্লী মহানগৰীত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতাকৰ নাম আছিল কৰ্ণেল জালনুৰ আলী আহমেদ। এওঁলোকৰ পূৰ্বপুৰুষসকল আছিল অসমৰ গোলাঘাট মহকুমাৰ অন্তৰ্গত কছাৰীহাট নামৰ এখন সৰু গাঁৱত। জালনুৰ আলী আহমেদ আছিল ব্ৰিটিছৰ দিনত কৰ্ণেল খিতাপ লাভ কৰা প্ৰথম অসমীয়া লোক। ফখৰুদ্দিন আলী আহমেদৰ দহজন ককাই-ভাই আছিল। সেইসকলৰ ভিতৰত ফখৰুদ্দিনেই আছিল ডাঙৰ। উত্তৰ প্ৰদেশৰ গ’ণ্ডা জিলাৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত তেওঁ শিক্ষা জীৱন আৰম্ভ কৰিছিল। তেওঁ দিল্লী চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু দিল্লীৰ ছেইণ্ট ষ্টিফেনছ কলেজত (পঞ্জাব বিশ্ববিদ্যালয়ৰ অধীনত) কিছুদিন পঢ়াৰ পাছত ১৯২৩ চনত উচ্চ শিক্ষা তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বাবে সাজু হোৱাৰ হেতু ইংলেণ্ডলৈ গৈ কেম্ব্ৰিজৰ ছেইণ্ট কেথেৰিনছ কলেজত শিক্ষাগ্ৰহণ কৰে। কিন্তু শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত বহাৰ পৰা বঞ্চিত হয়। ইংলেণ্ডত থকা কালছোৱাতেই তেওঁ লৰ্ড বাটলাৰৰ দৰে বিদগ্ধ লোকৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়। ইংলেণ্ডতেই তেওঁ আইনৰ শিক্ষাও লাভ কৰে আৰু ভাৰতলৈ ঘূৰি আহি ১৯২৮ চনত লাহোৰ উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰে। ফখৰুদ্দিন আলী আহমেদৰ পিতৃ কৰ্ণেল জালনুৰ আলী আহমেদ ভাৰতীয় চিকিৎসা সেৱাৰ এগৰাকী উচ্চপদস্থ বিষয়া আছিল। কৰ্ণেল জালনুৰ আলী আহমেদৰ পৈতৃক ঘৰ আছিল অসমৰ গোলাঘাটৰ ওচৰৰ কছাৰীহাটত। কৰ্ণেল জালনুৰ আলী আহমেদক তেওঁৰ সহকৰ্মী কৰ্ণেল শিৱৰাম বৰাৰ স’তে সেই সময়ৰ অবিভক্ত অসমৰ শ্বিলং ক্লাবত আয়োজিত এটি অনুষ্ঠান বৰ্জন কৰাৰ অপৰাধত সুদূৰ উত্তৰ-পশ্চিম প্ৰভিঞ্চলৈ বদলি কৰা হয়। তাতেই তেওঁ দিল্লীস্থ লোহাৰীৰ নবাবৰ সংস্পৰ্শলৈ আহে আৰু কিছুদিন পাছত তেওঁৰ জীয়ৰীক বিয়া কৰায়। ১৯২৫ চনত ইংলেণ্ডত তেওঁ জৱাহৰলাল নেহৰুক লগ পায় আৰু তেওঁৰ ৰাজনৈতিক আদৰ্শই ফখৰুদ্দিন আলী আহমেদক বাৰুকৈয়ে প্ৰভাৱিত কৰে। ১৯৩০ চনৰ অসম ভ্ৰমণৰ সময়ছোৱাত তেওঁ অসমৰ কংগ্ৰেছী নেতাসকলৰ সংস্পৰ্শলৈ আহে আৰু ১৯৩১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদত যোগদান কৰে। ১৯৪০ চনৰ ১৪ ডিচেম্বৰত সত্যাগ্ৰহ পালন কৰাৰ অভিযোগত তেওঁক প্ৰায় এবছৰৰ বাবে কাৰাগাৰালৈ নিক্ষেপ কৰা হয়। ১৯৪২ চনৰ ৯ আগষ্টত কংগ্ৰেছৰ ঐতিহাসিক বোম্বাই অধিৱেশনত অংশগ্ৰহণ কৰি ঘূৰি অহাৰ ক্ষণতে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰা হয় আৰু প্ৰায় চাৰে তিনি বছৰৰ বাবে কাৰাগাৰলৈ প্ৰেৰণ কৰে। তেওঁ ১৯৩৬ চনৰ পৰা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্য আৰু ১৯৪৭ চনৰ পৰা ১৯৭৪ চনলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য আছিল। ১৯৩৫ চনত তেওঁ প্ৰথমবাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হয়। ১৯৩৮ চনৰ গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভাত তেওঁ বিত্ত, ৰাজহ আৰু শ্ৰমমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। মন্ত্ৰিত্বৰ কালছোৱাত তেওঁ Assam Agricultural Income Tax Bill আদিৰ দৰে এখন গুৰুত্বপূৰ্ণ আইন বিধানসভাৰ মজিয়াত উত্থাপন কৰে। স্বাধীন ভাৰতৰ কোনো এখন ৰাজ্যতে তেতিয়ালৈ এনে আইন প্ৰণয়ন হোৱা নাছিল। ইয়াৰ জৰিয়তে অসমৰ চাহ বাগানবোৰত প্ৰত্যক্ষভাৱে কৰ আৰোপ কৰাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। ব্ৰিটিছ মালিকানাধীন Assam Oil Company Ltdৰ শ্ৰমিক আন্দোলনৰ সময়তো তেওঁ ৰাজনৈতিক বিচক্ষণতা দেখুৱাবলৈ সক্ষম হৈছিল।

ভাৰতৰ স্বাধীনতাৰ পাছত তেওঁ ৰাজ্যসভালৈ (১৯৫২-১৯৫৩) নিৰ্বাচিত হয় আৰু পাছত অসম চৰকাৰৰ এড্‌ভোকেট জেনেৰেলৰ পদবী লাভ কৰে। তেওঁ কংগ্ৰেছ দলৰ পৰা নিৰ্বাচনত অংশগ্ৰহণ কৰি একে লেথাৰিয়ে দুবাৰকৈ (১৯৫৭-১৯৬২) আৰু (১৯৬২-১৯৬৭) অসম বিধানসভালৈ নিৰ্বাচিত হয়। ১৯৭৪ চনৰ ২০ আগষ্ট তাৰিখে তেওঁ ভাৰতৰ সৰ্বোচ্চ পদবী ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয়। তেওঁ ভাৰতবৰ্ষৰ দ্বিতীয়জন মুছলমান ৰাষ্ট্ৰপতি। জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত তেওঁৰ ভূমিকা সন্দৰ্ভত কিছু সমালোচনাৰ সন্মুখীন হোৱাৰ বাহিৰে তেওঁৰ কাৰ্যকাল আছিল সম্পূৰ্ণ নিকা আৰু দক্ষ।

১৯৬৭ আৰু ১৯৭১ চনত তেওঁ দুবাৰকৈ বৰপেটা সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হয়। কেবিনেটত তেওঁ খাদ্য আৰু কৃষি, শিক্ষা, ঔদ্যোগিক বিকাশ আৰু কোম্পানী আইনকে আদি কৰি বহুকেইটা দপ্তৰ তেওঁ লাভ কৰিছিল। নেহৰু পৰিয়ালৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত ফখৰুদ্দিন আলী আহমেদৰ ১৯৬৯ চনৰ কংগ্ৰেছৰ ঐতিহাসিক বিভাজনৰ পাছতো কংগ্ৰেছৰ স’তে নিকট সম্পৰ্ক অটুট থাকে। মুছলিম লীগৰ প্ৰবল সাম্প্ৰদায়িক প্ৰচাৰৰ সময়তো অবিচলিতভাৱে এনে এক ধৰ্মনিৰপেক্ষ দেশ তথা জাতিৰ আদৰ্শত বিশ্বাস স্থাপন কৰি জাতি-কুটুম্বৰ হাততো নানা লাঞ্ছনা আৰু নিগ্ৰহ ভোগ কৰিছিল ফখৰুদ্দিন আলী আহমেদ চাহাব আৰু তৈয়বুল্লাই। ফখৰুদ্দিন আলী আহমেদে ১৯৩২ চনত অসমলৈ দেউতাকৰ লগত আহি ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰে। দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, জনাব তৈয়বুল্লাহ আৰু বহুতৰ লগত দেশসেৱাৰ কামত জড়িত আছিল। আদৰ্শৱান কংগ্ৰেছ নেতা আৰু ধৰ্মনিৰপেক্ষ দেশসেৱক ফখৰুদ্দিন আলী আহমেদক ১৯৩৪-১৯৪২ চনৰ কালছোৱাত ব্ৰিটিছ চৰকাৰে তিনি বছৰ কাল জে’লত আটক কৰি ৰাখে। ভাৰত চৰকাৰৰ অধিনিয়ম ১৯৩৫ পটভূমিত উত্তৰ কামৰূপ সমষ্টিৰ পৰা সংগ্ৰামী কংগ্ৰেছ নেতা ফখৰুদ্দিন আলী আহমেদে ১৯৩৭ চনত প্ৰথমে অসম বিধানসভালৈ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হয় আৰু কংগ্ৰেছ সংসদীয় দলত যোগদান কৰে। ছাৰ ছাদুল্লাৰ নেতৃত্বাধীন মুছলীম লীগ মৰ্চা চৰকাৰৰ পতন হোৱাত গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছ দলৰ যুক্ত ফ্ৰণ্ট চৰকাৰ ১৯৩৯ চনৰ ১৯ ছেপ্টেম্বৰত গঠিত হয়। আহমেদ চাহাবক উক্ত মন্ত্ৰীসভাত গুৰুত্বপূৰ্ণ ৰাজহ আৰু বিত্ত বিভাগৰ কেবিনেট মন্ত্ৰী পাতে। এজন সুদক্ষ দেশসেৱক হিচাপে তেখেতে অসম কৃষি আয়কৰ আইন ১৯৩৯ বিধানসভাত উত্থাপন কৰি নানা বাধা নেওচি অনুমোদন লাভ কৰে। ৰাজ্যৰ আয় বৃদ্ধি কৰে। কংগ্ৰেছৰ আদৰ্শ আৰু স্বাধীনতা সংগ্ৰামত ব্যস্ত থকা সত্ত্বেও ১৯৪৫ চনৰ ৯ নৱেম্বৰত ফখৰুদ্দিন আলী আহমেদৰ নিকাহ মোবাৰক মোগল বাদশ্বাহী পৰম্পৰা সম্পন্ন আলীগড় নিৱাসী হায়দৰ জোচ চাহাবৰ অষ্টাদশবৰ্ষী কনিষ্ঠ কন্যা বেগম আবিদাৰ লগত সম্পন্ন হয়। তেখেত আছিল মৰমিয়াল স্বামী, অতিথিপৰায়ণ আৰু সুহৃদ মহান ব্যক্তি। ফখৰুদ্দিন আলী আহমেদে ১৯৪৬-৫২ সময়ছোৱাত অসমৰ এড্‌ভোকেট জেনেৰেল হিচাপে দায়িত্ব পালন কৰিছিল। ১৯৫৪-৫৭ কালত তেখেতে অসমৰ পৰা ৰাজ্যসভাৰ সদস্য পদত থাকি সন্মিলিত জাতিপুঞ্জৰ সাধাৰণ সন্মিলনত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। তেখেতে ১৯৫৭-৬২ আৰু ১৯৬২-৬৫ কালছোৱাত ক্ৰমে উত্তৰ কামৰূপ আৰু বৰপেটাৰ জনিয়া সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাপে জয়ী হৈ মন্ত্ৰীসভাত স্থান পাইছিল। সেই সময়ত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু বিমলাপ্ৰসাদ চলিহাই ফখৰুদ্দিন আলী আহমেদক এজন সুদক্ষ বুদ্ধিদাতা হিচাপে স্থান দিছিল। তেখেতে নামনি অসমৰ বৰপেটা মহকুমাৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণি সৰ্বজনবিদিত। ভাৰত বিভাজনৰ সময়ত আৰু দেশ স্বাধীন হোৱাৰ সন্ধিক্ষণত ফখৰুদ্দিন আলী আহমেদৰ ভূমিকা স্মৰণীয়। তেখেতে অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত ১৯৭৬ চনৰ ২ ফেব্ৰুৱাৰীত অসম সাহিত্য সভাৰ টিহু অধিৱেশন উদ্বোধন কৰে। ডাঃ ভূমিধৰ বৰ্মন, শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াৰ মন্ত্ৰীসভাৰ সদস্য হিচাপে অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ১৯৬৫ চনত পণ্ডিত জৱাহৰলাল নেহৰুৱে গুণীৰ গুণ বুজি ফখৰুদ্দিন আলী আহমেদ চাহাবক কেন্দ্ৰীয় মন্ত্ৰীসভাত কৃষিমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰে। ১৯৬৬ চনৰ পৰা ১৯৭৪ চনলৈ তেখেতে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত লাল বাহাদুৰ শাস্ত্ৰী আৰু ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰিত্বত বহু দায়িত্ব পালন কৰিছিল। শক্তি, শিক্ষা, জলসিঞ্চন, শিল্প, আভ্যন্তৰীণ বাণিজ্য, কৃষি আৰু কোম্পানী পৰিক্ৰমাৰ মন্ত্ৰী হিচাপে তেখেতৰ কৃতিত্ব জল্‌জল্ পট্‌পট্ হৈ আছে। ফখৰুদ্দিন আলী আহমেদ চাহাবে মন্ত্ৰীসভাত দায়িত্ব পালন কৰি থকা অৱস্থাত সত্যেন্দ্ৰ মোহন লাহিড়ী, হৰেশ্বৰ গোস্বামী, হলিৰাম বৰ্মন, দীননাথ মেধি, জগদীশ চন্দ্ৰ মেধি আৰু অন্যান্য আইনজীৱীসকলে ১৯৪৮ চনৰ ৫ এপ্ৰিলত হাইক’ৰ্ট বাৰ এছ’চিয়েশ্বন গঠন কৰা হৈছিল। তাৰে ছজনীয়া প্ৰতিষ্ঠাপক সদস্য আছিল, সভাপতি আছিল ফখৰুদ্দিন আলী আহমেদ চাহাব। ১৯৭৭ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখে দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ এক ব্যস্ত ভ্ৰমণসূচী সামৰি অহাৰ পাছতেই হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয়। ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতে মৃত্যু হোৱা তেওঁ ভাৰতৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ। সেই মহান ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি ফখৰুদ্দিন আলী আহমেদদেৱৰ মৃত্যু তিথিত তেওঁক সুৱৰিছোঁ। তেখেতৰ আদৰ্শই আমাক সদায়ে অনুপ্ৰাণিত কৰিব।

## চৰকাৰী বিদ্যালয়ৰ বিপৰ্যয়

অসম চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা দেখা যায়। জানিব পৰা মতে দহ বছৰৰ পিছত অসমৰ চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰাৰ কথা কৈছে চৰকাৰে। চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপনৰ যুক্তিযুক্ততা কিমান সেয়া সহজেই অনুমেয়। বৰ্তমান সময়ত গ্ৰাম্য অঞ্চলৰ প্ৰায় ৮০ৰ পৰা ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰে। আৰ্থিক দীনতাই ইয়াৰ একমাত্ৰ কাৰণ। যাৰ বাবে চৰকাৰী বিদ্যালয়সমূহেই এওঁলোকৰ বাবে একমাত্ৰ ভৰসা। যেনেতেনে দুবেলা দুমুঠি যোগাৰ কৰি খোৱা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ একাংশ অভিভাৱকে চৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাই স্বস্তিৰ নিশ্বাস এৰে। চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰাৰ কাৰণবোৰ ফঁহিয়াই চালে দেখা যায় যে চৰকাৰী বিদ্যালয়ৰ তুলনাত বেচৰকাৰী বিদ্যালয়সমূহ যথেষ্ট উন্নত। বিদ্যায়তনিক - অবিদ্যায়তনিক সকলেবোৰ দিশতে চৰকাৰী বিদ্যালয়ৰ তুলনাত বেচৰকাৰী বিদ্যালয়সমূহে অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। তাৰ বিপৰীতে চৰকাৰী বিদ্যালয়সমূহত অন্য দিশবোৰৰ তুলনাত পাঠ্যপুথিৰ জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। অৱশ্যে বৰ্তমান সময়ত পাঠ্যপুথিৰ লগতে বাহ্যিক দিশবোৰতো গুৰুত্ব আৰোপ কৰিছে যদিও সেয়া চালুকীয়া অৱস্থাতে আছে। যাৰ বাবে একাংশ অভিভাৱকে তেওঁলোকৰ সন্তানসকলক বেচৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ দিছে। চৰকাৰী বিদ্যালয়ত শিক্ষক হিচাপে কৰ্মৰত একাংশ অভিভাৱকে তেওঁলোকৰ সন্তানক বেচৰকাৰী বিদ্যালয়ত পঢ়ুওৱা কথাটোৱে চৰকাৰী বিদ্যালয়সমূহৰ পুতৌ লগা অৱস্থাটোৰ কথাই সূচায় যেন অনুভৱ হয়। আচল কথাটো হ’ল চৰকাৰে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বিপৰীতে চৰকাৰী বিদ্যালয়সমূহৰ আসোঁৱাহবোৰ দূৰ কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আছে। যি কৰিলে বেচৰকাৰী বিদ্যালয়সমূহৰ সমতুল্য হোৱাৰ লগতে চৰকাৰী বিদ্যালয়সমূহৰ প্ৰতি আকৃষ্ট হ’ব ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল।

■ বিজিত দাস

*ফোন ঃ ৮৮২২৫-৫৯৮১১*

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২১ মে', ২০২২ ■ শনিবাৰ ■ গুৱাহাটী ■ ৬ জেঠ, ১৯৪৪ শক


## ছয়গাঁৱৰ উকিয়ামত জনজাতি বেষ্টনী এলেকাত নদীবান্ধ নিৰ্মাণৰ বিৰুদ্ধে ট্ৰাইবেল সংঘ

# জনজাতিৰ ভূমি আনক বিক্ৰী কৰা নহ'ব ঃ বিপুল ৰাভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২০ মে' ঃ** ট্ৰাইবেল সংঘ অসমৰ অন্যতম জিলা সমিতি দক্ষিণ কামৰূপ জিলাৰ অন্তৰ্গত উকিয়ামত অনুষ্ঠিত হয় ৰাজহুৱা সভা। উল্লেখ্য যে উকিয়াম অঞ্চলৰ গাৰো মহিলা সমিতিৰ উদ্যোগত উকিয়ামস্থিত সমূহীয়া সভা ভৱনত আজি অঞ্চলটোৰ কেবাটাও গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধান বিচাৰি আয়োজন কৰা হয় বিশাল ৰাজহুৱা সভা। দক্ষিণ কামৰূপ জিলা ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক দুৰ্গেশ্বৰ বড়োৱে জনোৱা মতে গাৰো ছাত্ৰ সন্থাৰ বিষয়ববীয়া উৎপল মাৰাকে আঁত ধৰা সভাখনত পৌৰোহিত্য কৰে অঞ্চলটোৰ সমাজ সচেতন ব্যক্তি ৰজনী বড়োৱে। সভাত উকিয়াম অঞ্চলৰ জনজাতি বেষ্টনী এলেকাৰ ভূমি জধে-মধে বিক্ৰী কৰা বন্ধ কৰাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে সভাত উপস্থিত থাকি ট্ৰাইবেল সংঘ অসমৰ সাংগঠনিক সম্পাদক বিপুল ৰাভাই ভাষণ প্ৰসংগত কয় যে জনজাতি লোকসকলৰ সুৰক্ষা আৰু বিকাশৰ স্বাৰ্থত সদায় কাম কৰি যাব আৰু জনজাতিৰ অধিকাৰ খৰ্ব হোৱা কোনো কাৰ্য সমৰ্থন কৰা নহ'ব। জনজাতি লোকসকলৰ ক্ষতিকাৰক কাৰ্য সহ্য কৰা নহ'ব বুলি ব্যক্ত কৰি জনজাতিৰ ভূমি আনক বিক্ৰী কৰা নহ'ব বুলি সাৱধানবাণী শুনায় আৰু জনজাতীয় লোকসকলক জাতীয় অস্তিত্ব ৰক্ষা কৰি পৰম্পৰা মানি চলিবলৈ অনুৰোধ জনায়। আনহাতে সভাত উপস্থিত থাকি মেঘালয়ৰ প্ৰাক্তন বিধায়ক পি কে পাংগিনিয়ে উকিয়াম নদীত বৃহৎ নদীবান্ধ নিৰ্মাণ হ'লে অঞ্চলটোত হ'ব পৰা ক্ষয়-ক্ষতিৰ বিষয়ে বিতংকৈ তথ্য সহকাৰে দাঙি ধৰাত সভাৰ সৰ্বসন্মত সিদ্ধান্ত অনুসৰি উকিয়ামত বৃহৎ নদীবান্ধ হ'বলৈ দিয়া নহ'ব আৰু চৰকাৰে এই বান্ধ নিৰ্মাণ কৰিলে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰে। সভাত উপস্থিত থাকে দক্ষিণ কামৰূপ জিলা ট্ৰাইবেল সংঘৰ উপদেষ্টা ভাৰত চন্দ্ৰ বড়ো; সংঘৰ যুৱ লীগৰ সম্পাদক জীৱন ৰাভা, বনগাঁও আঞ্চলিক সমিতিৰ সভাপতি ছিৰাজ ৰাভা আৰু সম্পাদক মনোজ ৰাভা, ছয়গাঁও মৌজা সমিতিৰ সভাপতি ননীপ্ৰসাদ কাকতি বড়ো আৰু সম্পাদক নৰৰাম ৰাভাকে ধৰি বহুকেইজন সংঘৰ বিষয়ববীয়া। সভাত জনজাতি লোকসকলৰ সামগ্ৰিক বিকাশৰ ওপৰত আলোকপাত কৰা হয়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কমিউনিটী ৰেডিঅ' জ্ঞানমালিনীৰ সহযোগত অনাতাঁৰ মৰম পৰিয়ালৰ অনলাইন ৰচনা প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২০ মে' ঃ** ২০১০ চনত মাজুলীৰ মুদৈবিলত গঠন হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ'প্ৰেমী শ্ৰোতাৰ মঞ্চ অনাতাঁৰ মৰম পৰিয়ালে পৰিয়ালটোৰ প্ৰতিষ্ঠা কালৰ জ্যেষ্ঠ উপদেষ্টা জোনাই বেৰা চাপৰিৰ স্বৰ্গীয় সোণাৰাম বৰদলৈৰ সোঁৱৰণত অসম ভিত্তিত আয়োজন কৰা অনলাইন ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণী সভাখনি বৃহস্পতিবাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কমিউনিটী ৰেডিঅ' জ্ঞানমালিনীৰ সহযোগত জ্ঞানমালিনীৰ ষ্টুডিঅ'ত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। অনুষ্ঠানটিত উপস্থিত থাকে জ্ঞানমালিনীৰ সঞ্চালক ডঃ নিৰোদ বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক ক্ৰমে ডঃ বিনোদ বড়া আৰু ডঃ পৰমানন্দ সোণোৱাল, জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী ক্ৰমে ডঃ জিতুৰঞ্জন চেতিয়া, ডঃ কৌস্তুভমণি নাথ আৰু স্বপ্নালী ভূঞা। অনুষ্ঠানটিত অনাতাঁৰ মৰম পৰিয়ালৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ক্ৰমে ভূপেন গগৈ আৰু ৰূপজ্যোতি দুৱৰাক। ডঃ কৌস্তুভমণি নাথ আৰু মাজুলী শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত পৰিয়ালটিৰ বহুকেইজন জ্যেষ্ঠ উপদেষ্টা, সভাপতি-সম্পাদককে ধৰি সকলো বিষয়ববীয়া উপস্থিত থাকে। ফলাফল অনুসৰি – ক শাখাত – প্ৰথম স্থান লাভ কৰিছিল – মৰাণ জুনিয়ৰ কলেজৰ ছাত্ৰী অৰ্ণৱী গগৈ, দ্বিতীয় স্থান লাভ কৰিছিল – পূব কামৰূপ মহাবিদ্যালয় ছাত্ৰ পৰাগজ্যোতি ডেকা আৰু বিচাৰকৰ উদগনিমূলক বঁটা লাভ কৰিছিল – গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ অবিনাশ বৰাই। খ শাখাত – প্ৰথম স্থান লাভ কৰিছিল লখিমপুৰ খেলমাটিৰ ধৰিত্ৰী বৰুৱাই, দ্বিতীয় স্থান লাভ কৰিছিল গোলাঘাট মলীয়া গাঁৱৰ দেৱব্ৰত শইকীয়া আৰু বিচাৰকৰ উদগনিমূলক বঁটা লাভ কৰিছিল গোলাঘাট শাওঁতলীৰ টুটুমণি নাথে। প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক ৰেডিঅ', মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়।

# বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী আলিমুদ্দিন আহমেদৰ দেহাৱসান

## চামতাত শোক, বিভিন্ন দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ মে' ঃ** পশ্চিম নলবাৰীৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সমন্বয়ৰ বাৰ্তাবাহক আলিমুদ্দিন আহমেদৰ আজি পুৱা ১১.৩০ বজাত বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হয়। আহমেদৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে চামতা কচুৱাপাৰাৰ নিজা বাসগৃহত অগণন গুণমুগ্ধ তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৮৬ বছৰ বয়সত মৃত্যুক আঁকোৱালি লোৱা আহমেদে বিভিন্ন শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে হিন্দু-মুছলমান উভয় ধৰ্মৰে ধৰ্মীয় অনুষ্ঠানৰ লগতো জড়িত আছিল। ১৯৩৫ চনত চামতা কচুৱাপাৰাত জন্মলাভ কৰা আহমেদৰ পিতৃ আছিল প্ৰয়াত আমীৰ আলী পণ্ডিত। আমীৰ আলী এজন শিক্ষা সংগঠক হোৱাৰ উপৰি ব্ৰিটিছ জুৰী বোৰ্ডৰ সদস্য আছিল। আলিমুদ্দিন আহমেদে ১৯৫২ চনত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হয়। ১৯৫৪ চনত নলবাৰী কলেজৰ পৰা আই এ পাছ কৰে। ১৯৫৬ চনত তেতিয়াৰ ককয়া উচ্চ মাধ্যমিক বিদ্যালয়ত যোগদান কৰে। ১৯৫৭ চনত ৰে'ল বিভাগৰ চাকৰিত যোগদান কৰে আৰু তেতিয়াই নিশাৰ ভাগত বি বৰুৱা কলেজত অধ্যয়ন কৰি তাৰ পৰা বি এ পাছ কৰে। পৰৱৰ্তী সময়ত ধৰ্মপুৰ শিক্ষা বিস্তাৰ সমিতিৰ আহ্বান মৰ্মে, অৰ্থাৎ পিতৃৰ আহ্বান মৰ্মে ৰে'ল বিভাগৰ লোভনীয় পদ এৰি পুনৰ শিক্ষা বিভাগলৈ গুচি আহি চামতা ছোৱালী হাইস্কুলত ১৯৬২ চনত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। ১৯৮৩ সহঃ প্ৰধান শিক্ষকলৈ পদোন্নতি হয়। ১৯৯২ চনৰ ৩১ ডিচেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। আহমেদ জীৱিত কালত কামৰূপ কলেজ, চামতা ছোৱালী হাইস্কুল, এফ আলী হাই মাদ্ৰাছা, পশ্চিম নলবাৰী কেন্দ্ৰীয় মছজিদ, পশ্চিম নলবাৰী যুৱ সমাজ, চামতা ঈদগাহ, কবৰস্থান, মহেপাৰা কীৰ্তনঘৰ, প্ৰাচীন ধৰ্মপুৰ গো-পূজা, পশ্চিম নলবাৰী চিৰাতুন্নবী প্ৰচাৰ সমিতি, সমন্বয় পুথিভঁৰাল, ৬২৬ বালিকা প্ৰাথমিক বিদ্যালয়, কাশীনাথ বিদ্যামন্দিৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত আহমেদে ৪ পুত্ৰ-বোৱাৰী আৰু ৩ কন্যা-জোঁৱাই সহ নাতি-নাতিনীই হ সংসাৰত এৰি থৈ যায়। সন্ধিয়াৰ ভাগত স্থানীয় ৰাজহুৱা কবৰস্থানত আহমেদৰ জানাজা সম্পন্ন হয়।

Affordable Health Mission | GNRC Quality•Value•Trust
স্বাস্থ্য-বাৰ্তা
বৰপেটাৰোডত জিএনআৰচিৰ অ'পিডি সেৱা
২৪ মে'
মডাৰ্ণ মেডিক'জ, বৰপেটাৰোড
ডাঃ ইনামুল হক
(স্নায়ুশল্য বিশেষজ্ঞ)
লক্ষণবোৰ ঃ ব্ৰেইন টিউমাৰ, মূৰৰ বিষ, টোপনিৰ অসুবিধা, মৃগীৰোগ, কঁকালৰ বিষ, ডিঙিৰ বিষ, চলাফুৰাৰ অসুবিধা, হঠাৎ অজ্ঞান হোৱা, আঁঠুৰ বিষ।
যোগাযোগৰ নম্বৰ
7002770765
info@gnrchospitals.com www.gnrchospitals.com

# মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণত বিসংগতি

## নিৰ্মাণস্থলী পৰিদৰ্শন ভাৰত চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰালয়ৰ মুখ্য কাৰ্যবাহী অভিযন্তা ইউ চি কাত্তাৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২০ মে' ঃ** মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণ কাৰ্যৰ দলঙৰ খুঁটাৰ নিৰ্মাণৰ কাম চলি থাকোতেই ৮ নম্বৰ আৰু ১১ নম্বৰৰ দুটাকৈ খুঁটাত বৃহৎ ফাট ধৰা পৰে। দলঙৰ নিৰ্মাণকাৰী সংস্থা ইউপি ষ্টেট ব্ৰিজ কৰ্পোৰেচনৰ তত্ত্বাৱধানত নিৰ্মাণ কৰা এই মাজুলীবাসীৰ বহু প্ৰত্যাশিত দলংখনত দেখা দিয়া ফাট লুকুৱাবলৈ চেষ্টা কৰিছিল যদিও মাজুলীৰ দল-সংগঠন আৰু মাজুলীৰ দাবীত সকলো পোহৰলৈ আহে। নিৰ্মাণকাৰী সন্থাই বিসংগতিৰে নিৰ্মাণ কাৰ্য চলাই থকা তথ্য পোহৰলৈ অহাত মাজুলীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দলঙত হোৱা বিসংগতিৰ তথ্য পোহৰলৈ অহাত মাজুলীত নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে জাঙুৰ খাই উঠে দল-সংগঠন। ইতিমধ্যে মাজুলী-যোৰহাট সংযোগী দলঙত হোৱা বিসংগতি পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত বিভাগীয় বিষয়াৰে এক বৈঠকত মিলিত হৈছিল। আনহাতে মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত দলঙত হোৱা বিসংগতি সন্দৰ্ভত এক নাগৰিক সভাৰ জৰিয়তে প্ৰস্তাৱ গ্ৰহণ কৰি অসম মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছিল। দলং নিৰ্মাণৰ বিসংগতি সংবাদ মাধ্যমৰ লগতে সৰ্বত্ৰ চৰ্চা হোৱাত পুনৰীক্ষণ নকৰা পৰ্যন্ত ২০টাকৈ দিনে দলং নিৰ্মাণ কাম বন্ধ ৰখা হৈছিল। আজি মাজুলী যোৰহাট দলং নিৰ্মাণস্থলীত দলংখনত হোৱা বিসংগতি পৰিদৰ্শনৰ কৰে চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰালয়ৰ জ'ন-৫ৰ মুখ্য কাৰ্যবাহী অভিযন্তা ইউ চি কাত্তাৰে। দলংখনৰ খুঁটা নিৰ্মাণত হোৱা বিসংগতি পৰ্যবেক্ষণ কৰি সাংবাদিকৰ আগত অভিযন্তাজনে কয়— দলঙৰ কামৰ ক্ষেত্ৰত কোম্পানীৰ লগত কোনো কম্প্ৰ'মাইজ নকৰে চৰকাৰে। লগতে কয়— প্ৰয়োজন হ'লে বিসংগতি হোৱা খুঁটা ভাঙি পুনৰ নিৰ্মাণ কৰা হ'ব। কাৰিকৰী বিসংগতি চাই প্ৰতিবেদন ভাৰত চৰকাৰৰ হাতত দিয়া হ'ব বুলি উল্লেখ কৰি সেই প্ৰতিবেদন মৰ্মে দলং কাম বৰ্তমান এই নিৰ্মীয়মাণ কোম্পানীক দিব নে খুঁটা ভাঙি দিব সেয়া পৰৱৰ্তী সময়ত নিশ্চিত হ'ব বুলি উল্লেখ কৰে। পৰিদৰ্শনৰ সময়ত বিষয়া গৰাকীক সাক্ষাৎ কৰি দলংখনৰ খুঁটা নিৰ্মাণত হোৱা বিসংগতি সন্দৰ্ভত মাজুলী জিলা যুৱ-ছাত্ৰ পৰিষদৰ জিলা সভাপতি মুনিন্দ্ৰ ভূঞা, সাধাৰণ সম্পাদক পবিত্ৰ বৰা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনিল হাজৰিকা আৰু দক্ষিণপাট আঞ্চলিকৰ কৰ্মীসকলে সমস্ত বিসংগতি বিষয়াগৰাকীক অৱগত কৰে। বিষয়াগৰাকীয়ে পৰ্যবেক্ষণ কৰি আৰু সংগঠনৰ অভিযোগ আন্তৰিকতাৰে গ্ৰহণ কৰি ৮ আৰু ১১ নং খুঁটাৰ সম্পূৰ্ণ উন্নত পৰীক্ষণ কৰি বিসংগতি দূৰ কৰি দলঙৰ কাম-কাজ পুনৰ সঠিকভাৱে আগবঢ়াই নিয়াৰ আশ্বাস প্ৰদান কৰে। লগতে দলং নিৰ্মাণত ভৱিষ্যতে মাজুলীবাসীক শংকা নকৰিবলৈ আহ্বান জনাই দলং নিৰ্মাণৰত কোম্পানীৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখা হ'ব আৰু আগন্তুক ১০ বছৰলৈকে কোম্পানীৰ ওপৰত দলঙৰ দায়িত্ব থাকিব বুলি উল্লেখ কৰে। দলং সংযোগী পথৰ সৈতে মুঠ ৮.২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মাজুলী-যোৰহাটৰ মাজত বহু প্ৰত্যাশিত দলংখনৰ কাম আৰম্ভ হওঁতেই নিৰ্মাণ কাৰ্যত হোৱা বিসংগতিয়ে দল নিৰ্মাণ কৰা কোম্পানীটো এই দলংখন নিৰ্মাণত কিমান সফল সেই কথা মাজুলী ৰাইজে ভালদৰে বুজি উঠিছে বুলি মাজুলীৰ সচেতন ৰাইজে মন পোষণ কৰিছে।

**PREMIER CRYOGENICS LTD.**
Regd. Office: M.D.Road, Chandmari, Guwahati-3 CIN:L24111AS1994PLC004051
Ph.: 0361-2660192 Fax : 0361-2661787
E-mail: info@premiercryogenics.com
Website: www.premiercryogenics.com
NOTICE is hereby given pursuant to Regulation 29 read with Regulation 47 of the SEBI (Listing Obligations & Disclosure Requirements) Regulations that a meeting of the Board of Directors of the Company will be held on Friday the 27th May, 2022 at the Regd. Office of the Company to consider inter alia and take on record the standalone and consolidated audited Financial Results for the quarter and year ended 31st March, 2022 and to recommend dividend, if any, for the said year. The notice is also available on company's website:www.premiercryogenics.com and may also be available on the Stock Exchange website: www.cse-india.com
**For PREMIER CRYOGENICS LTD.**
Date : 20.05.2022 A TALUKDAR
Place : Guwahati Company Secretary

**Form No. 3**
**[See Regulation-15 (1)(a)] / 16(3)**
**DEBTS RECOVERY TRIBUNAL GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)
**Case No.: OA / 33 / 2022**
**Summons under sub-section (4) of section 19 of the Act, read with sub-rule (2A) of rule 5 of the Debt Recovery Tribunal (Procedure) Rules, 1993.**
**Exh. No. 1789**
**BANK OF BARODA**
*- VS -*
**M/S. MONISHA TEA PLANTATION**
To,
**(1) M/S. MONISHA TEA PLANTATION**
Represented by its Proprietor, Monisha Hazarika, W/o Late Biren Hazarika, Resident of Marwari Patty, Ward No. 1, Golaghat Village: Nambor NC, East, Reengma Mouza, Karbi Anglong, Assam- 785602
**(2) MR. RAKTIM HAZARIKA**
S/o Late Biren Hazarika, Marwari Patty, Ward No. 1, Golaghat
**SUMMONS**
WHEREAS, OA/33/2022 was listed before Hon'ble Presiding Officer / Registrar on **13.05.2022**.
WHEREAS this Hon'ble Tribunal is pleased to issue summons/notice on the said Application under section 19(4) of the Act, (OA) filed against you for recovery of debts of **Rs. 53,12,849.27/-** (application along with copies of documents etc. annexed).
In accordance with sub-section (4) of section 19 of the Act, you, the defendants are directed as under :-
(i) to show cause within thirty days of the service of summons as to why relief prayed for should not be granted;
(ii) to disclose particulars of properties or assets other than properties and assets specified by the applicant under serial number 3A of the original application;
(iii) you are restrained from dealing with or disposing of secured assets or such other assets and properties disclosed under serial number 3A of the original application, pending hearing and disposal of the application for attachment of properties;
(iv) you shall not transfer by way of sale, lease or otherwise, except in the ordinary course of his business any of the assets over which security interest is created and/or other assets and properties specified or disclosed under serial number 3A of the original application without the prior approval of the Tribunal;
(v) you shall be liable to account for the sale proceeds realised by sale of secured assets or other assets and properties in the ordinary course of business and deposit such sale proceeds in the account maintained with the bank or financial institutions holding security interest over such assets.
You are also directed to file the written statement with a copy thereof furnished to the applicant and to appear before **Registrar** on **27.06.2022** at **10:30 A.M.** failing which the application shall be heard and decided in your absence.
**Given under my hand and the seal of this Tribunal on this date: 18.05.2022.**
Signature of the Officer Authorised to issue summons




*গুৱাহাটীত ভাৰাঘৰৰ গৰাকীয়ে পত্নীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত ভাৰাতীয়া ধৰণীধৰ ডেকাই হত্যা কৰিলে অভিযুক্তক*

# উপৰহালী ৰাইজ গয়ৰহৰ পৰিচালনা সমিতিৰ বাবে সাধাৰণ নিৰ্বাচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২০ মে' ঃ** দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত উপৰহালী ৰাইজ গয়ৰহৰ পৰিচালনা সমিতি গঠনৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হয়। ২ বছৰ কাৰ্যকালৰ পিছত ৰাইজৰ সংবিধান অনুসৰি এইদৰে নিৰ্বাচন অনুষ্ঠিত কৰি পৰিচালনা সমিতি গঠন কৰে। বহু জল্পনা-কল্পনাৰ অন্তত কালি নিশা সমিতি গঠনৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। ৰাইজ গয়ৰহৰ নিৰ্বাচনত এইবেলি সভাপতি পদৰ বাবে অজিত চন্দ্ৰ ঠাকুৰীয়া, চবিন চন্দ্ৰ তালুকদাৰ আৰু মালব্য মোহন তালুকদাৰে প্ৰতিদ্বন্দ্বিতা বঢ়াইছিল। ইয়াৰে অজিত চন্দ্ৰ তালুকদাৰে ৪৭টা ভোট লাভ কৰি সভাপতি পদৰ বাবে নিৰ্বাচিত হোৱাৰ বিপৰীতে মালব্য মোহন তালুকদাৰে ৩৫ টা আৰু চবিন চন্দ্ৰ তালুকদাৰে ১৬ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। সেইদৰে সাধাৰণ সম্পাদক পদৰ বাবে পবিত্ৰ কুমাৰ তালুকদাৰে ৬২ টা ভোট লাভ কৰি জয়লাভ কৰাৰ পৰিৱৰ্তে আন এগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী পবিত্ৰ কুমাৰে দাসে ৩২ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। উপ:সভাপতি দুজনৰ বাবে সংৰক্ষিত পদৰ বাবে কমলেশ্বৰ তালুকদাৰে ৪৭ টা, সুভাষ দাসে ৪২ টা ভোট লাভ কৰি জয়লাভ কৰাৰ পৰিৱৰ্তে ৰঞ্জন তালুকদাৰে ৩৯টা আৰু অশ্বিনী কুমাৰ তালুকদাৰে ৩৪ টা ভোট লাভ কৰে। সেইদৰে সহ:সম্পাদক তিনিজনৰ বাবে সংৰক্ষিত পদৰ বাবে হেমন্ত ঠাকুৰীয়াই ৮২ টা, বিজয় তালুকদাৰ ৬১ টা, প্ৰদীপ দাসে ৪৬ টা ভোট লাভ কৰি জয়লাভ কৰাৰ পৰিৱৰ্তে ফটিক ঠাকুৰীয়াই ৪০ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। ৰাইজ গয়ৰহৰ এই সাধাৰণ নিৰ্বাচনত প্ৰিজাইডিং বিষয়া হিচাপে উপৰহালী ৰাইজ গয়ৰহৰ গজিন ঠাকুৰীয়া, প্ৰফুল্ল ঠাকুৰীয়া, হিৰণ্য কুমাৰ মজুমদাৰ আৰু প'লিং বিষয়া হিচাপে পুলক কলিতা, ফুলেন্দ্ৰ তালুকদাৰ উপস্থিত থাকে। উক্ত নিৰ্বাচনৰ জৰিয়তে জয়লাভ কৰা প্ৰাৰ্থীসকলে উপৰহালী ৰাইজ গয়ৰহ পৰিচালনা সমিতি গঠন কৰাৰ বাবে পৰৱৰ্তী সময়ত দায়িত্বভাৰ গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

**Form No. 3**
**[See Regulation-15 (1)(a)] / 16(3)**
**DEBTS RECOVERY TRIBUNAL GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)
**Case No.: OA / 32 / 2022**
**Summons under sub-section (4) of section 19 of the Act, read with sub-rule (2A) of rule 5 of the Debt Recovery Tribunal (Procedure) Rules, 1993.**
**Exh. No. 1790**
**BANK OF BARODA**
*- VS -*
**M/S. KALYANI TEA ESTATE**
To,
**(1) M/S. KALYANI TEA ESTATE**
Represented by its Proprietor, Ratan Rongpi, S/o Late Sar Rongpi, Reg. Office- Village and P.O.- Silonijan, Karbi Anglong, Assam- 785602
**(2) MR. RAKTIM HAZARIKA**
S/o Late Biren Hazarika, Arrengapara Charali, Golaghat, Assam
**(3) MR. DIPAK CHOWDHURY**
S/o Sitol Chowdhury, R/o- Village and P.O.- Silonijan, P.S.-Santipur, Dist.- Karbi Anglong, Assam
**SUMMONS**
WHEREAS, OA/32/2022 was listed before Hon'ble Presiding Officer / Registrar on **13.05.2022**.
WHEREAS this Hon'ble Tribunal is pleased to issue summons/notice on the said Application under section 19(4) of the Act, (OA) filed against you for recovery of debts of **Rs. 5,03,36,824.53/-** (application along with copies of documents etc. annexed).
In accordance with sub-section (4) of section 19 of the Act, you, the defendants are directed as under :-
(i) to show cause within thirty days of the service of summons as to why relief prayed for should not be granted;
(ii) to disclose particulars of properties or assets other than properties and assets specified by the applicant under serial number 3A of the original application;
(iii) you are restrained from dealing with or disposing of secured assets or such other assets and properties disclosed under serial number 3A of the original application, pending hearing and disposal of the application for attachment of properties;
(iv) you shall not transfer by way of sale, lease or otherwise, except in the ordinary course of his business any of the assets over which security interest is created and/or other assets and properties specified or disclosed under serial number 3A of the original application without the prior approval of the Tribunal;
(v) you shall be liable to account for the sale proceeds realised by sale of secured assets or other assets and properties in the ordinary course of business and deposit such sale proceeds in the account maintained with the bank or financial institutions holding security interest over such assets.
You are also directed to file the written statement with a copy thereof furnished to the applicant and to appear before **Registrar** on **27.06.2022** at **10:30 A.M.** failing which the application shall be heard and decided in your absence.
**Given under my hand and the seal of this Tribunal on this date: 18.05.2022.**
Signature of the Officer Authorised to issue summons

केनरा बैंक Canara Bank — भारत सरकार का उपक्रम / A Government of India Undertaking — सिंडिकेट Syndicate
**বিক্ৰী জাননী**
**দিছপুৰ শাখা**
ৰাধিকা ভৱন, গণেশগুৰি, দিছপুৰ, গুৱাহাটী- ৭৮১০০৬, অসম
**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**
জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **২১.০৬.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২০.০৬.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে ৱেবচাইট ঃ https://indianbankseauction.com-ৰ জৰিয়তে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ২১.০৬.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, দিছপুৰ শাখা, গুৱাহাটী (খ) ঋণ লওঁতা ১) ৰঞ্জিত ভট্টাচাৰ্য ২) ৰীতা ভট্টাচাৰ্য ৩) ৰোহিত ভট্টাচাৰ্য | এটা আবাসীক ফ্লেট, ভূমিৰ পৰিমাপ হ'ল- ১৬৬৮ বৰ্গফুট (১৫৪.৯৬ বৰ্গমিটাৰ), তৃতীয় মহলা, ফ্লেট নং ঃ এম-০১, মেপল ব্লক; এপাৰ্টমেণ্টৰ নাম হ'ল- 'ছিগ্নিকেট এৰেনা'। লগতে আছে অবিভক্ত সমানুপাতিক ভূমিৰ অংশ। **পৰিমাপ হ'ল ঃ** ০.৫৪ আৰ আৰু এখন কাৰ পাৰ্কিঙৰ স্থানসহ, অৱস্থিত আছে ভি আই পি ৰোড, চচল, ৰূপ কোঁৱৰ পথ, গুৱাহাটী-২২। **প্লটৰ চাৰিসীমা ঃ** উত্তৰে- আৰ চি চি ড্ৰেইনেছ চেনেল, দক্ষিণে- দাগ নং ৪০৮ আৰু শ্ৰী বি. চি. পাঠক, পূবে- পথ, পশ্চিমে- দাগ নং-৪০৮ আৰু পথ। **ফ্লেটৰ চাৰিসীমা ঃ** উত্তৰে- কৰিডৰ/ষ্টেয়াৰকেচ/ফ্লেট নং এম-০৪/লিফ্‌ট, দক্ষিণে- মুক্ত আকাশ, পূবে- ব্লক অ' এ কে, পশ্চিমে- ফ্লেট নং- এম-০২। | (ক) মুঠ অনাদায় ঃ ৮৭.৩৯ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৭৮.৩২ লাখ টকা (গ) ইএমডি ঃ ৭.৮৩২ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট **(www.canarabank.com)**ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব কানাড়া বেংক দিছপুৰ শাখা, ৰাধিকা ভৱন, গুণেশগুৰি, গুৱাহাটী, অসম-৭৮১০০৬। যোগাযোগ নম্বৰ ঃ +৯১-৯৫০৮৭৭১০৫৬৪/+৯১- ৭৯৯২৪৬৮১৫৮ সৈতে, যিকোনো কৰ্ম দিনত কাৰ্যালয় চলি থকা সময়ৰ ভিতৰত।
**তাৰিখ ঃ ২০.০৫.২০২২, স্থান ঃ গুৱাহাটী** **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

केनरा बैंक Canara Bank — भारत सरकार का उपक्रम / A Government of India Undertaking — सिंडिकेट Syndicate
**দখলৰ জাননী [(ধাৰা ১৩(৪)]**
(স্থাৱৰ সম্পত্তিৰ বাবে)
**শিৱসাগৰ শাখা**
হস্পিতাল ৰোড, ভৰালী কমপ্লেক্স, শিৱসাগৰ, অসম-৭৮৫৬৪০
যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) (ইয়াৰ পিছত আইন বুলি গণ্য কৰা হ'ব) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতা/গ্ৰেৰাণ্টাৰ/ মৰ্টগ্ৰেজলৈ। যাতে অনাদায় ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-
ঋণ লওতা/ গেৰাণ্টৰে এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল। সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু অন্যান্য ৰাইজক অৱগত কৰা হ'ল যে তলত স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে সংশ্লিষ্ট আইনৰ শাখা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি উপৰোক্ত আইনৰ, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।
ঋণ লওতা/ গেৰাণ্টৰক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত।
আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক) ঋণ লওতা/ গেৰাণ্টাৰ/ মৰ্টগেজৰ নাম খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) শ্ৰী ছিৰাজুল হুছেইন, পিতা ঃ স্বৰ্গীয় ইউছুফ আলী আৰু গেৰাণ্টৰ শ্ৰীমতী মেৰেজা বেগম, স্বামী ঃ ছিৰাজুল হুছেইন (খ) শিৱসাগৰ শাখা | ৩৫,৫৪,৯১০.৯০ টকা (পইত্ৰিশ লাখ চৌৱান্ন হাজাৰ ন শ দহ টকা নব্বৈ পইচা কেৱল) আৰু তাৰ ওপৰত সুত। | ক) ০৭.০১.২০২২ খ) ১৭.০৫.২০২২ | ০০ বিঘা-০৩ কটা-০২লেচা। পট্টা নং ঃ ৩৭৭৮, দাগ নং ঃ ৭১০২ আৰু ৭১০৩। শিৱসাগৰ টাউন, পাৰ্টি-১৮, ডাকঘৰ-মেটেকা, থানা- শিৱসাগৰ, মৌজা- নগৰমহল, জিলা- শিৱসাগৰ, অসম **চাৰিসীমা ঃ দাগ নং ঃ ৭১০২ৰ বাবে**— পূবে- পথ, পশ্চিমে ঃ নিজৰ দাগ নং ঃ ৭১০৩; উত্তৰে- ৰিয়াজুল হুছেইনৰ ভূমি, দক্ষিণে-ছুলেমান খানৰ ভূমি। **চাৰিসীমা ঃ দাগ নং ঃ ৭১০৩ৰ বাবে**— পূবে- নিজৰ দাগ নং ঃ ৭১০২, পশ্চিমে ঃ নিজৰ দাগ নং ঃ ৭১০৮; উত্তৰে- ৰিয়াজুল হুছেইনৰ ভূমি, দক্ষিণে-ছুলেমান খানৰ ভূমি। **নামত আছে ঃ** শ্ৰী ছিৰাজুল হুছেইন। |
| ক)মেচাৰ্চ মুস্তেন অটোমোবাইলছ, স্বত্বাধিকাৰী- শ্ৰী মুস্তেন শইকীয়া আৰু গেৰাণ্টৰ (১)শ্ৰীমতী ৰেজিনা বেগম আৰু (২) শ্ৰী শ্বেইখ নিজামুদ্দিন শইকীয়া (খ) শিৱসাগৰ শাখা | ৭৮,৫৬,৬১০.৯৭ টকা (আঠসত্তোৰ লাখ ছাপন্ন হাজাৰ ছশ দহ টকা সাতানব্বৈ পইচা কেৱল) আৰু তাৰ ওপৰত সুত। | ক) ০১.০৩.২০২২ খ) ১৮.০৫.২০২২ | ভূমিৰ পৰিমাপ হ'ল ১ বিঘা, ২ কঠা-৫লেচা, আৱৰি আছে দাগ নং-৭৬০, পি.পি. নং-২৭৮। অৱস্থিত আছে- ন-মাটি গাঁও, জুকতলি মৌজাৰ অধীনত, ডাকঘৰ- নমাটি, থানা- নাজিৰা, জিলা-শিৱসাগৰ, অসম ভূমিৰ চাৰিসীমা ঃ পূবে- ইনামুদ্দিন শইকীয়াৰ ভূমি, পশ্চিমে ঃ বাহিজুদ্দিন শইকীয়াৰ ভূমি, উত্তৰে- প্ৰাইভেট পথ আৰু ছিদ্দিক শইকীয়াৰ ভূমি, দক্ষিণে-নিজৰ ভূমি। নামত আছে ঃ (১) মঃ মুস্তেন শইকীয়া, (২) মঃ নিজামুদ্দিন শইকীয়া, (৩) শ্ৰীমতী ৰেজিনা বেগম। |

**তাৰিখ ঃ ১৭.০৫.২০২২/১৮.০৫.২০২২, স্থান ঃ শিৱসাগৰ** কৰ্তৃত্বশীল বিষয়া, **কানাড়া বেংক**



# মদাৰ ফুল

■ সাগৰিকা কলিতা

এখন নিজান পথাৰৰ মাজত বাঁহেৰে সজা এটা চাংঘৰ, তাত থাকে বাস্তৱ, মাক আৰু বাস্তৱৰ ভনীয়েক। বাস্তৱৰ সৰু থাকোঁতেই দেউতাকৰ মৃত্যু হয়, তেতিয়াৰ পৰাই বাস্তৱে খেতি-বাতি কৰি ঘৰখন আৰু ভনীয়েকক চলাই আছে। যদিও বাস্তৱে খেতি-বাতি কৰি ঘৰখন চলাইছিল তথাপি মাকে সদায়ে তাক গালি পাৰে। কাৰণ মাকে সি এটা চাকৰি কৰাটো বিচাৰে। বাস্তৱে সৰুৰে পৰা নাটক-ভাওনা, বৰগীতৰ লগত জড়িত। গাঁৱত ভাওনা বুলিলে তাৰ খোৱা-লোৱাৰ সময় নাই। ঘৰ, নাটক, ভাওনাৰ লগত জড়িত হৈ থাকোঁতে বাস্তৱৰ সময়বোৰ যায়। গাঁৱৰ মানুহে যদিও তাক ভাল পায় সেয়া কেৱল মুখত। হৃদয়েৰে তাক কোনেও ভাল নাপায়, তাক দেখিলে সকলোৱে হাঁহে আৰু সকলোৱে বিভিন্ন কথা আলোচনা কৰে। বাস্তৱে সেইবোৰ সকলো জানে কিন্তু সি কাকো একো নকয়। দিনবোৰ বাগৰি যোৱাৰ লগে লগে তাৰ বয়স বাঢ়ি আহিল। মাকে সদায়েই গালি পাৰে— বোলো বোপাই, তোৰ বয়স হ'ল, বোলো সময়ত বিয়াখন পাত, গোটেই জীৱনটো নাটক-ভাওনাৰ বচন মাতিয়েই পাৰ কৰিম বুলি ভাবিছ নেকি? কিমান ক'লো, তই বি এ পাছ কৰি ঘৰতে বহি আছ, চাকৰি এটাকে বিচাৰ। কিমান দিন মই খুৱাই থাকিম। আজি-কালিৰ দিনত ভাল কাম এটা নকৰিলে ছোৱালীও পাবলৈ নাই। এতিয়াটো তোৰ বয়সো গৈ আছে। কিন্তু নাই, মোৰ কথা ক'ত শুনিবি। দিনৰ দিনটো পথাৰত থাকিবি ৰাতি নামঘৰত। এতিয়া যাগৈ, হাত-মুখ ধুই আহ, জলপান দিওঁ। মাকে বাস্তৱক গালি পাৰি থাকোঁতে ভনীয়েকে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি মাকক ক'লে— বৌতি তুমিনো কিয় ইমান গালি পাৰি থাকা ককাইদেউক। চাবাচোন এদিন মোৰ ককাইদেউ ডাঙৰ শিল্পী হ'ব। জীয়েকৰ কথা শুনি মাকে ক'লে— হৈছে হৈছে দেখিম নহয়। মাকৰ গালিবোৰ শুনি ভয়ে ভয়ে বাস্তৱ কুঁৱাৰ পাৰলৈ গ'ল। কুঁৱাৰ পাৰত গৈ বাস্তৱে ভাওনাৰ বচন মাতি মাতি হাত-ভৰিকেইটা ধুলে। আৰু মাকে দিয়া জলপান খাবলৈ বহি ভনীয়েকৰ লগত কথাত ব্যস্ত হৈ পৰিল। বুজিচনে আইজনী মইনো লাগ বুলিয়েই চাকৰি এটা ক'ত বিচাৰি পাওঁ আৰু চাকৰি এটাৰ বাবে অকল মোৰ শিক্ষা থাকিলেই নহ'ব, হাতত টকাও লাগিব আৰু কিমান ঠাইত কাগজৰ টোপোলাবোৰ লৈ ঘূৰি ফুৰিব লাগিব। তাতে আকৌ আমাৰ তেনে কোনো বিশেষ চিনাকি মানুহো নাই। বাস্তৱৰ কথাবোৰ শুনি কিছু সময় তাই ভাবিলে আৰু চাহৰ কাপটোৰ পৰা এধোক চাহ খাই তাই ক'লে। সেইবোৰ বাদ দে ককাইদেউ বলীন দাদাই ওভৰ গাঁৱৰ এজনী ছোৱালীৰ কথা কৈছে কাইলৈ এপাক গৈ চাই আহিবিগৈ। ভনীয়েকৰ কথা শুনি সি লাজে লাজে ক'লে, জাম জানো? ভনীয়েকে ক'লে জাবি আকৌ, চাই আহিবি। মাত্ৰ বৌতিয়ে গম নোপোৱাকৈ যাবি। নহ'লে আৰু মহাভাৰত-ৰামায়ণ শুনিব লাগিব বুজিলি। বাস্তৱে ক'লে হ'ব দে। পিছদিনা বাস্তৱে সুন্দৰকৈ সাজি-কাচি বন্ধু বলীনৰ লগত ছোৱালী চাবলৈ গ'ল। মাকে কিন্তু সকলো কথা গম পাইছিল যদিও তাক একো কোৱা নাছিল। মনে মনে মাকেও তাৰ বিয়াখন হোৱাটোকে বিচাৰিছিল। সন্ধিয়া সময়ত বাস্তৱ ঘৰলৈ আহি কাকো নমতাকৈ হাতত দাখন লৈ পথাৰলৈ গ'ল। পথাৰৰ পৰা ঘৰলৈ আহি পদূলিৰ পৰাই মাকৰ গালি আৰম্ভ হ'ল। বাস্তৱে তাক মাকে কিমান যি ক'লেও কেতিয়াও মাকক ওলোটাই সি বেয়াকৈ নকয়, সকলো সি চকু মুদি শুনি যায়। মাকে বকিবলৈ আৰম্ভ কৰিলে কি হ'ল ছোৱালী চাবলৈ গৈছিলিচোন। ছোৱালী নিদিলে আৰু কিমান কম তোক যে পথাৰ আৰু নাটক-ভাওনা কৰিলে ছোৱালী নাপাবি। এনেইনো গাঁওখনৰ আগত মোক কিয় লাজত পেলাৱ। ছোৱালী পাবলৈ তয়নো এনেকুৱা কি কাম কৰিছ। মাকে বকি বকি ঘৰৰ ভিতৰলৈ সোমাই গ'ল। বাস্তৱে মাকৰ গালি খাই কুঁৱাৰ পাৰলৈ গ'ল। ঘৰৰ ভিতৰত বাস্তৱৰ ভনীয়েকে মাকক ক'লে— বৌতি তুমি যে ককাইদেউক ইমান গালি পাৰা সি জানো তোমাৰে সন্তান নহয়? মাকে তেতিয়া ক'লে— মই তাৰ ভালৰ বাবেই কথাবোৰ কওঁ, আজি মই জীয়াই আছোঁ, একো নাই কিন্তু মই নোহোৱা হ'লে তাৰ কি হ'ব। তয়ো বিয়া হৈ আনৰ ঘৰলৈ যাবি। মাকে তাইক তেনেকৈ কৈ তাৰ পৰা গুচি গ'ল। তাই মাকৰ কথাবোৰলৈ গুৰুত্ব নিদি পঢ়া টেবুললৈ গ'ল। পিছদিনা পুৱা বাস্তৱে পথাৰলৈ গ'ল। বাস্তৱক দুপৰীয়াৰ জলপান দিবলৈ ভনীয়েকে পথাৰলৈ গ'ল। ককাইদেউ জলপান আনিছো আহা। ভনীয়েকে জলপান খাবলৈ দি বাস্তৱক সুধিলে— ককাইদেউ কি হ'ল, কালি ছোৱালী ঘৰত তোমাক কোনোবাই কিবা কৈছে নেকি? নে তোমাৰ বয়স হোৱা বাবে কিবা কৈছে। যদি তেনেকুৱা কিবা কৈছে নালাগে তেনেকুৱা ছোৱালী। তাইৰোতো বয়স হৈছে। বাস্তৱে তেতিয়া ক'লে— তেনেকুৱা কথা নহয় অ' আইজনী, মোৰনো আছে কি? ভনীয়েকে ক'লে— তোমাৰ সকলো আছে ককাইদেউ, দিনৰ দিনটো কষ্ট কৰা আৰু লগতে অসমীয়া সংস্কৃতি নাটক, ভাওনাকো জীয়াই ৰাখিছা, গতিকে তুমি এজন প্ৰকৃত শিল্পী। ককায়েকে অলপ হাঁহি গান এটি গুণগুণালে—

মদাৰৰে ফুল হেনো পূজাতো নালাগে
লাগে মাথোঁ ব'হাগতে ৰং সানিবলে
লাগে মাথোঁ আকাশতে জুই জ্বলাবলে
কোনোবাই মোক হেনো মদাৰৰে বিজালে
আমাৰ দৰে লোক হেনো কামে-কাজে নালাগে।

সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱে এনেই কোৱা নাই। আমাৰ দৰে মানুহ কামে-কাজে নালাগে যেতিয়া। এতিয়া ঘৰলৈ ব'ল। দুয়ো ককায়েক-ভনীয়েকে গান গুণগুণাই ঘৰলৈ গ'ল। দিনবোৰ তেনেকৈ গৈ থাকিল। এদিন বাস্তৱৰ গাঁৱতে নামঘৰত ভাওনা কৰি থাকোঁতে বাস্তৱৰ অভিনয় ভাল পাই এজন সাহিত্যিকে বাস্তৱক এটা অনুষ্ঠানত বৰগীত পৰিৱেশন কৰিবৰ বাবে নিমন্ত্ৰণ জনালে। বাস্তৱে আনন্দত ক'ব নোৱৰা হ'ল আৰু অনুষ্ঠানত যোৱাৰ পাছত বাস্তৱক গামোচা পিন্ধোৱাৰ লগতে কিছু ধনো তাক দিলে। এজন ধনী অৰ্থাৎ অহংকাৰেৰে ধনী লোকৰ ডিঙিত গামোচা এখন পিন্ধালে আনক দেখুৱাই দুখনমান ফটো তুলিব। কিন্তু প্ৰকৃত শিল্পী আছিল বাস্তৱ, যাৰ ডিঙিত পিন্ধোৱা সেই গামোচাখনৰ তেওঁ বাবে পৃথিৱীৰ সকলো বস্তুতকৈ ডাঙৰ আছিল তেওঁ ঘৰলৈ উভতি আহি মাক আৰু ভনীয়েকক গামোচাখন দেখুৱালে আৰু বাস্তৱে পোৱা ধনখিনি মাকক দিলে। তেনেকৈ তাৰ জীৱনটোৰ ফুলপাহে লাহে লাহে পাহি মেলিছিল। ভনীয়েককো ভাল ল'ৰা এটা চাই বিয়া দিলে। কিন্তু ভগৱানে হয়তো এজন ভাল মানুহক পৃথিৱীত বেছি দিনৰ বাবে নাৰাখে। বাস্তৱে লাহে লাহে নাটক-ভাওনাৰ বচন মাতিব নোৱৰা হ'ল। বৰগীতৰ সুৰ তাৰ কণ্ঠৰ পৰা হেৰাই গ'ল। তাৰ কণ্ঠ নলীত কৰ্কট ৰোগ ধৰা পৰিলে। আৰু সি দিনবোৰ বিছনাত পাৰ কৰিব ধৰিলে আৰু এদিন মাকৰ কোলাত মূৰ থৈ চিৰদিনলৈ হেৰাই গ'ল বাস্তৱ। কেৱল বাস্তৱ হেৰাই যোৱা নাই, হেৰাই গ'ল সমাজৰ এটা উজ্জ্বল তৰা। সেইদিনা আৰু মাকে ৰ'ব নোৱাৰিলে। অন্তিম বিদায় দিলে বাস্তৱক। তাকো হাঁহিৰে সৈতে, মাকে তাৰ শুই থকা মুখখনত চুমা এটা খাই ক'লে— যাগৈ মোৰ সোণ, আকাশত সদায় জিলিকি থাক। ইমান দিনে তোৰ প্ৰকৃতিপ্ৰেমী হৃদয়খনক মই দহ মাহ গৰ্ভত ৰখা মাকজনীয়ে নাজানিলো। তেনেকৈ কৈ মাকে কান্দিবলৈ ধৰিলে। আৰু বাস্তৱ নামৰ নিঠৰ দেহটো চাৰিজনে কান্ধত তুলি শ্মশানলৈ লৈ গ'ল। যৱনিকা পৰিল বাস্তৱৰ, অভিনয়ৰ ফুলি থাকিল এপাহ ফুল হৈ বাস্তৱ।

ফোন: ৬০০৩১-৪০৬৯৯



## কথোপকথনে এটি পৰিয়ালৰ মাজত সম্বন্ধ মজবুত কৰে

■ গীতাশ্ৰী বৰা

বৰ্তমান সময়ত কথোপকথনৰ অভাৱ। ইলেক্ট্ৰিক মাধ্যমৰ বিভিন্ন সঁজুলিয়ে মানুহক ব্যস্ত কৰি ৰাখে, যাৰ পৰিণতিত কাৰোবাৰ লগত মুকলিকৈ এষাৰ কথা পাতিবলৈ সকলোৱে যেন আহৰি নোহোৱা হ'ল। এনে লাগে সকলোৰে হৃদয় যেন যন্ত্ৰপিষ্ট। নিজৰ কৰ্মক্ষেত্ৰত ব্যস্ত থাকে সকলো, ঘৰৰ বয়োজ্যেষ্ঠসকল পৰি ৰয় ঘৰখনৰ এচুকত। আমি অৱহেলা নকৰি আমাৰ আত্মিক সম্বন্ধৰ মানুহৰ মাজত সঘনাই কথা-বাৰ্তা হোৱা উচিত। কি ঠিক আপুনি আজি যি লৈ ব্যস্ত সেয়া আপোনাৰ লগত সদায় নাথাকিবও পাৰে, তেতিয়া হয়তো আপুনি অকলশৰীয়া অনুভৱ কৰিব।

আমি পাহৰি পেলাইছো কথা ক'বলৈ, হাঁহিবলৈ তথা ৰসিক আলাপেৰে পৰিৱেশ মধুৰ কৰিবলৈ। হাঁহিত যেন ম্লান পৰিছে উজ্জ্বলতা, বৃদ্ধি পাইছে মানসিক অস্থিৰতা। আমি কিয় motivational speech বা motivational vdo চাওঁ, কিছুমান সাৰুৱা কথাই আমাৰ মনত দকৈ শিপায়। কাৰোবাক দিয়া উপদেশমূলক তথা হৃদয়ত আনন্দ দিব পৰা কথাই আমাক জীৱনটো সুন্দৰকৈ উদ্‌যাপন কৰিবলৈ শিকায়।

এইখিনিতে এটি গুৰুত্বপূৰ্ণ প্ৰশ্ন উপলব্ধি হয় যে আমি কেনেদৰে কথা-বাৰ্তা কোৱা উচিত? আমি জানো যে এটি শিশুৰ শিক্ষাৰ কঠীয়াতলী ঘৰখন। ঘৰ এখনত সুন্দৰ পৰিৱেশ পালে নিশ্চয় সকলো শিশু সমাজৰ প্ৰিয়-পাত্ৰ হ'ব। কথা কওঁতে ধীৰ-স্থিৰভাৱে কথা ক'ব লাগে। সুন্দৰ বাৰ্তালাপে এজন ব্যক্তিৰ চাৰিত্ৰিক দিশৰ ইংগিত দিয়ে। চিঞৰি বা উত্তেজিত হৈ কথা ক'ব নালাগে। নম্ৰভাৱে কথা ক'লে সকলোৱে আদৰ পায়। সমাজপ্ৰিয় ব্যক্তি এগৰাকীৰ যোগাত্মক এটি দিশ হৈছে সুন্দৰকৈ কথা ক'ব জনাটো।

সুন্দৰকৈ কথা ক'ব পৰাটো এক আৰ্ট বা কলা। শুৱলাকৈ কথা ক'ব জনাৰ অনুৰাগীও যথেষ্ট থকা দেখা যায়। এটি বিষয়ৰ ওপৰত কথা কওঁতে সেই বিষয়ে ভাল ধাৰণা এটি থাকিব লাগিব। কথা কোৱাৰ এক সুন্দৰ ভাব-ভংগীয়ে তথা নিখুঁত উপস্থাপনে সহজতে মানুহৰ মন আৰ্কষণ কৰিব পাৰে। শুদ্ধকৈ, শুৱলা কণ্ঠৰে কথা ক'ব পৰাজনৰ সন্মোহিনী শক্তিয়ে সকলোকে মোহিত কৰিব পাৰে।

'কথাতে কটা যায়, কথাতে বঁটা পায়' বুলি চলি অহা ফঁকৰা-যোজনাই বহু কথা বুজায়। আমি কথা কওঁতে সদায় সাৱধান হ'ব লাগে। আমাৰ কোৱা কথাই যাতে আনৰ হৃদয়ত দুখ নিদিয়ে তাৰ প্ৰতি সচেতন হ'ব লাগে। বিপদত নপৰিবলৈ আমি সদায় কথা কওঁতে ভাবি-চিন্তি ক'ব লাগে। কি ঠিক আপুনি কোৱা কথাই কিজানি আপোনাৰ জীৱনলৈ দুৰ্নাম কঢ়িয়াই আনে? আজিকালি ইলেক্ট্ৰিক মাধ্যমৰ যুগ যিহেতু টেপ ৰেকৰ্ড কৰি, আপুনি কোৱাৰ কথাই ব্লেকমেইলিং কৰিব পাৰে। দুষ্ট লোকৰ এয়া সহজাত প্ৰবৃত্তি আজিৰ সমাজত। গতিকে কথা কওঁতে সাৱধান হ'ব, সাৱধানীৰ মৰণ নাই।

অৰ্থৱহপূৰ্ণ কথাই হতাশগ্ৰস্তত পৰি মৃত্যুমুখী পথৰ পৰাও হয়তো ঘূৰাই আনিব পাৰি।

ভৰিৰ উজুতিত নিজে দুখ পায়, কিন্তু কথাৰ উজুতিত আনে দুখ পায়। ভালদৰে কথা ক'ব নাজানিলে নোকোৱাই ভাল। ফান্সিচ বেকনে কৈছে— 'কথোপকথনে একোগৰাকী তৎপৰ আৰু বিচক্ষণ ব্যক্তিৰ জন্ম দিয়ে।' তেনেদৰে শ্বেক্সপীয়েৰে কৈছে যে 'কথোপকথন আনন্দদায়ক হ'ব লাগে। কিন্তু তাত অশ্লীলতা থাকিব নালাগে।' কথোপকথনৰ সময়ত কথা কওঁতে যাতে আনে আমনি নাপায় তাৰ প্ৰতি সচেতন হ'ব লাগে, নিজে কথা কৈ থকাতকৈ আনকো ক'বলৈ সুবিধা দিব লাগে।

মানৱতাৰ ভূলুণ্ঠিত হোৱাৰ সময়ত আত্মীয়তাৰ প্ৰয়োজন। আত্মীয়তা কোনে শিপাব পাৰে, সুন্দৰ কথোপকথনে আৰু মানৱীয় গুণেৰে। আধুনিক কৃত্ৰিম আভিজাত্যৰ এই ফোঁপোলা সমাজখনত আজিৰ আত্মীয়তাৰ অভাৱ। আমি সমাজৰ লগত মিলা-প্ৰীতিৰে থকাটো বৰ প্ৰয়োজন হৈ পৰিছে। আধুনিক জীৱন শৈলীয়ে আমাৰ মাজৰ পৰা আত্মীয়সকলক আঁতৰাই নাৰাখি আহক আমি চিন্তাধাৰাবোৰ সলনি কৰি একত্ৰিত হওঁ। উপলব্ধি কৰো এক সফল জীৱন ।

ফোন: ৯৩৬৫৪-৫২৫৬৬



## আন্তৰ্জাতিক চাহ দিৱস আৰু অসমৰ ক্ষুদ্ৰ চাহ খেতি



■ মদন মোহন পাগবন্ধা

২০২০ চনৰ পৰা প্ৰতি বছৰে ২১ মে' তাৰিখে গোটেই বিশ্বজুৰি উদযাপন কৰা হয় আন্তৰ্জাতিক চাহ দিৱস। ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাই ২০১৯ চনৰ ২১ ডিচেম্বৰত গ্ৰহণ কৰা সংকল্প অনুসৰি এই দিৱস ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে উদযাপন কৰে। চাহৰ ঐতিহাসিক মহত্ত্ব আৰু ইতিহাসৰ বিষয়ে জনসচেতনতা বৃদ্ধিৰ লগতে গোটেই বিশ্বত চাহে পেলোৱা গভীৰ সংস্কৃতিক আৰু অৰ্থনৈতিক প্ৰভাৱৰ বিষয়ে ৰাইজক অৱগত কৰা এই দিৱসৰ মূল লক্ষ্য। চাহৰ বহনক্ষম উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজনীয় বিভিন্ন কাৰ্যপন্থা হাতত লোৱাৰ লগতে চাহ গ্ৰহণৰ গুৰুত্ব আৰু পানীয় হিচাপে ব্যৱহাৰ কৰি বিশ্বৰ খাদ্য সংকট আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিবলৈ সজাগতা সৃষ্টি কৰা আন্তৰ্জাতিক চাহ দিৱসৰ মুখ্য উদ্দেশ্য। এইখিনিতে এটা কথা উল্লেখ্য যে বিশ্বই আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস ২০২০ চনৰ পৰা পালন কৰিছে যদিও ২০০৫ চনৰ ১৫ ডিচেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ ৰাজধানী নতুন দিল্লী মহানগৰত প্ৰথমে এই দিৱসটো পালন কৰিছিল। ইয়াৰ পিছত ভাৰতবৰ্ষৰ পৰামৰ্শ অনুসৰি আৰু International Food and Agriculture Organizations (FAO)ৰ অনুমোদন সাপেক্ষে United Nations (UN) এ ২১ মে' দিনটো আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস হিচাপে ঘোষণা কৰে। ২১ মে' দিনটো নিৰ্ধাৰণ কৰাৰ মূল কাৰণ হ'ল পৃথিৱীৰ প্ৰায়সমূহ চাহ উৎপাদনকাৰী দেশতে এই মে' মাহৰ সময়ছোৱাতেই আৰম্ভ হয় অতিকৈ উচ্চ গুণসম্পন্ন Second flash চাহ, যাৰ মূল্যও নিৰ্ধাৰণ হয় গোটেই বছৰটোৰ ভিতৰতে সৰ্বাধিক। সাধাৰণ কথাত চাহৰ গুণগত মান বুলিলে ঘাইকৈ বুজা যায় ক'লা চাহৰ বা পানীয়ৰ গোন্ধ আৰু ৰঙৰ কথাই। মূলতঃ এই গোন্ধ আৰু ৰঙৰ ওপৰত ভিত্তি কৰিয়েই চাহৰ বিভিন্ন গ্ৰেডিং (Grading) কৰা হয় যিয়েই মূলতঃ নীলাম বজাৰত চাহৰ দৰ নিৰ্ধাৰণ কৰে। চাহ ফেক্টৰীসমূহত ভিন ভিন উৎপাদন পদ্ধতিৰে উৎপাদন কৰা হয় CTC, Orthodox, Green Tea, White Tea, Purple Tea, Oolong Tea আদি নানান বিধ চাহপাত আৰু এই সকলোবোৰ চাহপাতৰে দৰ নিৰ্ধাৰণ ঘাইকৈ নিৰ্ভৰ কৰে Tea Taster সমূহৰ জিভাৰ সোৱাদৰ ওপৰত। অৱশ্যে বৰ্তমান সময়ত প্ৰয়োজন সাপেক্ষে Biochemical backup লোৱাৰো ব্যৱস্থা নথকা নহয়। এই দিশৰ পৰা চাবলৈ গ'লে উচ্চ মানৰ চাহৰ চাহিদা অধিক। এটা সময়ত অসমত চাহ খেতিক এক অভিজাত কৃষি হিচাপে গণ্য কৰা হৈছিল, ই বৰ্তমানো অব্যাহত আছে যদিও কিন্তু অসমৰ প্ৰেক্ষাপটত ক্ষুদ্ৰ চাহ খেতিয়ক বা উপান্ত যিসকল কৃষক আছে তেওঁলোকৰ অৱস্থা তথৈবচ। বৰ্তমান কেঁচা চাহৰ মূল্য আৰু সাৰ তথা ঔষধৰ অত্যধিক মূল্যই কৃষক ৰাইজক জলা-কলা খুৱাইছে। চৰকাৰীভাৱে ব্যৱস্থা লৈছে যদিও এতিয়াও কৃষকে এমআৰপিতকৈ অধিক দামত সাৰ কিনিব লগা হৈছে। এটা কথা ঠিক খাটিখোৱা কৃষকৰ উন্নতি অবিহনে কিন্তু আন্তৰ্জাতিক চাহ দিৱস পালন অৰ্থহীন। এইক্ষেত্ৰত চৰকাৰৰ এক সুনিৰ্দিষ্ট নীতি অবিহনে কৃষকৰ উন্নতি অসম্ভৱ।

ফোন: ৭০০২১-৭৮৯৬৩

# বৈষ্ণৱ আন্দোলনৰ আধুনিক যুগৰ কাণ্ডাৰী প্ৰাক্তন পদাধিকাৰ দীননাথ ডেকা

■ অজয় বৰুৱা

উত্তৰ-পূব ভাৰতত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম, সাহিত্য-সংস্কৃতি, সমাজ-দৰ্শনৰ আধাৰত এখন অস্পৃশ্যতা বৰ্জিত, সাম্য-মৈত্ৰীৰ সমাজ গঢ়াৰ লগতে আধ্যাত্মিকভাৱে পৰিশুদ্ধ সমাজৰ ভেটি ৰচনাৰ বাবে সংগঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘই নব্বৈ বছৰত ভৰি দিলে। দীঘলীয়া এই পৰিক্ৰমাত সঙ্ঘই গুৰুজনাৰ সাৰ্বজনীন ধৰ্মৰ মূলতত্ত্ব বিশ্লেষণ কৰি তাক দেশ-বিদেশ, জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত এক শৰণ হৰি নাম প্ৰচাৰ-প্ৰসাৰ, নাম-কীৰ্তন, নৃত্য-গীত, কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ, বহুল প্ৰচাৰ, সাহিত্য-সংস্কৃতি, ধৰ্মমত প্ৰচাৰৰ বাবে আলোচনী, গ্ৰন্থ, পুস্তিকা প্ৰকাশ, শৰণ-ভজন ভক্তি প্ৰচলন, গুৰুজনাৰ ধৰ্ম-দৰ্শন আদিৰ গৱেষণা প্ৰতিষ্ঠা, আৰ্থ-সামাজিক বিকাশৰ কাৰণে বিভিন্ন প্ৰকল্প প্ৰতিষ্ঠা, নৱ-প্ৰজন্মক শাৰীৰিক, নৈতিক, আধ্যাত্মিক আৰু মূল্যবোধৰ শিক্ষাৰে শিক্ষিত কৰিবৰ বাবে শ্ৰীমন্ত শংকৰদেৱৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰিলে। এইখিনি কৰোতে বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছে যদিও কেইজনমান পুৰুধা ব্যক্তিৰ ত্যাগ-কষ্ট-ঐকান্তিক প্ৰচেষ্টাৰ, অফুৰন্ত কৰ্মশক্তি, আত্মত্যাগৰ বিনিময়ত সঙ্ঘটো বৰ্তমান উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ এক অৰাজনৈতিক গণতান্ত্ৰিক জাতীয় অনুষ্ঠান হিচাপে পৰিচিত হৈছে। ঐকান্তিক চেষ্টাৰ সফল ৰূপ দিয়া এই মহানুভৱ ব্যক্তিসকলৰ ভিতৰত দৰং জিলাৰ অন্যতম, প্ৰধান কাণ্ডাৰী আছিল দীননাথ ডেকাদেৱ। ডেকাদেৱ শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ তথা শংকৰী ধৰ্ম-সাহিত্য জগতৰ এগৰাকী পণ্ডিত আছিল। সুলেখক, সুবক্তা, শাস্ত্ৰজ্ঞ আৰু সংগঠক ডেকাদেৱ দুই দশকতকৈ অধিক কাল (১৯৬৭-১৯৯১) শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ মূলৰ সদস্য, উপ-পদাধিকাৰ আৰু শেষলৈ সঙ্ঘৰ সৰ্বোচ্চ সন্মানজনক পদাধিকাৰৰ পদ অলংকৃত কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ একান্ত সেৱক, কাণ্ডাৰী ডেকাদেৱ ১৯২৩ খ্ৰীষ্টাব্দৰ ২৬ ছেপ্টেম্বৰত (১৮৪৫ শক, ৯ আহিন, কৃষ্ণা প্ৰতিপদ তিথি) দৰং জিলাৰ ছিপাঝাৰ শীতলাবড়িৰ ফন্দিয়াপাৰা চুবুৰিত এটা মহাপুৰুষীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ মায়াৰাম ডেকা আৰু মাতৃ চানামাই ডেকা আছিল। মায়াৰাম ডেকা আছিল এজন আদৰ্শ শিক্ষক, সাধু, জ্ঞানী, বুদ্ধিমান লোক।

গভীৰ অধ্যয়নশীল আৰু জ্ঞানসন্ধিৎসু এই ব্যক্তিজনাক ১৯২৯ চনত ছিপাঝাৰ এম ভি স্কুলত নাম-ভৰ্তি কৰি দিয়ে আৰু তাৰ পৰা প্ৰাইমাৰী শিক্ষান্ত (বৃত্তি) পৰীক্ষাত মাহিলি তিনি টকাকৈ বৃত্তি লাভ কৰে। ডেকাদেৱে ইয়াৰ পিছত আকৌ ৬ষ্ঠ শ্ৰেণীত (১০৩৬ চনত) এম ই স্কুলৰ শিক্ষান্ত (বৃত্তি) পৰীক্ষাত অবিভক্ত অসমৰ ভিতৰত দশম স্থান লাভ কৰি নিজৰ মেধাৰ পৰিচয় দিয়ে। প্ৰতিটো শ্ৰেণীতে মেধাৰ পৰিচয় দি যোৱা ডেকাদেৱে ইয়াৰ পিছত ক্ৰমে মঙলদৈ নগৰ উচ্চ ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰে আৰু পিছলৈ কলিকতা বিশ্ববিদ্যালয়ে নিয়ন্ত্ৰণ কৰা প্ৰৱেশিকা পৰীক্ষাত (১৯৪২ চনত) প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু দৰং জিলাৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি 'Empress of India Medal of Indian medal for standing first among the successful candidates appearing from the Farting District in the Matriculation Examanination 1942' লাভ কৰে। ইয়াৰ উপৰি ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা বাবে 'Jagadiswar Sarma Medal for securing highest marks in English in the matriculation examination 1943 held by the Calcutta University' লাভ কৰে। একাগ্ৰতা আৰু অধ্যয়নস্পৃহা ব্যক্তি আছিল যদিও বিভিন্ন দুৰ্যোগ্য-আৰ্থিক-অনাটনৰ বাবে ডেকাদেৱ উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

দীননাথ ডেকাদেৱে ১৯৪২ চনত ছিপাঝাৰ এম ভি স্কুলত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি এবছৰ পিছত ১৯৪৩ চনত দুনী এম ভি স্কুললৈ বদলি হৈ আহে। শিক্ষকতা চাকৰি এৰি ডেকাদেৱে ১৯৪৪ চনত মঙলদৈ মহকুমাধিপতিৰ কাৰ্যালয়ত কেৰাণী পদত যোগদান কৰে আৰু ১৯৫৩ চনত দেৱানী বিভাগৰ 'চিৰস্তাদাৰ' পদলৈ পদোন্নতি হয় আৰু ১৯৮৩ চনত তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ লয়। ১৯৪৪ চনত মাইকী বৰুৱাৰ লগত বিবাহপাশত বহে।

মহাপুৰুষীয়া পৰিয়ালত জন্মগ্ৰহণ কৰা বাবে সৰুৰ পৰাই ডেকাদেৱ গুৰুজনাৰ আদৰ্শ, ভাৱধাৰা, ৰীতি-নীতি প্ৰতি আকৃষ্ট হৈ পৰৱৰ্তী সময়ত একশৰণ নামধৰ্মত সম্পূৰ্ণৰূপে নিজকে সমৰ্পণ কৰিলে। পৰম নিষ্ঠা আৰু ঐকান্তিক সাধনাৰে ভাগৱত, গীতা, ভক্তি ৰত্নাকৰৰ মূল সংস্কৃত পুথিকে ধৰি প্ৰায় সকলো বৈষ্ণৱ পুৰাণ, দৰ্শন গুৰুজনাৰ ৰচিত সমস্ত পুথি-পাঁজি আধুনিক যুগৰো বৈষ্ণৱ দৰ্শনৰ গৱেষণা গ্ৰন্থ সকলো খৰচি মাৰি অধ্যয়ন কৰে।

১৯৬৭ চনত ডেকাদেৱে শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘত যোগদান কৰে আৰু শৰণ গ্ৰহণ কৰে। ডেকাদেৱ সঙ্ঘত যোগাদান কৰিয়েই নিজৰ পাণ্ডিত্য, কৰ্ম আৰু মহাপুৰুষীয়া ধৰ্মৰ ওপৰত কৰা গৱেষণাৰ ফলস্বৰূপে সঙ্ঘৰ কৰ্ণধাৰ সমিতিত স্থান পায়। ১৯৭৫ চনত ডেকাদেৱে ভজন গ্ৰহণ কৰে। আৰু ১৯৭৭ চনত সঙ্ঘৰ শৰণ সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেখেতৰ কাৰ্যদক্ষতা, কৰ্মনিপুণতা আৰু সাংগঠনিক দৃঢ়তাৰ ওপৰত সন্তুষ্ট হৈ শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘই ১৯৭৯ চনত উপ-পদাধিকাৰ আৰু ১৯৮৩ চনত পদাধিকাৰ হিচাপে নিৰ্বাচিত কৰে। তেখেতে বিবাহ পদ্ধতি আৰু অশৌচ প্ৰণালীৰ কেইটামান গুৰুত্বপূৰ্ণ দফাৰ সংশোধনৰ যুগান্তকাৰী পদক্ষেপ লৈছিল। ভাৰতীয় সংবিধানসন্মত হিন্দু বিবাহ আইনৰ ধাৰাৰ উল্লেখ দি মহাপুৰুষীয়া পদ্ধতিৰ বিবাহো যে আইনগত অধিকাৰৰ সম মৰ্যাদাপ্ৰাপ্ত তাক দৃঢ়ভাৱে প্ৰমাণ কৰি দেখুৱাইছিল।

এজন সুবক্তা হিচাপেও দীননাথ ডেকাদেৱৰ আছিল এক সুকীয়া আসন। অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত ধৰ্মালোচনী সভা, অধিৱেশনৰ ৰাজহুৱা বক্তৃতা মঞ্চত একশৰণ নামধৰ্মৰ গূঢ়াৰ্থ, ইয়াৰ প্ৰতিপাদ্য তাত্ত্বিকবোধ অদ্বৈতবাদৰ তাৎপৰ্য, বৰ্ণ, বৰ্ণাশ্ৰমধৰ্ম, যুগধৰ্ম, সনাতন ধৰ্ম অৱতাৰবাদ আদিৰসৰ জটিল প্ৰশ্ন, সমস্যাবোৰ নিখুঁতভাৱে বিশ্লেষণ যে নিৰ্গুণ ব্ৰহ্মৰ গুণময় দিশ প্ৰত্যেক ভক্তৰ হৃদয়ত বিকশিত হৈছিল। বক্তৃতাৰ প্ৰকাশ ভংগী, সৰলতা, উচ্চাৰণৰ স্পষ্টতা, শব্দ চয়নৰ বাছনি আদিয়ে শ্ৰোতাৰ অনুভূতিক সহজে মুগ্ধ কৰিছিল। বাকপটুতা, তেজস্বী ভাষা, অসম্ভৱ দৃঢ়তা, সুগভীৰ শাস্ত্ৰলব্ধ যুক্তি আদিৰ বাবে পদাধিকাৰ কালচোৱাত অপৰিসীম দৃঢ়তাৰে শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ আদৰ্শ, নীতিক এক মাত্ৰা প্ৰদান কৰিছিল।

এজন সুদক্ষ অভিনেতা হিচাপেও ডেকাদেৱৰ আছিল এক পৰিচয়। অসমৰ বিভিন্ন মঞ্চত বহু নাটকত মুখ্য চৰিত্ৰত সুন্দৰ অভিনয় কৰি (১৯৪২-১৯৬৭ লৈ) শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল। মঞ্চ কঁপাই দৰ্শকৰ প্ৰিয় হৈ পৰা নাটকবোৰৰ ভিতৰত চন্দ্ৰকান্ত নাটকত পালক', Marchant Of Venice নাটকত 'Shylock', দেৱতাৰ গ্ৰাস নাটকত "শঙ্খচুড়া", নীলাম্বৰ নাটকত "নন্দ",, শকুনিৰ প্ৰতিশোধ নাটকত "শকুনি", ৰক্ষকুমাৰ নাটকত "ইন্দ্ৰজিৎ আৰু ৰাৱণ, শেষ নামাজ নাটকত "দায়ুদখা", টিপুচুলতান নাটকত "নানাফনবিছ" আদি।

দীননাথ ডেকাদেৱে শঙ্কৰী সাহিত্যৰ সাধনাত একান্তভাৱে মনোনিৱেশ কৰি শাস্ত্ৰসমূহৰ গূঢ়াৰ্থ ভেদ কৰি উত্তৰপুৰুলৈ থৈ গ'ল বহু মূল্যৱান প্ৰবন্ধ। বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ, বাতৰিকাকত আদিত প্ৰকাশিত প্ৰবন্ধসমূহ আছিল অধ্যয়নৰ গভীৰতা তথা নিৰ্দিষ্ট উদ্দেশ্যধৰ্মী। দ্বিমত থকা কথাৰ আৰু বিষয়ৰ তত্ত্বাৰ্থ, গূঢ়াৰ্থই সমাজত দেখা দিয়া ভিন্নতা দূৰ আৰু সমাধান কৰা আছিল ডেকাদেৱৰ লেখাৰ মূল উদ্দেশ্য। এই লেখনিসমূহ মূলতঃ গুৰুজনাৰ মতাদৰ্শক অধিক স্বচ্ছভাৱে প্ৰকাশ কৰিছে। বিশেষকৈ শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ বিবাহ-পদ্ধতিখনৰ আইনগত দিশ সম্পৰ্কে অতি প্ৰাঞ্জল ভাষাৰে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে বিশ্লেষণ কৰি যোৱা তথ্যখিনিয়ে বিবাহ-পদ্ধতিৰ গুৰুত্ব যথেষ্ট বৃদ্ধি কৰিছে। তদুপৰি পদাধিকাৰ কাৰ্যকালত শৰণ-ভজন সম্পকীয় কথাবোৰ প্ৰকাশ কৰা, নলবাৰী জিলাত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘৰ ৫৪সংখ্যক বাৰ্ষিক অধিৱেশনৰ 'পদাধিকাৰৰ অভিভাষণ' এখন মূল্যৱান গ্ৰন্থ। শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ ত্ৰিসপ্ততিতম বাৰ্ষিক অধিৱেশন (২০০৪) দৰং জিলা শাখাৰ আমন্ত্ৰণক্ৰমে 'লেচাকোণীয়া গোবিন্দ আতা ক্ষেত্ৰ'ত সঙ্ঘই প্ৰকাশ কৰা গ্ৰন্থ 'দীননাথ ডেকা ৰচনাৱলী'ত সাহিত্য শাখাৰ প্ৰাক্তন সম্পাদক কৈলাস দাসদেৱে ডেকাদেৱৰ বিষয়ে লিখিছিল— 'দীননাথ ডেকাদেৱ সঙ্ঘৰ বিভিন্ন বিষয়বাবৰ দায়িত্ব ঐকান্তিক নিষ্ঠা আৰু ঈৰ্ষণীয় দক্ষতাৰে পালন কৰি গৈছে। বিশেষকৈ চাৰিটা বছৰ (১৯৮৩-৮৬) সঙ্ঘৰ পদাধিকাৰৰ আসন অলংকৃত কৰি সাংগঠনিক দিশত এক গতিশীল নেতৃত্ব দিয়াৰ উপৰি তেখেতৰ অসাধাৰণ মেধা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ স্বাক্ষৰবাহী প্ৰবন্ধ পাতিৰে সঙ্ঘ বৌদ্ধিক নেতৃত্বও দি গৈছে। শ্ৰদ্ধেয় ডেকাবাপ শঙ্কৰদেৱৰ প্ৰতি অনুৰক্ত হ'লেও, তেখেতৰ ৰচনাৱলীত মোহগ্ৰস্ত আৱেগৰ সলনি লক্ষ্য কৰা যায় তথ্য আৰু যুক্তিৰ প্ৰতি আনুগত্য, বস্তুনিষ্ঠতা, মতান্ধতাৰ পৰা মুক্তি আৰু প্ৰচলিত অচলায়তনৰ প্ৰতি বিদ্ৰোহ। তেখেতৰ ৰচনাৱলীত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্মৰ বহু কথা পোহৰলৈ আনিছে, বহু বিৰোধাভাস নিৰসন কৰিছে, বহু জিজ্ঞাসা প্ৰশমিত কৰিছে, বহু বিৰুদ্ধবাদী তথা বিকৃতিকাৰীৰ ন্যস্ত স্বাৰ্থ উদঙাই দিছে আৰু সঙ্ঘ অনুসৰিত নীতি-আদৰ্শৰ বৈধতাৰ স্থাপন কৰিছে।'

ডেকাদেৱৰ কেইটামান গুৰুত্বপূৰ্ণ প্ৰবন্ধ হ'ল কৃষ্ণস্তু ভগৱান্ স্বয়ম্, তীৰ্থ, নেৰিবাহা যুগধৰ্ম, শৰণ আৰু অপৰাধ, শ্ৰাদ্ধ-কৰ্মকাণ্ডীয় বিধি বনাম হৰিনাম, বৰ্ণ তথা জাতিভেদ প্ৰথম আৰু ভাগৱত ধৰ্মত ইয়াৰ স্থান, 'ধন্য কলিকাল, ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰত বৰিষে',মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মত মূল নীতিৰ বিচাৰত হোমৰহিত বিবাহ, ৰামচৰিত আৰু দুৰ্গাপূজা প্ৰসংগ, মহাপুৰুষীয়া ধৰ্মত শিৱ-তত্ত্ব, কৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম, শ্ৰীমদ্ ভাগৱতৰ দশ লক্ষণ, মহাপুৰুষীয়া ধৰ্ম আদৰ্শ মতে একশৰণ তত্ত্ববিচাৰ, "এক শৰণ হৰি নাম ধৰ্ম : এটি আলোচনা", এক শৰণ আৰু অন্য দেৱী-দেৱ, 'অমূল্য ৰত্ন : এটি পৰ্যালোচনা', বৰ্ণ তথা জাতিভেদ আৰু ভাগৱত ধৰ্মত ইয়াৰ স্থান, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ মূল নীতিৰ বিচাৰত হোমৰহিত বিয়া, ৰামচৰিত আৰু দুৰ্গা পূজা প্ৰসংগ, গুণ নাম যত বিষ্ণু শিৱৰ, ৰোমহৰ্ষণ সূতৰ কথা, Legal Aspects Of Form Of Marriage System Adopted By Srimanta Sankaradeva Sangha, কৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম, মোৰ জীৱন কথা (আত্মজীৱনী),অমূল্য ৰত্ন,শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ বিবাহ পদ্ধতি সম্পৰ্কে আইনগত কথা, পদাধিকাৰৰ অভিভাষণ (নলবাৰী অধিৱেশন), পদাধিকাৰৰ অভিভাষণ (ঢকুৱাখনা অধিৱেশন), মোৰ জীৱন-কথা আদি। এই ৰচনাসমূহ ডেকাদেৱৰ অধ্যয়নপুষ্ট অভিজ্ঞতাৰ গভীৰতা আৰু পৰিপক্কতাৰ প্ৰকৃত পৰিমাপন স্বৰূপ। ডেকাদেৱৰ ৰচনাৱলীৰ বিষয়বস্তু মূলতঃ আছিল একশৰণ। হৰিনাম ধৰ্ম সম্পৰ্কীয়। সৰহভাগ ৰচনাত শাস্ত্ৰীয় প্ৰমাণৰ আধাৰত মহাপুৰুষৰ ধৰ্মৰ শ্ৰেষ্ঠত্ব, শাস্ত্ৰীয় ভিত্তি আদি যথাযথভাৱে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। এই জনা মেধাশক্তিসম্পন্ন, চিন্তাশীল, শাস্ত্ৰজ্ঞ, নিৰহংকাৰী, অমায়িক, আড়ম্বৰহীন ব্যক্তি গুৰু আদৰ্শৰ অবিস্মৰণীয় সোঁৱৰণী সিঁচি থৈ, কৰ্ম, জ্ঞান, ভক্তিৰ উজ্জ্বলতম দৃষ্টান্ত দি ১৯৯১ চনৰ ২৩ জানুৱাৰীত বৈকুণ্ঠগামী হয়।

ফোন: ৯৭০৭৭-৩০৪২৭



# সদ্য ঘোষিত আৰক্ষী কনিষ্টবল পদত নিযুক্তি নাপাই চৰম হতাশাত ভুগিছে গৃহৰক্ষী বাহিনীৰ এগৰাকী মহিলা জোৱান

## ২০০৭ চনৰে পৰা বৰ্তমানলৈকে কেইবাবাৰো আৰক্ষী কনিষ্টবল পদত সাক্ষাৎকাৰ দিও বঞ্চিত হৈছে মহিলাগৰাকী, বিবেচনা কৰিবলৈ কাতৰ আহ্বান অসমৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালকপ্ৰধানক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ২০ মে' ঃ** শেহতীয়াকৈ অসম আৰক্ষীৰ কনিষ্টবল পদত নিযুক্তি পালে অসমৰ বহু যুৱক-যুৱতীয়ে। তাৰ মাজতেই সকাহ পালে বহুকেইটা দুখীয়া-নিছলা পৰিয়ালে। মুখত হাঁহি বিৰিঙিল বহু পৰিয়ালৰ। যি কি নহওক, বহু কষ্ট, ধৈৰ্য আৰু সাধনাৰ বলত পুত্ৰ বা জীয়াৰীয়ে অন্ততঃ এটা চৰকাৰী চাকৰি পালে। সকলোৱে আশা থাকে নিজৰ পৰিয়ালটোত অন্ততঃ এটা চৰকাৰী চাকৰি পালে বৰ্ত্তমানি সকাহ পোৱা যায়। কিন্তু এনে এক আনন্দ, হাঁহি আৰু উল্লাসৰ মাজতেই কেৱল কান্দিছে আৰু কান্দিছে এগৰাকী কৰ্মৰত গৃহৰক্ষী বাহিনীৰ মহিলা জোৱানে। শোক আৰু হতাশাত ভাগি পৰিছে এতিয়া তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাত কৰ্মৰত হৈ থকা অসম আৰক্ষীৰ গৃহৰক্ষী বাহিনীৰ মহিলা জোৱান ৰিংকু চেতিয়াই। ২০০৭ চনতেই অসম আৰক্ষীৰ গৃহৰক্ষী বাহিনীত যোগদান কৰা ৰিংকু চেতিয়াই কেইবাবাৰো অসম আৰক্ষীৰ কনিষ্টবল পদত নিযুক্তিৰ বাবে সাক্ষাৎকাৰ দি আহিছে যদিও আজি পৰ্যন্ত সক্ষম হোৱা নাই নিযুক্তি লাভ কৰিবলৈ। এইবাৰো, অৰ্থাৎ ২০২২ চনৰ আৰক্ষী কনিষ্টবল পদত প্ৰবল আত্মবিশ্বাসেৰে অৱতীৰ্ণ হৈছিল যদিও নিযুক্তি পাবলৈ সক্ষম নহ'ল ৰিংকু চেতিয়া। বৰ্তমান চাকৰিৰ বয়স শেষ হোৱাত চৰম হতাশাত ভাগি পৰিছে গৃহৰক্ষী মহিলা জোৱানগৰাকী। গৃহৰক্ষী জোৱান হিচাপে ২০০৭ চনৰ পৰা ১৫ বছৰৰ এক দীঘলীয়া সেৱা অসম আৰক্ষীক আগবঢ়াই অহা ৰিংকু চেতিয়া তিনিচুকীয়া জিলাৰ একমাত্ৰ মহিলা গৃহৰক্ষী জোৱান হিচাপে অসম আৰক্ষীৰ কনিষ্টবল পদত অৱতীৰ্ণ হৈছিল। ইফালে বিজ্ঞাপন অনুযায়ী অসম আৰক্ষীৰ নিযুক্তি ক্ষেত্ৰত জিলা ভিত্তিত গৃহৰক্ষী জোৱানৰ বাবে কনিষ্টবল পদত ২% আসন সংৰক্ষণ থকা বুলি উল্লেখ আছে। কিন্তু তাৰ পিছতো ৰিংকু চেতিয়া কনিষ্টবল পদত নিযুক্তিৰ পৰা বঞ্চিত হ'ব লগা হ'ল। এই ক্ষেত্ৰত চৰম হতাশাত ভাগি পৰা ৰিংকুৱে চকুত কেৱল লোতক লৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালকপ্ৰধানক বিষয়টো মানৱীয় দৃষ্টিভংগীৰে বিবেচনা কৰিবলৈ কাতৰ অনুৰোধ জনাইছে।



# ৰাজ্যৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা বন্যাৰ্তৰ কাষত ইকবাল গোটৰ আমছু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ২০ মে' ঃ** ৰাজ্যৰ প্ৰায় ২৬খনকৈ জিলাত চলিছে বানপানীৰ তাণ্ডৱ । নদীৰ বাঢ়নী পানীত এতিয়াও অব্যাহত ৰাজ্যত বানপানীৰ বিভীষিকাময় পৰিস্থিতি। ইপিনে ৰাজ্যৰ প্ৰায়কেইখন জিলাৰ লগতে বানপানীৰ কবলত ডুব গৈছে হোজাই জিলা । হোজাই জিলাৰ বহুকেইখন গাঁও বানপানীৰ কবলত পৰাৰ লগতে মানুহৰ ঘৰ-দুৱাৰ ভাঙি-ছিঙি তচনচ কৰাৰ উপৰি জীৱ-জন্তু মৃত্যুমুখত পৰে। বানপানীৰ এই সংহাৰী ৰূপৰ ফলতে ঘৰ-দুৱাৰ হেৰুৱাই শ শ পুৰুষ, মহিলা, শিশুৰ লগতে বৃদ্ধ লোকসকলে ৰাস্তাৰ কাষত আৰু শিবিৰ বনাই থাকিবলগীয়া হৈছে । বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ খাদ্য আৰু বিশুদ্ধ খোৱাপানীৰ অভাৱৰ সময়ত মূৰত খাদ্যৰ টোপোলা, হাতত বিশুদ্ধ খোৱাপানী লৈ বন্যাৰ্তৰ কাষ চাপিছে ইকবাল গোট আমছুৰ বিষয়ববীয়াসকল । বৃহস্পতিবাৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন, চমুকৈ আমছুৰ ইকবাল গোটৰ এটা সঁজাতী দলে বিশুদ্ধ খোৱাপানী আৰু খাদ্য সামগ্ৰী লৈ আক্ৰান্তৰ কাষত থিয় দিয়া পৰিলক্ষিত হৈছে । আমছুৱে হোজাই জিলাৰ বৃহত্তৰ লস্কৰ পথাৰ এলেকাৰ ভীমৰ আলী, জৰাংপথাৰ, উত্তৰ লস্কৰ পথাৰ, দাৰ্জিচীট, ফৰ্মাপাৰ আদি কৰি কেবাটাও অঞ্চলত তিনি সহস্ৰাধিক লোকক বান সাহায্য প্ৰদান কৰে। আমছুৰ বিষয়ববীয়াসকলে নাৱেৰে গৈ অতি ভিতৰুৱা গাঁৱৰ বানাক্ৰান্তসকলৰ মাজত বান সাহায্য আগবঢ়োৱা দেখা যায়। স্থানীয় মানুহে আমছুৰ পৰা লাভ কৰা খাদ্য সামগ্ৰী হাতত লৈ আমছুক প্ৰশংসা কৰাৰ লগতে হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষক ধিক্কাৰ প্ৰদান কৰাৰ লগতে বিধায়ক ৰামকৃষ্ণ ঘোষৰ ওপৰত এটা ভয়ংকৰ অভিযোগ উত্থাপন কৰি বিজেপি বিধায়ক ৰামকৃষ্ণ ঘোষে সংখ্যালঘু বসতিপ্ৰধান এলেকাত কোনো ধৰণৰ খবৰ লোৱা নাই। ইপিনে হোজাইত বানপানীয়ে ক্ষতিগ্ৰস্ত কৰা লোকসকলক বহু হৃদয়ৱান ব্যক্তি আগবাঢ়ি আহি বানপানীৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ লগতে আৰ্তজনক খাদ্য-সামগ্ৰী বিতৰণ কৰাৰ লগতে বিশুদ্ধ খোৱাপানী যোগান দি মানৱতাৰ পৰিচয় দাঙি ধৰিছে।

# পশ্চিম নলবাৰীৰ বানপীড়িত অঞ্চল পৰিদৰ্শন জিলা উপায়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ মে' ঃ** আজি কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত মৰাপাগলদিয়া আৰু বুঢ়াদিয়া নদীৰ বাঢ়নী পানীয়ে তাণ্ডৱ চলাই পশ্চিম নলবাৰীৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে । মৰাপাগলদিয়া নদীৰ বাঢ়নী পানীয়ে উত্তৰ বালি, মাক্ৰাপাৰ আৰু দক্ষিণ ভোজকুছিত মথাউৰি ছিঙি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে । আনহাতে বুঢ়াদিয়া নদীৰ বাঢ়নী পানীয়ে কেন্দুবাৰীৰ গান্ধীবস্তিত মথাউৰি ভাঙি গোটেই অঞ্চল প্লাৱিত কৰে । এতিয়াও বহু গাঁও জলমগ্ন হৈ আছে । আনকি জীৱ-জন্তু ৰখাৰ ঠাই নোহোৱাৰ লগতে খাদ্য সংকটেও দেখা দিছে। কৃষিপ্ৰধান অঞ্চলটোৰ খেতিপথাৰসমূহ পানীৰ তলত থকাত কৃষক ৰাইজে মূৰে-কপালে হাত দিছে । আজি নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনে পশ্চিম নলবাৰীৰ নদলা, পূৰ্ণি, সনোৱা আদি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লয় । বানপীড়িত ৰাইজক বান সাহায্য প্ৰদানৰ লগতে জীৱ-জন্তুৰ খাদ্য-সামগ্ৰী যোগান ধৰাৰ আশ্বাস দিয়ে উপায়ুক্তগৰাকীয়ে। বানপীড়িত অঞ্চল পৰিদৰ্শনৰ সময়ত উপায়ুক্তক পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, পকোৱা জিলা পৰিষদৰ সদস্য পৱিত্ৰ কুমাৰ ডেকা, পঞ্চায়ত সভাপতি সুভাষ বৰ্মন, সঞ্জীৱ তালুকদাৰ আদি কেইবাজনেও সংগ দিয়ে। উপায়ুক্ত গীতিমণি ফুকনে বুঢ়াদিয়া আৰু মৰাপাগলদিয়া নদীৰ ভগ্ন মথাউৰি পৰিদৰ্শন কৰি ৰাইজৰ ক্ষয়-ক্ষতিৰো বুজ লয়।

# কেথম দ'ৱান লংৰি ছ'-আৰল' চিংৰী আমেইৰ কাৰ্যনিৰ্বাহক সভাত পূৰ্ণাংগ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২০ মে' ঃ** কালি কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ বালিজান লক্ষীমন দ'ৱান প্ৰাঙ্গণত লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি সমাজৰ কেথম দ'ৱান লংৰি ছ'-আৰল' চিংৰী আমেই (লক্ষীমন সংঘ তৃতীয় আশ্ৰম মহিলা সমিতি)ৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয় । কেথম দ'ৱান লংৰি আমেইৰ প্ৰচাৰ সম্পাদক ৰামিন তিমুঙে আমাৰ প্ৰতিবেদকক জানিবলৈ দিয়া মতে কেথম দ'ৱান লংৰি ছ'-আৰল' চিংৰী আমেইৰ সম্পাদিকা কাৰে হাঞ্চেপীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে সভানেত্ৰী ৰোহিণী ইংতিপীয়ে । উল্লেখ্য যে যোৱা ২১-০৪-২০২২ তাৰিখে ককিলা লক্ষীমন দ'ৱানত অনুষ্ঠিত হোৱা সভাখনত কেথম দ'ৱান লংৰি ছ'-আৰল' চিংৰী আমেইৰ পূৰ্ণাংগ সমিতি গঠন কৰিব পৰা হোৱা নাছিল, যাৰ পৰিপ্ৰেক্ষিতত আজিৰ কাৰ্যনিৰ্বাহক সভাৰ জৰিয়তে উক্ত সমিতিত বাকী ৰৈ যোৱা পদবীবোৰ পূৰণ কৰি এখনি পূৰ্ণাংগ সমিতি গঠন কৰা হয় আৰু সৰ্বসন্মতিক্ৰমে আইটি তেৰণপী (কাৰ্যালয় সম্পাদিকা), দীপালী বে'পী (কোষাধ্যক্ষা), সীতা ইংতিপী (সাংস্কৃতিক সম্পাদিকা), দীয়া তেৰণপী (শিক্ষা সম্পাদিকা), ৰোহিলা ৰংপিপী (সাহিত্য সম্পাদিকা) আৰু সীমা চিংনাৰপীক (প্ৰচাৰ সম্পাদিকা) হিচাপে দায়িত্বভাৰ অৰ্পণ কৰা হয় । উক্ত কাৰ্যনিৰ্বাহক সভাত লক্ষীমন সংঘ কেন্দ্ৰীয় সমিতিৰ সদস্য-সদস্যা ক্ৰমে মণিৰাম ৰংহাং, নগেন ক্ৰ', মণিকা তিমুংপী, মনোজ ইংতি, কেথম দ'ৱান লংৰি আমেইৰ সভাপতি ৰিছু ইংতি, যুৱ সমিতিৰ সভাপতি থানেশ্বৰ চিংনাৰ, সম্পাদক জয়জিত ৰংহাং, ৰিছ'-এজাং চিংৰুম আমেই কেন্দ্ৰীয় যুৱ সমিতিৰ সদস্যা ৰেণুকা তেৰাংপী আৰু প্ৰাক্তন সভানেত্ৰী এনি কিলিংপী আদি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাত আজি লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ তৰফৰ পৰা বানৰ কবলত ডুব যোৱা গহপুৰ, ডুবিয়া, খাৰণিজান আৰু চত্ৰং অঞ্চলত বসবাস কৰা কাৰ্বি লোকসকলক কিছু সাহায্য হিচাপে আগবঢ়োৱা হ'ব বুলি সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় । শেষত বিহমাৰীৰ লবিতা তিশ্ব'পী আৰু ককিলাৰ খৰচিং বে'য়ে সভাত উপস্থিত থাকি একোটিকৈ সুন্দৰ গান গাই ৰাইজক আমোদ প্ৰদান কৰাৰ লগতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।



### ৰাজবংশী ভাষাৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰথম খোজ

# চিলাৰায় মহাবিদ্যালয়ত চাৰ্টিফিকেট পাঠ্যক্ৰমৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২০ মে' ঃ** ভাষা-সংস্কৃতিয়ে যিকোনো জাতি-জনগোষ্ঠীৰ মূল পৰিচয়। ভাষাৰ যোগেদিয়ে জাতিৰ পৰিচয় দাঙি ধৰিব পাৰি । সেহে কোচ-ৰাজবংশী সাহিত্য সভা আৰু জনগোষ্ঠীয় গৱেষণা-অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত ভাষাৰ উন্নতি সাধনৰ বাবে ধুবুৰী জিলাৰ গোলকগঞ্জস্থিত চিলাৰায় মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভাৰত ভূষণ মহান্তীৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী সভাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণে বন্তি প্ৰজ্বলন কৰি ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ শুভ উদ্বোধন কৰি কয় যে ৰাজবংশী ভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰম সহায়ক হ'ব। ৰাজবংশী ভাষা পাঠ্যক্ৰমৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে ক্ৰমে কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ডঃ দ্বিজেন্দ্ৰ নাথ ভকত, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদদ্বয় ক্ৰমে সুধীৰ চন্দ্ৰ ৰায় আৰু কাৰ্তিক ৰায়, কোচ-ৰাজবংশী সাহিত্য সভাৰ সম্পাদক পিনাকী ৰায় আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰেমসুখ শেঠীয়াই । উল্লেখ্য যে মহাবিদ্যালয়খনত অহা ২৯ মে'ৰ পৰা পাঠদান আৰম্ভ হ'বলগীয়া ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমত মুঠ ৯৪ গৰাকী শিক্ষাৰ্থীয়ে ইতিমধ্যে নাম ভৰ্তি কৰিছে। মন কৰিবলগীয়া যে নতুন শিক্ষানীতি-২০২০ অনুসৰি কেন্দ্ৰীয় চৰকাৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মাতৃভাষা বা গৃহভাষাত প্ৰাথমিক পৰ্যায়ত পঞ্চম শ্ৰেণীলৈকে পাঠদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । উক্ত নতুন শিক্ষানীতিৰ আধাৰত কোচ-ৰাজবংশী




উক্ত উদ্বোধনী সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মণে কয় যে ৰাজবংশী ভাষাৰ উন্নয়নৰ ক্ষেত্ৰত কোচ-ৰাজবংশী সাহিত্য সভাৰ যথেষ্ট অৱদান আছে। ভাষাৰ উন্নতিৰ উপৰি কোচ-ৰাজবংশী জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত আগবঢ়াই নিব লাগিব বুলি মুখ্য পাৰিষদগৰাকীয়ে কয় । কমতাপুৰ স্বায়ত্ত শাসিত এলেকাৰ মহাবিদ্যালয়সমূহত কলা আৰু বিজ্ঞান শাখাৰ উপৰি কমাৰ্চ আৰু মেনেজমেণ্ট শাখা খুলিব লাগিব বুলিও কয় মুখ্য পাৰিষদ গোকুল বৰ্মণে । ইয়াৰ উপৰি জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়ত জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত পাঠ দান কৰাৰ বাবে কোচ-ৰাজবংশী সাহিত্য সভাই অসম চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল । সমান্তৰালভাৱে কোচ-ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজবংশী ভাষাত পাঠদান কৰাৰ বাবে ৰাজবংশী ভাষাৰ শিক্ষকৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কোচ-ৰাজবংশী সাহিত্য সভাই কেইখনমান বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিছে।

# শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত চালকসহ ৪টা গৰু আৰু ১০টা ম'হ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২০ মে' ঃ** অসম আৰক্ষীয়ে অবৈধ গৰু-ম'হ সৰবৰাহৰ ক্ষেত্ৰত কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিছে । তথাপি অবৈধ পন্থা অৱলম্বন কৰি ধন উপাৰ্জনৰ লোভত চৰকাৰে নিষেধাজ্ঞা জাৰি কৰা কাৰবাৰসমূহ জাৰি ৰাখিছে অবৈধ কামকে সাৰথি কৰি লোৱা ব্যৱসায়ীসকলে। আৰক্ষীৰ চকুত ধূলি দি অবৈধ ব্যৱসায় কৰাৰ যে পূৰ্ণ কৌশল অব্যাহত ৰাখিছে তাৰে উমান পোৱা গ'ল শ্ৰীৰামপুৰত । আজি পুৱতি নিশা প্ৰায় পাঁচ বজাত শিমুলটাপু আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত গোসাঁইগাঁও মহকুমাৰ তেলিপাৰাস্থিত নিৰ্মাণৰত টোলগেটৰ পৰা তালাচী চলাই দুই চালকসহ ১০টা উন্নত জাতৰ ম'হ, ৪ টা উন্নত জাতৰ গৰু জব্দ কৰে। জব্দকৃত পিকআপ গাড়ীখনৰ নম্বৰ ডব্লিউবি-৬৩বি-১৩৮৮। গৰু-ম'হকেইটা কঢ়িয়াই পিকআপ গাড়ীখন কোঁচবিহাৰ জিলাৰ সলসলাবাৰীৰ পৰা বঙাইগাঁওলৈ গৈ আছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে পিকআপ গাড়ীখনৰ ওপৰত শাক-পাচলি বজাই দি অতি কৌশলী পন্থাৰে মুঠ ১৪ টা গৰু-ম'হ ভৰাই লৈ গৈ আছিল। আটকাধীন চালক আমিৰ হুছেইন (৩৫), সহকাৰী চালক অসীম বৰ্মন (৩২), দুয়োৰে ঘৰ পশ্চিমবংগৰ কোচবিহাৰ জিলাত বুলি জানিব পৰা গৈছে।

# লামডিং কালীবাড়ীৰ পৰা উত্তৰ লামডিং হৰুলংফাৰ দলঙলৈকে মূল পথটোৱে জলা-কলা খুৱাইছে ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২০ মে' ঃ** সঁচাকৈ গেলিছে নেকি গড়কাপ্তানী বিভাগ। অতি নিম্নমানৰ কাম কৰাৰ বাবেই একেটা ৰাস্তাৰ বিভিন্ন ঠাইত মৰণ গাঁতত পৰিণতি হৈছে। পথাচাৰীৰ অভিযোগ ঃ ঠিকাদাৰ ৰিশব জৈনে অতি নিম্নমানৰ কাম কৰিছে। সেই পথটো নিৰ্মাণ কৰা তিনি মাহৰ ভিতৰতে পথটোৰ বিভিন্ন ঠাইত ভয়ংকৰ গাঁতত পৰিণতি হৈছে। ৰাস্তাটোৰ মুঠ বাজেট ৪,৯৯,৭৭,৭৭৭.০০ টকা। ঠিকাদাৰ ৰিশব জৈনৰ গাফিলতিৰ বাবে ভয়ংকৰ দুৰ্ঘটনা হ'ব পাৰে পথচাৰীৰ। মুখ্যমন্ত্ৰী মহোদয় যিমানেই কঠোৰ নহওক কিয় ঠিকাদাৰে কেৰেপ নকৰাকৈ অতি নিম্নমানৰ কাম কৰি চৰকাৰৰ ধনৰ অপব্যৱহাৰ কৰি গৈ আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰঙ চকুক ভয় নকৰে ঠিকাদাৰ ৰিশব জৈনে। লামডিং-কালীবাড়ীৰ পৰা উত্তৰ লামডিং হৰুলংফাৰ দলংলৈকে পিডব্লিউডি পথটো অত্যন্ত ব্যস্ততাপূৰ্ণ পথ। সেই ব্যস্ততাপূৰ্ণ পথক নতুন ৰূপ দিয়া হৈছিল চিচি ব্লকৰ কেইবা কোটি টকা খৰচ কৰাৰ পিছত সেই ব্যস্ত পথৰ বিভিন্ন অংশত ডাঙৰ ডাঙৰ গাঁত আৰু ভাগি পৰিল । বছৰৰ প্ৰথম বৰষুণত সেই কোটি টকীয়া



পথৰ বিভিন্ন অংশ বৰষুণৰ পানীত পুখুৰীত পৰিণত হৈছে। যেহেতু লামডিং কালীবাড়ীৰ পৰা উত্তৰ লামডিং হৰুলংফাৰ দলংখনৰ পিডব্লিউডি পথ অত্যন্ত গুৰুত্বপূৰ্ণ, সেই পথত থকা লামডিং মহাবিদ্যালয়, ডাকঘৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, বহুকেইটা বেংক, সেই কাৰ্যালয়ৰ কৰ্মচাৰী, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সেই পথেৰে যাতায়াত কৰে। আমাৰ এই প্ৰতিবেদন দেখাৰ পিছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় বিষয়বস্তু হ'ব।

# ৰঙাপৰাত বিশ্ব মৌমাখি দিৱস উদ্‌যাপন, মৌপালকসকলক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২০ মে' ঃ** আজি বিশ্ব মৌমাখি দিৱস। মৌ পালনৰ সজাগতা বৃদ্ধিৰ বাবে আজিৰ দিনটোত উদ্‌যাপন কৰা হয় এই উৎসৱ । বিশ্ব মৌমাখি দিৱস উপলক্ষে ৰঙাপৰাৰ ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ফুলুগুৰি নেপালী পাম গাঁৱত বিশ্ব মৌমাখি দিৱস উদ্‌যাপন কৰা হয় আৰু অঞ্চলটোৰ মৌপালকসকলক সম্বৰ্ধনা জনোৱা হয়। ভাৰতীয় জনতা পাৰ্টী কৃষক মৰ্চাৰ উদ্যোগত অনুষ্ঠিত সভাত অঞ্চলটোৰ ৫গৰাকী মৌপালকক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি বিজেপি শোণিতপুৰ জিলা কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক বিনন্দ পাটোৱাৰীয়ে কয় যে বিশ্ব মৌমাখি দিৱসটি উদ্‌যাপনৰ মুখ্য উদ্দেশ্য হৈছে পৰিস্থিতিতন্ত্ৰৰ সন্তুলনৰ বাবে উদ্ভিদৰ পৰাগযোগৰ ক্ষেত্ৰত মৌমাখিৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰা। সজাগতা সভাত অংশগ্ৰহণ কৰি বিজেপি ৰঙাপৰা মণ্ডল কৃষক মৰ্চাৰ সভাপতি কমল শৰ্মা বৰুৱাই মৌমাখিৰ লগতে অন্যান্য পৰাগৰেণু বহনকাৰী জীৱসমূহৰ সুৰক্ষাৰ ব্যৱস্থাসমূহ শক্তিশালী কৰি তোলাই এই দিৱসৰ উদ্দেশ্য, যি ক্ষুধাৰ যৱনিকা পেলোৱাৰ লগতে সমগ্ৰ বিশ্বৰ খাদ্য যোগান ব্যৱস্থাৰ বিভিন্ন অসুবিধাসমূহ আঁতৰ কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙনি আগবঢ়ায় বুলি উল্লেখ কৰে।

# আম আদমী পাৰ্টীৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দুই শতাধিকৰ আপত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২০ মে' ঃ** নামনি অসমৰ হাউলীৰ ত্ৰিকন্যা বিবাহ ভৱনত আপৰ এক যোগদান পৰ্ব আজি অনুষ্ঠিত হৈ যায়। আপৰ বৰপেটা জিলা সমিতিৰ সভাপতি হাদিয়ুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত যোগদান পৰ্বত আপৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক সনজিত বৰ্মন, আপৰ মহিলা মৰ্চাৰ অনুৰূপা বড়ো, আপৰ গুৱাহাটী মেট্ৰ'ৰ মিডিয়া চেলৰ সমন্বয়ক পলাশী দাসকে আদি কৰি দলটোৰ বহুকেইজন নেতা-নেত্ৰীৰ উপস্থিতিত বৰপেটা বিধানসভা সমষ্টি, চেঙা, সৰভোগ, জনীয়া, সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ পৰা দুই শতাধিক দলে আপত যোগদান কৰে।

# বৰাজোলত গুণোৎসৱৰ মণ্ডল পৰ্যায়ৰ এদিনীয়া দিক্‌দৰ্শন প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ মে' ঃ** নলবাৰী জিলাৰ বড়িগোগ-বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ২ নং পূব বনভাগ মণ্ডল সমল কেন্দ্ৰৰ দ্বিতীয় পৰ্যায়ৰ এদিনীয়া দিক্‌দৰ্শন প্ৰশিক্ষণ আজি বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হয়। অসম চৰকাৰৰ শিক্ষা বিভাগ, সমগ্ৰ শিক্ষা, এছ চি ই আৰ টি, অসমৰ লগতে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত গুণোৎসৱৰ পৰিচালন প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিদ্যালয়খনৰ অধ্যক্ষ ৰমণীকান্ত দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা প্ৰশিক্ষণ কাৰ্যসূচীটোত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে বিগত দুটা শিক্ষাবৰ্ষত ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীৰ শিকন-ঘাটি হোৱা বুলি উল্লেখ কৰে। গুণোৎসৱৰ বাবে বিদ্যালয়-বহিৰ্ভূত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱা, বিদ্যালয়ৰে স্থানীয় ৰাইজৰ সুসম্পৰ্ক বৃদ্ধি পোৱাৰ লগতে সহঃ বিদ্যায়তনিক দিশত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা বৃদ্ধি পোৱা বুলিও বৰ্মনে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ আগন্তুক গুণোৎসৱৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক মানসিকভাৱে প্ৰস্তুত হ'বলৈও আহ্বান জনায়। শিক্ষাখণ্ডটোৰ বি আৰ পি নৰ কুমাৰ দাস উপস্থিত থাকি গুণোৎসৱৰ বাবে স্কুলৰ মূল্যায়নৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰিবলগীয়া দিশ তথা দায়িত্ব সম্পৰ্কে অতি সুন্দৰভাৱে বুজাই দিয়ে। ইয়াৰ উপৰি সমল ব্যক্তি হিচাপে উপস্থিত থকা দতৰা সমল কেন্দ্ৰৰ কৃতী সমন্বয়ক অৰূপজ্যোতি দাসে ছাত্ৰ-ছাত্ৰীৰ স্বমূল্যায়ন আৰু বহিঃমূল্যায়কৰ দ্বাৰা কেনেকৈ মূল্যায়ন কৰা হ'ব তাক বিতংভাৱে প্ৰকাশ কৰি প্ৰশিক্ষণ প্ৰদান কৰে। বৰাজোল ছোৱালী হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল হাকিমো এই প্ৰশিক্ষণ পৰ্বত উপস্থিত থাকে। আগন্তুক গুণোৎসৱত বিদ্যালয়সমূহে সফলতা অৰ্জন কৰাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা হোৱা প্ৰশিক্ষণ কাৰ্যসূচীটোত উপস্থিত থকা শিক্ষক-শিক্ষয়িত্ৰীসকলে গুণোৎসৱৰ প্ৰাক্কালত এনে দিক্‌দৰ্শী প্ৰশিক্ষণ অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে কেন্দ্ৰ সমন্বয়ক নিপু শৰণীয়াক ভূয়সী প্ৰশংসা কৰে।





## SHORT NOTICE INVITING TENDER

Sealed quotation In prescribed format affixing court fees stamp Rs. 8.25 (Rupees eight & twenty five paisa) only are invited by the undersigned from registered suppliers / farms having experience of supply of materials to Govt, or semi- Govt, organisations. The detailed terms and conditions along with bid documents in prescribed format may be collected from the O/o of the undersigned between 24th May /2022 to 27th May/2022 which will be received up to 1.00 PM of 30/ 05/ 2022 and will be opened at 2.00 PM on the same day in presence of quotationers or their authorised representatives.

The undersigned reserves the right to accept/reject any quotation without assigning reason thereof.

**RKVY-RAFTAAR (2020-2021) SIVASAGAR**
**INPUTS FOR CUCHIA CULTURE & FISH CULTURE**

| ITEMS | QUANTITY | ESTIMATED COST (Rs.) | EMO AMOUNT IN (Rs.) |
|---|---|---|---|
| SEED of Cuchia (Av. Wt.7gm to lOgm | 9600 NOS | 96000.00 | GENERAL \| 2 % ESTIMATED COST) ST/SC/OBC/MOBC ( 1% OF ESTIMATED COST) |
| RICE POLISH | 800kg | 160 00. GO | |
| Fish meal/dry Fish | 320 KG | 38,400.00 | |
| MOC | 320 KG | 9 600. GO | |
| | Total | 1,60,000.00 | |
| Fish Seed 4"-5" | 16000 Nos. | Rs. 64,000.00 | GENERAL ( 2 % ESTIMATED COST) ST/SC/OBC/MOBC (1% OF ESTIMATED COST) |
| Formulated fish feed containing 25% protein | 3311 Kg. | Rs.86,086.00 | |

QUANTITY MAY INCREASE OR DECREASE DEPENDING ON THE REQUIREMENT OF THE SCHEME
RKVY-RAFTAAR (2020-2021)

**Terms & Condition.**

1. In the fish feed bag must mention the date of Manufacture / Expire, Weight and Maximum protein percentage of feed.
2. Preference will be given to the supplier who has experience in fish feed supply in the state of Assam (Proof of documents should be enclosed). The tenderer should submit copy of GST Certificate and PAN Card with the tender.
3. Tender should quote their rate legibly. There should be no over writing and any correction. If done the same it must be attested under proper signature of the tenderer.
4. The photograph of all supplies should be deposited at the undersigned.
5. The supplier should supply Fish Seed in Fingerling size.
6. Quantity may Increase or decrease depending on the requirement of the scheme RKVY-RAFTAAR (2020-21).
7. The undersigned reserves the right to accept/reject any quotation without assigning reason thereof.
8. Payment will be made as per departmental norms and only after receipt of full quantity and quality.

Sd/-
DISTRICT FISHERY DEV. OFFICER
SIVASAGAR

Janasanyog /C/2756/ 22

তৃতীয় পৃষ্ঠাৰ পৰা—

## শোৱাপাটীতেই ডিঙি কাটি

পৰা জাঁপ মাৰি ককা মোক মাৰিলে, আইতা মোক কাটিলে বুলি ঘৰৰ কাষতে থকা ককাক-আইতাকক চিঞৰ-বাখৰ কৰা শুনি দদায়েকে ওলাই আহি দেখে যে, একে গাঁৱৰে নাজিদুৰ ৰহমান নামৰ ব্যক্তিজনে ভতিজাক প্ৰিয়মৰ মূৰত এখন ছুৰীৰে আঘাত কৰিছে। ৰ' ৰ' বুলি খেদি যোৱাত অপৰাধী নাজিদুৰ ৰহমান দৌৰি পলায় আৰু দদায়েকে পাছে পাছে খেদি যোৱাত নাজিদুৰ ৰহমান গৈ নিজ ঘৰত আত্মগোপন কৰে। দদায়েকে ঘূৰি আহি ঘৰৰ ভিতৰত ককায়েক দিব্যজিৎ দাসৰ ক্ষত-বিক্ষত অৱস্থাত নিথৰ দেহ পৰি থকা দেখা পায় আৰু ইতিমধ্যে ককায়েক দিব্যজিৎ দাসৰ মৃত্যু হোৱা বুলি জানিব পাৰে। লগতে বৌয়েক চুম্পী দাস (২৭)গুৰুতৰভাৱে জখম হৈ চটফটাই থকা দেখা পায়। ইফালে সাতবছৰীয়া পুত্ৰ প্ৰিয়ম আৰু চুম্পী দাসক চিকিৎসাৰ বাবে ততাতৈয়াকৈ যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ নিয়ে যদিও চিকিৎসকে প্ৰিয়মৰ সংকটজনক অৱস্থাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইফালে ঘটনাৰ খবৰ পায় ঘটনাস্থলীত উপস্থিত হোৱা উত্তেজিত ৰাইজে অপৰাধী নাজিদুৰ ৰহমানৰ ঘৰ ঘেৰাও কৰি তেওঁৰ ঘৰটো ভাঙি দিয়াৰ লগতে ব্ৰইলাৰ কুকুৰা পালন কৰা আৰু তেওঁৰ বাসগৃহটো অগ্নি সংযোগ কৰে। লগে লগে ঘটনাস্থলীত ঘিলাধাৰী আৰক্ষী, মেৰাপানী আৰক্ষী, দেৰগাঁও আৰক্ষী, গোলাঘাট আৰক্ষী আৰু গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষকসহ দণ্ডাধীশ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। জানিব পৰা মতে, ঘিলাধাৰী আৰক্ষীয়ে অপৰাধী নাজিদুৰ ৰহমানক ইতিমধ্যে কৰায়ত্ত কৰিছে যদিও বাতৰি লিখা সময়লৈকে ভুক্তভোগী পৰিয়ালৰ পৰা কোনো লিখিত এজাহাৰ নোপোৱাৰ বাবে গোচৰ পঞ্জীয়ন কৰিব পৰা নাই বুলি জানিব পৰা গৈছে। তাৎপৰ্যপূৰ্ণ যে, হত্যাকাণ্ডৰ ঘটনা সংঘটিত কৰা নাজিদুৰ ৰহমান ড্ৰাগছ ব্যৱসায় আৰু ড্ৰাগছ সেৱনৰ লগত জড়িত বুলিও ৰাইজে জানিবলৈ দিয়াৰ লগতে ঘটনাটোত একাধিক ব্যক্তি জড়িত বুলিও ৰাইজে সন্দেহ কৰিছে। ঘটনাৰ সন্দৰ্ভত বৰ্তমানেও অঞ্চলটোত উত্তেজনা অব্যাহত আছে। বাতৰি লিখা পৰলৈকে মৃতদেহ সৎকাৰ কৰা নাই।

## বাইকৰ খুন্দাত থিতাতে নিহত

বিৰৰণী মতে ছাত্তাৰ আলী নামৰ বেতনী গাঁৱৰ বাইক আৰোহীজনে ৰাস্তাৰে খোজকাঢ়ি আহি থকা মহিলাগৰাকীক পিছফালৰ পৰা তীব্ৰ বেগে আহি খুন্দা মৰাত মহিলাগৰাকী ছিটিকি পৰে। নাকে-মুখে তেজ ওলাই পথৰ দাঁতিত চট্‌ফটাই থকা মহিলাগৰাকীক চিকিৎসাৰ ব্যৱস্থা কৰাৰ বিপৰীতে ছাত্তাৰ আলীয়ে আহত মহিলাগৰাকীক তেনেকৈ পেলাই থৈ বাইকসহ পলায়ন কৰে। প্ৰত্যক্ষদৰ্শীয়ে আয়েছাক সংকটজনক অৱস্থাত বৰালিমাৰী ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে আয়েছাক মৃত ঘোষণা কৰে। এই খবৰ পোৱা মাত্ৰকে ৰাইজৰ ৰোষত পৰাৰ ভয়ত ছাত্তাৰ আলী পৰিয়ালৰ সদস্যসকলৰ সৈতে দুৱাৰ-ঘৰত তলা লগাই পলায়ন কৰে।

## কলিয়াবৰৰ শিলঘাটবাসীৰ

সম্প্ৰচাৰিত হৈছিল শিলঘাট-ৰবৰবাৰীৰ নদী খহনীয়াৰ বাতৰি। তাৰ পাছতে আজি কলিয়াবৰত উপস্থিত হৈ জলসম্পদ মন্ত্ৰীয়ে জনালে এই কথা। খহনীয়া ৰোধৰ বাবে বিজ্ঞানসন্মতভাৱে পাৰ্কুপাইন সংস্থাপন নকৰাৰ বাবে শিলঘাটৰ খহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰাৰ অভিযোগ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীয়ে ক'লে— এই বিষয়ে বিশেষ ধাৰণা নাই। বিভাগীয়ভাৱে এই ব্যৱস্থাটো অভিজ্ঞ ব্যক্তিৰ নীতি-নিৰ্দেশনাত কৰা হয়। যদিহে পাৰ্কুপাইন সংস্থাপনত খুটি-নাটি থাকে বা আছে সেই বিষয়ে যাৱতীয় তদাৰক কৰা হ'ব। লগতে গেঠেলা মাৰি থকা পুনৰুজ্জীৱিত কলং আঁচনি সম্পৰ্কতো মন্ত্ৰীগৰাকী অচিৰেই কলিয়াবৰলৈ আহি কামৰ অগ্ৰগতিৰ বুজ ল'ব বুলি জনাই সংবাদ মাধ্যমক। যিহেতু বাৰিষা কালত এনে কাম কৰা সম্ভৱ নহয়, সেয়ে সমাগত খৰালিত কলংমুখৰ শ্লুইচ গে'ট নিৰ্মাণৰ কাম খৰতকীয়াকৈ কৰিব পৰা যাব বুলি জনায়। উল্লেখ্য যে, কলঙক বোৱাই নিয়াৰ আঁচনিৰ কাম-কাজ অতি লেহেমীয়া গতিত চলি থকাত অসন্তুষ্ট কলিয়াবৰীয়া ৰাইজ। আনহাতে, ডিমা-হাচাও জিলাৰ ভয়াৱহ পৰিৱেশ এতিয়া উন্নত হোৱা বুলিও দাবী কৰে মন্ত্ৰীগৰাকীয়ে। ইতিমধ্যে দুগৰাকী মন্ত্ৰীয়ে লগতে চলিত বৰ্ষৰ বানত জলসম্পদ বিভাগৰ মাত্ৰ এটা মথাউৰি মঙলদৈত ভগা বুলি কয় মন্ত্ৰী পীযূষ হাজৰিকাই। বৰ্তমানৰ ৰাজ্যখনৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপট সম্পৰ্কত জানিব বিচৰাত মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে, অসমত লাহে লাহে কংগ্ৰেছ দলটো নাইকিয়া হৈ গৈছে। কংগ্ৰেছ দলৰ গুৱাহাটীত থকা কাৰ্যালয় ব্যৱসায়িক ভৱন হ'লে ভাৱা দি অন্ততঃ দলটো চলিব পাৰিব। লাহে লাহে কংগ্ৰেছৰ ভোট আপ, এআইইউডিএফ, এজেপিলৈ গৈছে বুলিও কয় মন্ত্ৰীগৰাকীয়ে। আনহাতে, সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে, 'বিৰোধী দলৰ বিকল্প ওলালেও বিজেপিৰ বিকল্প কোনো নহয় আৰু ২০ বছৰলৈ বিজেপি চৰকাৰেই থাকিব।' আজি কলিয়াবৰ মহকুমাধিপতি কাৰ্যালয়ত উপস্থিত হৈ চৰকাৰী বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হৈছিল মন্ত্ৰী পীযূষ হাজৰিকা।

## ৩ বছৰেও সম্পূৰ্ণ নহ'ল দলং

বিটিচি চৰকাৰ, স্থানীয় বিধায়ক, গড়কাপ্তানী বিভাগ আৰু লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধেও প্ৰতিবাদত উত্তাল হৈ পৰে গঞা ৰাইজে। উল্লেখ্য যে তিনি বছৰ পূৰ্বে তদানীন্তন বিপিএফৰ নেতৃত্বাধীন বিটিচি চৰকাৰৰ দিনত বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত সাউদৰভিঠাৰ পৰা ৰামাচাৰটাৰী-মহাৰাণীলৈ যোৱা পথৰ ৰামাচাৰটাৰীত পকী দলঙৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল। কিন্তু চৰকাৰী লোক নিৰ্মাণ বিভাগ আৰু দলং নিৰ্মাণ কৰা সংশ্লিষ্ট ঠিকাদাৰৰ ব্যাপক অনিয়ম-অনীতিৰ বাবেই নিৰ্মাণ কাৰ্য আৰম্ভৰ তিনি বছৰ পিছতো দলং সম্পূৰ্ণ হৈ নুঠিল। ফলত এই পথেৰে যাতায়াত কৰা ৩০-৪০খন গাঁৱৰ ৰাইজে যাতায়াতত দুৰ্ভোগ ভুগি থকাত ৰাইজ ক্ষুব্ধ হৈ পৰে। সেই মৰ্মে আজি ৰামচাৰটাৰী অঞ্চলৰ ৰাইজে তিনি বছৰ ধৰি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱা অৰ্ধনিৰ্মিত দলঙৰ ওচৰত পথৰ ওপৰতে চৰকাৰ, ঠিকাদাৰ, লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে অধিক সৰৱ হৈ প্ৰতিবাদত নামি পৰে। দিনৰ দহ বজাৰ পৰা এঘাৰ বজালৈ অসম চৰকাৰ হায় হায়, বিটিআৰ চৰকাৰ মুৰ্দাবাদ, বিধায়ক ফণীধৰ তালুকদাৰ হায় হায়, ঠিকাদাৰ লক্ষ্মীকান্ত গয়াৰী গ'বেক আদি বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদী ৰাইজে। দৈনিক শ শ স্কুল - কলেজীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, ব্যৱসায়ী আহ-যোৱা কৰা সাউদৰভিঠা - ৰামছাৰটাৰী সংযোগী পথটোৱে দুৰৱস্থাৰ বাবে ইতিমধ্যে কেইবাটাও দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে মৃত্যুমুখত পৰিছে কেইবাজনো লোক। স্থানীয় ৰাইজে দলংখনৰ নিৰ্মাণ কাম সম্পূৰ্ণ কৰিবলৈ ইতিমধ্যে বাক্সা জিলাৰ উপায়ুক্ত, বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়ক ফণীধৰ তালুকদাৰক অৱগত কৰিছিল যদিও অদ্যাপি কোনো ধৰণৰ সুফল লাভ কৰা নাই স্থানীয় ৰাইজে। সম্প্ৰতি নিৰ্মীয়মান দলঙৰ কাষতে কেইখনমান সাধাৰণ কাঠৰ কেইটামান টুকুৰাৰ ওপৰেৰে বিপদসংকুল যাতায়াত অব্যাহত ৰাখিছে। যিকোনো মুহূৰ্তত উক্ত স্থানত ভয়ংকৰ বিপদৰ আশংকা কৰি শীঘ্ৰে পথছোৱা সুচল কৰি তুলিবলৈ দাবী উত্থাপন কৰে স্থানীয় ৰাইজে।

## লখিমপুৰত হেণ্ডকাপসহ

সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। তেনে সময়তে লখিমপুৰ আদালতৰ পৰা এটা ড্ৰাগছ সৰবৰাহকাৰীয়ে পলাবলৈ চেষ্টা কৰা ঘটনাই আদালতত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। প্ৰাপ্ত তথ্য মতে যোৱা ১৮ মে'ত জিলাখনৰ চিৰণীবাৰী আৰক্ষীয়ে অজয় সোণোৱাল নামৰ ড্ৰাগছ পেডেলাৰ এজনক গ্ৰেপ্তাৰ কৰাৰ পিছত কালি আন দুজনৰ লগত অজয় সোণোৱালক আদালতত হাজিৰ কৰাবলৈ আনে। এনে সময়তে অজয় সোণোৱালে আৰক্ষীৰ চকুত ধূলি দি হেণ্ডকাপসহ আদালত চৌহদৰ পৰাই পলায়ন চেষ্টা কৰে। পিছত আৰক্ষী আৰু স্থানীয় লোকে আদালত চৌহদৰ ভিতৰৰ পৰা ড্ৰাগছ পেডেলাৰ অজয় সোণোৱালক ধৰি আনিবলৈ সক্ষম হয়। একাংশই ড্ৰাগছ পেডেলাৰজনক পলায়নস্থলীতে উত্তম-মধ্যম দিয়ে। কালি বিয়লি ৫ বজাত সংঘটিত এই ঘটনাই আদালত চৌহদত যথেষ্ট আমোদৰ সৃষ্টি কৰে।

## ৰুকাছেন মহাবিদ্যালয়ত

কৰা হয়। ভাৱপ্ৰাপ্ত বিষয়া নিতুচৰণ দত্তৰ তত্ত্বাৱধানত অনুষ্ঠিত আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ৪২৮গৰাকী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰে। আজিৰ নিৰ্বাচনী প্ৰশিক্ষণ কাৰ্যসূচীত ৰাকেশ হাজৰিকা, ভজিপ্ৰাণ গগৈ, কৰ্ণেল টৈৰ্ণ, সমুজ্জ্বল বৰা, শুভ্ৰ দাস, মুকুট লস্কৰ, লক্ষ্মীকান্ত হাইনাৰী, পলাশ নাথ, মিথুন ৰয়, প্ৰশান্ত মুহাহাৰী, নাৰায়ণ দত্ত আৰু এম আলীয়ে নিৰ্বাচনী প্ৰশিক্ষণ প্ৰদান কৰে। কাইলৈও দ্বিতীয় দিনৰ বাবে অনুষ্ঠিত হ'বলগীয়া উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ২৪২ গৰাকী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰিব। লগতে ১০গৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰিব বুলি প্ৰশিক্ষণ বিভাগৰ ভাৱপ্ৰাপ্ত বিষয়া নিতুচৰণ দত্তই সংবাদ মাধ্যমক জানিবলৈ দিছে।

## মুকলি আকাশৰ তললৈ

ন্যায়ালয়ৰ কাষ চাপিছিল ইন্দ্ৰাণীয়ে। ২০১২ চনত কন্যা শ্বীনা বৰাক হত্যা কৰাৰ অভিযোগত অভিযুক্ত প্ৰাক্তন মিডিয়া কাৰ্যবাহী ইন্দ্ৰাণী মুখাৰ্জীক উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ এদিন পিছত আজি জামিনত মুক্তি দিয়া হয়। জামিনৰ কাগজ-পত্ৰ সময় মতে সম্পূৰ্ণ কৰিব নোৱাৰ বাবেই কালি তেওঁক মুক্তি দিব পৰা হোৱা নাছিল। ইন্দ্ৰাণী মুখাৰ্জীয়ে যাতে দেশ এৰি নাযায় বা সাক্ষীৰ সৈতে যোগাযোগ নকৰে সেই চৰ্তত আদালতে তেওঁক জামিন মঞ্জুৰ কৰিছে। ইন্দ্ৰাণী মুখাৰ্জীৰ স্বামী পিটাৰ মুখাৰ্জীকো একেটা গোচৰতে গ্ৰেপ্তাৰ কৰা হৈছিল যদিও তেওঁক ২০২০ চনত জামিনত মুক্তি দিয়া হৈছিল। উল্লেখ্য, শ্বীনা বৰা হত্যাকাণ্ডৰ মুখ্য অভিযুক্ত ইন্দ্ৰাণী মুখাৰ্জীক ১৮ মে'ত উচ্চতম ন্যায়ালয়ে জামিন প্ৰদান কৰিছিল। ন্যায়াধীশ এল নাগেশ্বৰ ৰাওৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে কয় যে শ্বীনা বৰা হত্যাকাণ্ড গোচৰৰ বিচাৰ সোনকালেই সম্পূৰ্ণ কৰা সম্ভৱ নহ'ব। বিচাৰপীঠে জামিন মঞ্জুৰ কৰাৰ সময়ত কয়, 'আবেদনকাৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ হ'ল যে তেওঁ পিটাৰ মুখাৰ্জী আৰু তেওঁৰ আগৰ পত্নীৰ পুত্ৰ ৰাহুল মুখাৰ্জীৰ সৈতে তেওঁৰ জীয়ৰ লিভ-ইন সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি হত্যাৰ পৰিকল্পনা কৰিছিল।' 'আমি গোচৰটোৰ গুণাগুণৰ ওপৰত কোনো মন্তব্য কৰা নাই। আনকি যদি ৫০ শতাংশও সাক্ষীক গোচৰৰ সাক্ষ্য লোৱা হয়, তেতিয়াও সোনকালে বিচাৰ শেষ নহ'ব। বিচাৰ আদালতৰ সন্তুষ্টি সাপেক্ষে মুখাৰ্জীক জামিনত মুক্তি দিয়া হ'ব। পিটাৰ মুখাৰ্জীৰ ওপৰত আৰোপ কৰা একেই চৰ্ত মুখাৰ্জীৰ ওপৰত আৰোপ কৰা হ'ব।'— ন্যায়াধীশ বি আৰ গাভাই আৰু এ এছ বোপান্নাক লৈ গঠিত বিচাৰপীঠটোৱে কৈছিল। উল্লেখ্য যে ২০১৫ চনৰ আগষ্টত গ্ৰেপ্তাৰ হোৱাৰ পিছৰে পৰা ইন্দ্ৰাণী মুখাৰ্জীয়ে মুম্বাইৰ বাইকুল্লা মহিলা কাৰাগাৰত বন্দী আছিল। হত্যাৰ গোচৰৰ বিচাৰ চলাই থকা চিবিআইৰ এখন বিশেষ আদালতে কেইবাবাৰো মুখাৰ্জীৰ জামিন প্ৰত্যাখ্যান কৰিছিল। ২০১২ চনৰ এপ্ৰিলত ইন্দ্ৰাণী মুখাৰ্জী, তেওঁৰ তেতিয়াৰ গাড়ীচালক শ্যামবৰ ৰায় আৰু প্ৰাক্তন স্বামী সঞ্জীৱ খান্নাই ২৪ বছৰীয়া শ্বীনা বৰাক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰাক্তন মিডিয়া এবেন পিটাৰ মুখাৰ্জীকো ষড়যন্ত্ৰৰ অংশ হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। ২০২০ চনৰ ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ে তেওঁক জামিন প্ৰদান কৰিছিল।

## লালু প্ৰসাদ যাদৱৰ বিৰুদ্ধে

লাভ কৰাৰ কিছুদিন পিছতে এইবাৰ আন এক দুৰ্নীতিৰ গোচৰত সাঙোৰ খাইছে লালুপ্ৰসাদ যাদৱ। আৰ জে ডিৰ মুৰব্বী লালুৰ বিৰুদ্ধে ২০০৪ৰ পৰা ২০০৯ চনৰ ভিতৰত ৰে'ল মন্ত্ৰীৰূপে কাৰ্যকালত নিযুক্তি অনিয়মৰ অভিযোগত এটা নতুন দুৰ্নীতিৰ গোচৰ ৰুজু কৰিছে চি বি আই-এ। যাদৱৰ উপৰি তেওঁৰ পত্নী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰাবৰী দেৱী, কন্যা তথা ৰাজ্যসভাৰ সাংসদ মিছা ভাৰতী আৰু পৰিয়ালৰ আন কিছু সদস্যক এই নতুন গোচৰত অভিযুক্ত হিচাপে অভিযোগ দাখিল কৰা হৈছে। চিবিআই-এ আজি পুৱাৰে পৰা এই গোচৰ সন্দৰ্ভত লালুপ্ৰসাদ যাদৱৰ বাসভৱনকে ধৰি ১৫টা স্থানত তালাচী চলাইছে। চিবিআইৰ অভিযোগ অনুসৰি ৰে'ল মন্ত্ৰীৰূপে কাৰ্যকালত লালু যাদৱ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে ৰে'লৰ চাকৰি দিয়াৰ বাবে ভূমি আৰু আন সম্পত্তি উৎকোচ হিচাপে গ্ৰহণ কৰিছিল। উল্লেখ্য যে যোৱা ২২ এপ্ৰিলত ১৩৯ কোটি টকাৰ ডৰাণ্ডা ট্ৰেজাৰী কেলেংকাৰীৰ গোচৰত ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে লালুক জামিন প্ৰদান কৰিছিল। চিবিআইৰ এখন বিশেষ আদালতে ফেব্ৰুৱাৰীত উক্ত গোচৰত পাঁচ বছৰৰ কাৰাদণ্ডৰ লগতে ৬০ লাখ টকাৰ জৰিমনা আৰোপ কৰিছিল। আনহাতে, লালুৰ বিৰুদ্ধে এই নতুন গোচৰক ষড়যন্ত্ৰ আখ্যা দিছে আৰজেডি-এ। উল্লেখ্য, কিছুদিন পূৰ্বে ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে ৰাষ্ট্ৰীয় জনতা দলৰ মুৰব্বী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱক ১৩৯ কোটি ডৰাণ্ডা ট্ৰেজাৰী কেলেংকাৰিৰ গোচৰত জামিন প্ৰদান কৰিছিল। যোৱা ফেব্ৰুৱাৰীত পশুখাদ্য কেলেংকাৰিৰ গোচৰত লালুপ্ৰসাদ যাদৱক ১৩৯ কোটি টকা আত্মসাতৰ অভিযোগত চিবিআই আদালতে দোষী সাব্যস্ত কৰিছিল। তাৰ পিছৰে পৰা বৰ্তমানলৈকে জিম্মাত আছে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী। উল্লেখ্য যে ২১ ফেব্ৰুৱাৰীত লালুক পশুখাদ্য কেলেংকাৰিৰ পঞ্চম গোচৰত দোষী সাব্যস্ত কৰি চিবিআই আদালতে পাঁচ বছৰৰ কাৰাদণ্ড আৰু ৬০ লাখ টকাৰ জৰিমনা বিহিছিল।

## পুনৰ কৰিব পাৰমাণৱিক অস্ত্ৰ

চলাব পাৰে বুলি খবৰ ওলাইছে। দক্ষিণ কোৰিয়াৰ এগৰাকী নেতাই এই কথা সদৰী কৰে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বাইডেনে এই সপ্তাহতে দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউল ভ্ৰমণ কৰাৰ কথা আছে। আমেৰিকাই আশংকা কৰিছে যে উত্তৰ কোৰিয়াই নেতা কিম জং-উনে সেই সময়তে পাৰমাণৱিক অস্ত্ৰ পৰীক্ষা চলাব পাৰে। দক্ষিণ কোৰিয়াৰ চোৱাংচেয়া সংস্থা ৰাষ্ট্ৰীয় চোৱাংচেয়া সেৱাই শেহতীয়াকৈ উত্তৰ কোৰিয়াৰ পাৰমাণৱিক অস্ত্ৰ পৰীক্ষাৰ বিষয়ে তথ্য প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চোৱাংচোৱাৰ ধাৰণা যে ৰাষ্ট্ৰপতি বাইডেনৰ এছিয়া ভ্ৰমণৰ সময়ত উত্তৰ কোৰিয়াই দীৰ্ঘ দূৰত্বৰ ক্ষেপণাস্ত্ৰ বা পাৰমাণৱিক অস্ত্ৰ, হয়তো দুয়োটাই পৰীক্ষা কৰিব পাৰে। হোৱাইট হাউছৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক চুলিভানে কয়, 'ৰাষ্ট্ৰপতি বাইডেনৰ দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণৰ সময়ত আমি সকলো সম্ভাব্য ঘটনাৰ কথা আগত ৰাখি প্ৰস্তুতি গ্ৰহণ কৰিছো।' বাইডেনৰ পাঁচদিনীয়া এছিয়া ভ্ৰমণৰ কেন্দ্ৰবিন্দু হ'ব চীন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে চীনক প্ৰতিহত কৰিবলৈ মিত্ৰৰাষ্ট্ৰক দিয়া প্ৰতিশ্ৰুতিৰ নিশ্চয়তা প্ৰদান কৰিব। কিম ইয়ো জঙে কৈছিল যে যদিহে দক্ষিণ কোৰিয়াই উত্তৰ কোৰিয়াক আক্ৰমণ কৰে, তেতিয়া উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়াৰ সেনাক সম্পূৰ্ণৰূপে বিনাশ কৰিবলৈ পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ কৰিব। দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা প্ৰধান চুহ ৱুকে কৰা মন্তব্যৰ পিছতে কিম ইয়ো জঙে এইদৰে প্ৰত্যুত্তৰ দিয়াৰ ঘটনাই তাৎপৰ্য বহন কৰিছিল। চুহে দক্ষিণ কোৰিয়াৰ সামৰিক বাহিনীৰ ওচৰত উত্তৰ কোৰিয়াৰ মিছাইলৰ লক্ষ্যত সঠিকভাৱে আৰু দ্ৰুততাৰে আঘাত কৰাৰ সামৰ্থ্য থকা মিছাইল আছে বুলি মন্তব্য কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত কিম ইয়ো জঙে কয় যে উক্ত চুহ ৱুকৰ পাৰমাণৱিক শক্তিৰ উত্তৰ কোৰিয়াৰ প্ৰতি প্ৰাক-আক্ৰমণৰ বিষয়ে আলোচনা কৰাটো আটাইতকৈ ডাঙৰ ভুল। তেওঁ লগতে কৈছিল, 'যদি দক্ষিণ কোৰিয়াই আমাৰ সৈতে সামৰিক সংঘৰ্ষ সিদ্ধান্ত লয়, তেতিয়া আমাৰ পাৰমাণৱিক যুঁজাৰু বাহিনীয়ে অৱশেষ নিজৰ কৰ্তব্য পালন কৰিব লাগিব।' যদি দক্ষিণ কোৰিয়াই এই দুৰ্যোগ প্ৰতিহত কৰিব বিচাৰে তেতিয়া নিজকে শাসন কৰা উচিত বুলিও দক্ষিণ কোৰিয়াক সতৰ্ক কৰি দিছিল ইয়ো জঙে।

## ৫,৭০০ ফুট উচ্চতাত ৫০০

৭ কিলমিটাৰ দৈৰ্ঘ্য পথ ৩০ মিনিটত চমু হৈ পৰিব যাত্ৰীৰ বাবে। ডাঠ কুঁৱলীৰ মাজেৰে কৰিবলগীয়া হোৱা কষ্টদায়ক যাত্ৰাৰ পৰাও যাত্ৰীয়ে সকাহ পাব। অৰুণাচলৰ পশ্চিম কামেং জিলাত নিৰ্মাণ কাৰ্য চলি থকা নেচিফু সুৰংগৰ আকাৰ ইংৰাজী বৰ্ণমালাৰ 'D' দৰে আৰু ইয়াৰ কাম ২০২২ ৰ ছেপ্টেম্বৰ মাহত সম্পূৰ্ণ কৰি যাত্ৰীৰ বাবে মুকলি কৰাৰ সম্ভাৱনা আছে বুলি জানিব দিয়ে প্ৰজেক্ট ভৰ্তকৰ মুখ্য অভিযন্তা ব্ৰিগেডিয়াৰ হৰিষ কুমাৰে। সুৰংগটোৰ কাম সম্পূৰ্ণ হ'লে উক্ত পথেদি চীন সীমান্ত টাৱাংলৈ যোৱা ৭ কিলমিটাৰ দৈৰ্ঘ্য পথ চমু হৈ পৰিব যাত্ৰীৰ বাবে। এই সুৰংগৰে সেনাবাহিনীৰ যাতায়াত সুচল হৈ পৰিব। ডাঠ কুঁৱলীৰ মাজেৰে সেনা বাহিনীৰ লোকসকলে কৰিবলগীয়া হোৱা কষ্টদায়ক যাত্ৰাৰ পৰাও সকাহ পাব। দুই লেনযুক্ত সুৰংগটোত এটা নলা, ৱাটাৰ প্ৰুফিং আৰু অগ্নি নিৰ্বাপক প্ৰণালী থাকিব আৰু সকলো প্ৰকাৰৰ অত্যাধুনিক সুবিধা সংযোগ হ'ব। এই টানেল অথবা সুৰংগ পথৰ জৰিয়তে ভাৰতীয় সেনা যিদৰে উপকৃত হ'ব, ঠিক তেনেদৰেই অসম-অৰুণাচলৰ বাসিন্দা তথা পৰ্যটকসকলৰ বাবেও সুচল যাতায়াত সম্ভৱ হৈ পৰিব।

## কুকুৰাৰ খলিহৈতে ৪ হাজাৰ

পানীৰ তলত বুৰাই ৰাখিছে। উল্লেখ্য যে, অঞ্চলটো বানৰ কবলত পৰাৰ পিছতে বৰো ধানৰ খেতি কৰা খেতিয়কসকলে মূৰে-কপালে হাত দিছে। কাৰণ পকা ধান কাটিবৰ বাবে প্ৰস্তুতি চলাই থকাৰ সময়তে অহা আগতীয়া বানত বুৰ গৈ থকা ধান সম্পূৰ্ণৰূপে নষ্ট হ'ব। যাৰ বাবে বৃহত্তৰ অঞ্চলটোৰ চহা কৃষকসকলৰ জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল খেতি ভৰাৰ সপোন ভাঙি চূৰমাৰ হোৱাৰ শংকাত প্ৰতিটো পল অতিবাহিত হৈ আছে। প্ৰণিধানযোগ্য যে, বানপীড়িত অঞ্চলটো বাৰিষা পানীৰ তলত বুৰ গৈ থকা বাবে খেতিৰ পৰিবৰ্তে বছৰৰ পিছত বছৰ ইয়াৰ কৃষকসকলৰ জীৱন-জীৱিকাৰ সম্বল হিচাপে বৰো ধানৰ খেতিৰ ওপৰতে নিৰ্ভৰ কৰি আহিছে। কিন্তু পৰিতাপৰ বিষয়, বৃহত্তৰ অঞ্চলটোৰ প্ৰায় চাৰি হাজাৰ বিঘা বৰো ধানৰ পথাৰ বুৰাৰ ফলত এইবেলি কৃষকসকলে ধান চপাব নোৱাৰিব। যাৰ বাবে বান অধ্যুষিত বৰো ধানৰ খেতিপথাৰসমূহ পৰিদৰ্শন কৰিবলৈ স্থানীয় প্ৰশাসনৰ বিষয়া আজিলৈকে উপস্থিত কিম্বা কৃষি বিভাগৰ কোনো বিষয়া-কৰ্মচাৰী বাতৰি লিখাৰ সময়লৈ উপস্থিত হোৱা নাই। তেনে পৰিস্থিতিত উপায়হাৰা বৰো ধানৰ খেতিয়কসকলে সংবাদ মাধ্যম জৰিয়তে চৰকাৰী পক্ষৰ সু-দৃষ্টি কামনা কৰিছে।

# তেজপুৰত মন্ত্ৰী পীযূষ হাজৰিকাই বুজ ল'লে বান পৰিস্থিতিৰ

### ৰাজ্যৰ ২৫ টা সমষ্টিৰ বান পৰিস্থিতি অতি শোচনীয় ঃ এই পৰ্যন্ত জলসম্পদৰ এটা মথাউৰি ক্ষতিসাধন হৈছে ঃ বান সাহায্য প্ৰদানৰ গুৰুত্ব আৰোপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ মে'** ঃ সম্প্ৰতি ৰাজ্যৰ ২৫ টা বিধানসভা সমষ্টি এলেকাৰ বান পৰিস্থিতি অতি শোচনীয়। ইয়াৰে বৰাক উপত্যকাৰ ১৬ টা সমষ্টি বানৰ কবলত পৰি অৱস্থা শোচনীয় হৈ পৰিছে। এই অভাৱনীয় বান পৰিস্থিতি মোকাবিলা কৰা উদ্দেশ্যে সংশ্লিষ্ট বিভাগ আৰু জিলা প্ৰশাসনসমূহক তৎপৰতাৰে বিহীত ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰা হৈছে। আজি তেজপুৰত এই মন্তব্য কৰে জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই। উল্লেখ্য যে, শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী হাজৰিকাই আজি তেজপুৰস্থ উপায়ুক্ত কাৰ্যালয়ত এখন বৈঠকত অংশগ্ৰহণ কৰি সাম্প্ৰতিক কালৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে শোণিতপুৰৰ সৰ্বাংগীন বিকাশৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা, ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা প্ৰমুখ্যে সংশ্লিষ্ট বিভাগৰ জিলা মুৰব্বীসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে আলোচনাত মিলিত হৈ বান পৰিস্থিতি মোকাবিলাৰ বাবে বান সাহায্যকে ধৰি অন্যান্য বিষয় সন্দৰ্ভত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। এই পৰ্যালোচনা সভাৰ অন্তত আয়োজিত এক সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয় যে, সাধাৰণতে এই সময়ছোৱাত প্ৰতিদিনে ৬০ এম এম মাত্ৰাৰ বৰষুণ হয় যদিও এসপ্তাহ পূৰ্বে ডিমা হাচাও এলেকাত ৪৬১ এম এম মাত্ৰাৰ বৰষুণ হোৱাত উক্ত বৃহত্তৰ অঞ্চলত ব্যাপক ক্ষতিসাধন হোৱাৰ লগতে নামনিৰ বৃহত্তৰ অঞ্চলো জলমগ্ন হৈ পৰে। এই পৰ্যন্ত জলসম্পদ বিভাগৰ দ্বাৰা নিৰ্মীত এটা মথাউৰি ক্ষতিসাধান হৈছে যদিও অত্যধিক বৰষুণৰ বাবে অঞ্চল বিশেষৰ বাঢ়নী পানী মথাউৰি আৰু ৰাস্তাৰ ওপৰেদিও বৈ গৈছে। ২০০০ চনৰ পৰা ২০২০ চনলৈ বাৰিষা কালত ৰাজ্যত বছৰি গড়ে ৪০ টাকৈ মথাউৰি ভাঙিছিল। ২০০৪ চনৰ ভৰ বাৰিষাত ৩৫৪ টা মথাউৰি ভাঙিছিল। যোৱা বছৰ এটা মথাউৰি ভাঙিছে যদিও এই পৰ্যন্ত এটাও ভঙা নাই। ৪০-৫০ বছৰ পূৰ্বে মথাউৰিসমূহ মেৰামতিৰ বাবে ব্যৱস্থা অব্যাহত ৰখা হৈছে। সাম্প্ৰতিক বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগ দিনে নিশাই কৰ্মত নিয়োজিত হৈ আছে আৰু বানপীড়িতসকলক যথাসাধ্য সাহায্য প্ৰদানৰ বাবেও চৰকাৰৰ তৰফৰ পৰা গুৰুত্ব প্ৰদান কৰা হৈছে।

## কংগ্ৰেছৰ মুখ্য কাৰ্যালয়

গুৰুত্ব নাই। যিসকল ভাল আছিল তেওঁলোকো কংগ্ৰেছৰ পৰা গুচি গ'ল। কংগ্ৰেছত এতিয়া মানুহ কিমান আছে। যিসকল আছে তেওঁলোকো মনোকষ্টত আছে। মই এনে বহু বিধায়কক জানো যিসকল বৰ কষ্টত আছে। তেওঁলোক উপাই নাপাই আছে দলটোত। বিজেপিত ইতিমধ্যে একাংশই যোগদান কৰিলেই। বাকীসকলো ভৱিষ্যতে আম আদমী পাৰ্টি, অখিল গগৈ দলত বা এ আই ইউ ডি এফত যোগদান কৰিবলৈ বেছি দিন নাই। মুঠৰ ওপৰত অনাগত দিনত কংগ্ৰেছ নাইকীয়া হ'ব বুলিও প্ৰধান বিৰোধী দলটোক আজি তেজপুৰত তীব্ৰ ভাষাৰে কটাক্ষ কৰে মন্ত্ৰী পিযুষ হাজৰিকাই।

## দিনে-নিশাই সহায়ৰ বাবে

ৰাইজৰ আলৈ-আহুকালৰ সীমা নোহোৱা হৈ পৰিছে। গাঁওসমূহত ঘৰৰ ভিতৰত একঁকাললৈ পানী সোমোৱাৰ লগতে ভঁৰালৰ ধান পানীয়ে নষ্ট কৰি পেলাইছে। গৰু-ছাগলীৰ খাদ্যৰ সংকটত আধা মৰা হৈ পৰিছে। তদুপৰি বিশুদ্ধ খোৱাপানীৰ অভাৱে জীয়াতু ভোগাইছে বাধাগ্ৰস্ত লোকসকলক। শৌচ-প্ৰস্ৰাৱ কৰিবলৈ ঠাই নাই বান ক্ষতিগ্ৰস্ত ঠাইবোৰত। অঞ্চলটোৰ দুৰদুৰীয়াত ২০০৪ চনতে দিমীলা নদীৰ বাঢ়নী পানীৰ সোঁতে প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিঙি পেলোৱাৰ পিছত মথাউৰিটো বিগত ওঠৰটা বছৰে মেৰামতি নোহোৱাকৈ পৰি থকাত নদীখনৰ পানী বাঢ়িলেই ওভতনি পানী সোমাই দুৰদুৰীয়াৰ লগতে বহুকেইখন গাঁও বুৰাই পেলায়। নদীখনৰ নিচেই ওচৰৰ আৰু অতিকৈ দ' হোৱা হেতুকে নদীৰ পানীয়ে দুৰদুৰীয়া গাঁওখনক প্ৰতি বছৰে ডুবাই পেলায়। তদ্ৰুপ এইবাৰো সম্প্ৰতি গাঁওখনক দিমীলা নদীৰ পানীয়ে বুৰাই পেলাইছে। পূৰ্বৰে পৰা তিনিখন বাঁহৰ সাঁকোৰ মাজত আবদ্ধ গাঁওখনৰ লোকসকল বানে বাঁহৰ সাঁকোসমূহক বুৰাই পেলোৱাত একপ্ৰকাৰে জলবন্দী জীৱন কটাবলগীয়া হৈছে গাঁওখনৰ লোকসকলে। ইফালে ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে বাধাপ্ৰাপ্ত লোকসকলক উদ্ধাৰ আৰু সাহায্যৰ কামত দিনে-নিশাই ব্যস্ত হৈ থকা পৰিলক্ষিত হৈছে। বাধাপ্ৰাপ্ত লোকসকলে চৰকাৰ তথা বিভাগৰ পৰা জৰুৰীভাৱে উপযুক্ত সহায় আৰু সাহায্য যোগান ধৰিবলৈ অনুৰোধ জনাইছে।

## গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান

শুভাৰম্ভ কৰে। উল্লেখ্য যে উক্ত প্ৰকল্পৰ জৰিয়তে কামৰূপ জিলাত ৩০ লাখ গছপুলি ৰোপণৰ পদক্ষেপ লোৱা হ'ব। আজিৰ এই অনুষ্ঠানতে ৭টা প্ৰতিষ্ঠানৰ সৈতে ষ্টাৰ্ট আপৰ এক উপযুক্ত পাৰিপাৰ্শ্বিক বাতাবৰণ গঢ়ি তোলাৰ বাবে বুজাবুজিৰ চুক্তিৰো হস্তান্তৰ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় শিক্ষা, দক্ষতা উন্নয়ন তথা উদ্যমিতা দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজিৰ দিনটোক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰে। কিয়নো আজিৰ দিনটোতে ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চল গৱেষণা সন্মিলন অনুষ্ঠিত হোৱাৰ উপৰি গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যানত অসম জৈৱ প্ৰযুক্তি সন্মিলন অনুষ্ঠিত হৈছে। জৈৱ প্ৰযুক্তি তথা জৈৱিক কৃষিৰ দিশত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ সম্ভাৱনীয়তা আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ৰূপান্তৰৰ যাত্ৰা সূচনা কৰাৰ বাবে মুখ্যমন্ত্ৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০০৮ চনৰ জৈৱ প্ৰযুক্তি উদ্যানৰ সপোন আজি প্ৰযুক্তি ইনকুবেশ্বন কেন্দ্ৰ উদ্বোধনৰ জৰিয়তে বাস্তৱায়িত হৈছে বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে অসমে জৈৱ-প্ৰযুক্তিৰ ৰূপান্তৰৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। তদুপৰি কামৰূপত আজি শুভাৰম্ভ কৰা শ্যামলিমা কামৰূপৰ সফলতাৰে গছপুলি ৰোপণৰ এই কাৰ্যসূচী ৰাজ্যখনৰ অন্যান্য অঞ্চললৈ সম্প্ৰসাৰিত কৰা হ'ব বুলি তেওঁ কয়। তদুপৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্মাণ হ'বলগীয়া গৃহ চৌহদত বাণিজ্যিক চাহিদা থকা গছপুলি ৰোপণৰ পদক্ষেপ লোৱা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীক গুৱাহাটীত এখন আই আই এম প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপ লোৱাৰ বাবেও অনুৰোধ জনায়। কামৰূপ জিলাৰ উপায়ুক্ত তথা গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যানৰ মুখ্য কাৰ্যবাহী বিষয়া কৈলাস কাৰ্তিকে আদৰণী ভাষণ প্ৰদান কৰা উক্ত অনুষ্ঠানত বিজ্ঞান, প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, এছ'চিয়েশ্বন অৱ বায়'টেকনল'জি লিড্ এণ্টাৰপ্ৰাইজৰ অধ্যক্ষ জি এছ কৃষ্ণনেও বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ কুইন ওজা, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ সঞ্চালক অধ্যাপক টি জি সীতাৰমনৰ উপৰি বহুসংখ্যক ব্যক্তি উপস্থিত থাকে।

## অভিযুক্ত ২০ আলফা পত্নীক

লাভ কৰি মুকলি আকাশৰ তললৈ আহে যদিও নিষ্পত্তি হোৱা নাছিল তেওঁলোকৰ ওপৰত থকা গোচৰ। উল্লেখ্য যে অবিভক্ত নলবাৰী জিলাৰ তামুলপুৰ থানাত ৰুজু হৈ থকা ২০৩/০৩ নম্বৰৰ গোচৰটো পৰৱৰ্তী সময়ত নলবাৰী জিলা সত্ৰ ও ন্যায়িক দণ্ডাধীশৰ আদালতৰ পৰা বাক্সা জিলা সত্ৰ ও ন্যায়ধীশৰ আদালতলৈ হস্তান্তৰ কৰে। বিগত ১৮ বছৰে গোচৰৰ শুনানিৰ নামত আদালতলৈ তাঁত-বাতি কাঢ়ি ভাগৰি পৰা ২০গৰাকী আলফা নেতাৰ পত্নীক আজি বাক্সা জিলা ও সত্ৰ ন্যায়িক দণ্ডাধীশৰ আদালতে তেওঁলোকৰ ওপৰত থকা গোচৰসমূহ নিষ্পত্তি কৰি দোষমুক্ত বুলি ঘোষণা কৰে। জ্যেষ্ঠ অধিবক্তা গোবিন্দ নাথে বিগত ১৮ বছৰে ন্যায়ালয়ত মহিলাকেইগৰাকীৰ হকে যুক্তি প্ৰদৰ্শন কৰি আহিছিল। আজি বাক্সা জিলা সত্ৰ ও ন্যায়িক দণ্ডাধীশে দুয়োপক্ষৰ শুনানি গ্ৰহণ কৰাৰ পিছত মহিলাকেইগৰাকীৰ ওপৰত থকা ভাৰতীয় দণ্ডবিধিৰ ১২১, ১২১(এ), ১২৩,১২৫ নং ধাৰা আৰু বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনৰ ১০ আৰু ১৩ ধাৰা প্ৰত্যাহাৰ কৰি চূড়ান্ত ৰায় প্ৰদান কৰে। আজি আদালতে দোষমুক্ত ঘোষণা কৰা আলফা নেতাৰ পত্নীসকল হৈছে ক্ৰমে তৃষ্ণা বৰুৱা, শান্তি ৰাজকুমাৰী, প্ৰতিভা গগৈ, হেমা হাঞ্চিপী, পদুমী তিমুংপী, মৃদুলা দত্ত, শ্যামলী গগৈ, ৰূপালী ঠাকুৰীয়া, পদ্মাক্ষী ডেকা, কুসুম দিহিঙীয়া, অৰুণিমা বৰা, মেনকা চেতিয়া, মীৰা শৰ্মা, পম্পী বৰা, বেবী চেত্ৰী, ববিতা দাস, অনিমা দেওঘৰীয়া, গীতাঞ্জলি চক্ৰৱৰ্তী আৰু কমলা চেতিয়া। ইপিনে প্ৰায় ১৮ বছৰৰ পিছত চূড়ান্ত ৰায় লাভ কৰি আলফা নেতাৰ পত্নী কেইগৰাকীয়ে আজি যথেষ্ট সুখী অনুভৱ কৰা বুলি সাংবাদিকৰ আগত মন্তব্য প্ৰকাশ কৰে।

## বিপদ সীমাৰ ১.২৯ মিটাৰ

বিভাগে জনোৱা অনুসৰি নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈ নগাঁও চহৰত আজি বিপদসীমাৰ ১.৩০ মিটাৰ ওপৰেৰে বৈ আছে। কলঙৰ জলপৃষ্ঠ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আনহাতে, ৰহাত কলং নৈ ১.২৯ মিটাৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। কপিলী নৈৰ জলপৃষ্ঠ কিছু পৰিমাণে কমিছে যদিও আজিও কামপুৰত কপিলী নৈ জলপৃষ্ঠ বিপদসীমাৰ ১.৫৬ মিটাৰ ওপৰেৰে বৈ আছে। নগাঁও চহৰৰ শিৰ নগৰ-কলংপাৰ পথ, বৈদ্যটোপ, চকীটুপকে ধৰি কেইবা ঠাইতো কলঙৰ পানীয়ে প্লাৱিত কৰিছে। নগাঁও চহৰৰ ৰাজহুৱা পথাৰ নেহৰুবালিৰ একাংশ কলঙৰ পানীয়ে বুৰাই পেলাইছে। ইপিনে কপিলী, নিশাৰি নৈৰ বাঢ়নী পানীয়ে বৃহত্তৰ নৰ্নৈ, কচুপিট, চেংমাৰা, ঘাগৰীয়ান, দক্ষিণপাট আদি বিভিন্ন অঞ্চল জলমগ্ন কৰিছে। ফলত কেইবা হাজাৰ লোকে বিভিন্ন স্থানত আশ্ৰয় ল'ব লগা হৈছে। খাদ্য-সামগ্ৰীকে ধৰি বন্যাৰ্তৰ অন্যান্য সামগ্ৰী আৰু পশুধনৰ আহাৰক লৈ হাহাকাৰৰ সৃষ্টি হৈছে।

## নিষিদ্ধ ড্ৰাগছ, গাঞ্জা, চোৰাং গৰু ব্যৱসায় আৰু সুদখোৰ ব্যৱসায়ীৰ বিৰুদ্ধে শোণিতপুৰ আৰক্ষীৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ মে'** ঃ শেহতীয়াকৈ শোণিতপুৰত নিষিদ্ধ ড্ৰাগছ-চোৰাং গৰু ব্যৱসায়ী আৰু সুদখোৰৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে আৰক্ষীয়ে। বিগত দুটা দিনত শোণিতপুৰ আৰক্ষীয়ে মিছামাৰীত অভিযান চলাই ছহিতুল ৰহমান আৰু ৰমজান আলীক নিষিদ্ধ গাঞ্জা সহ গ্ৰেপ্তাৰ কৰাৰ লগতে ৰঙাপৰা অঞ্চলৰ দিপালী বসুমতাৰীক গাঞ্জা সহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আনহাতে চাৰিদুৱাৰ আৰক্ষী থানাৰ অঞ্চলত আজি পুৱা পাঁচ মান বজাত অভিযান চলাই ২৩ টা চোৰাং গৰু কঢ়িয়াই অনা বাহন সহ ৰাহিদুল ইছলামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অনুৰূপ ধৰণে তেজপুৰতো ১০ টা চোৰাং গৰু সহ জেহেৰুল ইছলাম আৰু ইনিছ আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, তেজপুৰৰ পূৰ্বাঞ্চলত বিশেষকৈ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত এলেকাত শেহতীয়াকৈ কেবাটাও ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত সোধা এক প্ৰশ্নোত্তৰত অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰিমা দাসে কয় যে, একাংশ ড্ৰাগছ সৰবৰাহকাৰী চক্ৰই কাষৰীয়া নদী পথসমূহ ব্যৱহাৰ কৰি অঞ্চল বিশেষত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে যদিও ইয়াৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে, তেজপুৰ কলিবাৰীৰ মহেন্দ্ৰ কেওঁট নামৰ লোকজনে দৰিদ্ৰ আৰু দুৰ্গতসকলক অতি উচ্চ সুতৰ হাৰত ধন ধাৰলৈ দি শোষণ চলাই আহিছিল। আনকি সুদখোৰ কেওঁটে এই ধাৰ লোৱা লোকসকলৰ এ টি এম কাৰ্ডবোৰো নিজৰ অধীনত ৰাখিছিল। এই সম্পৰ্কত ভুক্তভোগীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰটো পঞ্জীয়নভূক্ত কৰাই কিছুদিন পূৰ্বেই অভিযুক্ত আৰু শোষনকাৰী কেওঁটক গ্ৰেপ্তাৰ কৰিছিল যদিও শাৰীৰিক অসুস্থতাৰ অজুহাত দেখুৱাই চিকিৎসাধীন হৈ আছিল বুলি অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে সদৰি কৰি অভিযুক্ত কেওঁটক ন্যায়িক আদালতত হাজিৰ কৰোৱাই আজি জেল হাজোতলৈ প্ৰেৰণ কৰা হয় বুলি স্থানীয় সাংবাদিকসকলক জানিবলৈ দিয়ে।

### মুছলপুৰত ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত পথ সুৰক্ষা সজাগতা কাৰ্যসূচী

## ককলাবাৰীৰ উপ-নিৰ্বাচনত ইউপিপিএল জয়ী হ'ব ঃ ইউ জি ব্ৰহ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২০ মে'** ঃ বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা জয়ী হৈছিল বিটিচিপ্ৰধান প্ৰমোদ বড়ো। তেওঁ দুখন আসনত জয়ী হোৱা বাবে কোকলাবাৰী সমষ্টিৰ পৰা পদত্যাগ কৰাৰ পৰিপেক্ষিতত নিৰ্বাচন আয়োগে সমষ্টিটোত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰে । অহা ৮ জুনত বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন। ইতিমধ্যে এই উপ-নিৰ্বাচনক লৈ উঠিপৰি লাগিছে প্ৰতিটো ৰাজনৈতিক দলে। শাসনাধিষ্ঠিত ইউ পি পি এল দলে অদ্যাপি ঘোষণা কৰা নাই প্ৰমোদ বড়োৰ উত্তৰসুৰী। ইয়াৰ মাজতে আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই মুছলপুৰত সাংবাদিকৰ আগত কয় যে উপ-নিৰ্বাচনত শাসনাধিষ্ঠিত ইউপিপিএল দলৰ বাহিৰে আন দলৰ প্ৰাৰ্থী বিজয়ী হ'ব নোৱাৰে। কাৰণ এই সমষ্টিটো ২০১৫ চনৰ পৰা ইউ পি পিএল দলৰ দখলত আছে । সেয়ে এইবাৰৰ উপ-নিৰ্বাচনতো ইউপিপিএল দলে শেষ হাঁহি মাৰিবলৈ সক্ষম হ'ব । দুই-এদিনতে দলে সমষ্টিটোত প্ৰাৰ্থী ঘোষণা কৰিব । আজাদী কা অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি বাক্সাৰ সদৰ মুছলপুৰত আজি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তাসকলে ৰূপায়ণ কৰা সুৰক্ষিত ভাৰতৰ পথ সুৰক্ষা সজাগতা কাৰ্যসূচীত অংশ লয় মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই । উল্লেখ্য যে কাৰ্যসূচীৰ আৰম্ভণি হিচাপে গুৱাহাটীৰ পৰা উলিওৱা বাইক ৰেলীৰ দলটোক উষ্ম আদৰণি জনায়। এই উপলক্ষে মুছলপুৰ সাংস্কৃতিক প্ৰকল্পত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সজাগতা সভাত কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্মই অংশ লৈ কয় যে পথ সুৰক্ষা মানে জীৱন ৰক্ষা। জৰিমনাৰে মানুহৰ স্বভাৱ সলনি কৰিব নোৱাৰি। নিজৰ মাজতে আমাৰ প্ৰয়োজনীয়তা নাই । সৰুৰে পৰা অভ্যাস কৰিব লাগে। বয়স হ'লে সলনি কৰিব টান। প্ৰথমে মনটো বান্ধিব লাগিব। নিজৰ ভুলটো নাচাই আমি আনৰ ভুলটোহে দেখো। মটৰচাইকেল চলাওঁতে নিয়ন্ত্ৰণত ৰাখিব লাগে। বহুতে পিছৰ ছিটত বহি কম স্পীডত চলোৱা বাবে ড্ৰাইভাৰক অপমান কৰে। নিজৰ লগতে আনৰ জীৱনকো মৰম কৰিব লাগে। নিজক নিয়ন্ত্ৰণ কৰিব লাগে। সজাগতা সভাত বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, জিলা পৰিবহণ বিষয়া আচিফ আহমেদ, বাক্সাৰ উপ-আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি কলিতা, প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ ৰাজযোগিনী ব্ৰহ্মকুমাৰী জোনালী উপস্থিত থাকে।

## খগৰপুৰত যাত্ৰীবাহী বাছ-এল্ট'ৰ সংঘৰ্ষ গুৰুতৰভাৱে আহত ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ২০ মে'** ঃ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত খগৰপুৰ বজাৰৰ সমীপৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া এখন যাত্ৰীবাহী বাছ আৰু এল্ট' ৮০০ বাহন এখনৰ সংঘৰ্ষ লগাত এজন লোক গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য মতে, আজি দুপৰীয়া ১২.৩০ মান বজাত ৰাষ্ট্ৰীয় ঘাইপথৰ উক্ত স্থানত কোচবিহাৰৰ পৰা গুৱাহাটী অভিমুখী এ এছ-১৭ বি-৮৭৭৯ নম্বৰৰ যাত্ৰীবাহী বাছ এখনৰ লগত বিপৰীত দিশেৰে আহি থকা গোৱালপাৰাৰ পৰা চাপৰ অভিমুখী এ এছ-০১ বি পি-৫২৫৬ নম্বৰৰ এল্ট' ৮০০ এখনৰ সংঘৰ্ষ লাগে। ফলত এল্ট'খনৰ চালকৰ আসনত থকা আব্দুল আজিজ (২২) নামৰ ব্যক্তিজন গুৰুতৰভাৱে আহত হয়। এল্ট' বাহনখনৰ সন্মুখৰ অংশ প্ৰায় বিধ্বস্ত হয়। ইফালে দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক খবৰ দিয়াৰ লগতে আহত লোকজনক উদ্ধাৰ কৰে। পিছত উত্তৰ শালমাৰা আৰক্ষী দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ৰাইজৰ সহযোগত গুৰুতৰভাৱে আহত লোকজনক বঙাইগাঁৱলৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰে । বাতৰি লিখা পৰলৈকে লোকজন বঙাইগাঁৱৰ ল'ৱাৰ আছাম হাস্পতালত চিকিৎসাধীন হৈ থকা বুলি জানিব পৰা গৈছে।

## ধুবুৰীত কেন্দ্ৰীয় মন্ত্ৰী অজয় ভাট উপস্থিত হৈ ধুবুৰী-ফুলবাৰী দলংৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন

# এনচিচি কেডেট-স্থানীয় নাগৰিকৰে মত বিনিময়

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ মে'ঃ** ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু পৰ্যটন মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী অজয় ভাটে আজি এদিনীয়া কাৰ্যসূচীৰে ধুবুৰীলৈ আহি ধুবুৰী জিলাত ৰূপায়ণ হৈ থকা আকাংক্ষিত জিলা কাৰ্যসূচীসমূহৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আকাংক্ষিত জিলা কাৰ্যসূচী ৰূপায়ণৰ দায়িত্বত থকা শিক্ষা, কৃষি, সমাজ কল্যাণ, স্বাস্থ্য, পশুপালন আদি বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশ লয়। জিলা উপায়ুক্ত অম্বামুথন এম পি, আৰক্ষী অধীক্ষক অভিজিত গুৰাৱ, জিলা উন্নয়ন আয়ুক্ত কান্তা দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিত গোস্বামী, বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিৱানী প্ৰমুখ্যে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে ধুবুৰীক আকাংক্ষিত জিলা হিচাপে ঘোষণা কৰাৰ আগৰ আৰু বৰ্তমানৰ পৰিস্থিতিৰ বিষয়ে আমি স্পষ্টভাৱে জানিব লাগিব। তেওঁ স্বাস্থ্য, শিক্ষা, কৃষিখণ্ডৰ লগতে বিনামূলীয়া ৰেচন যোগান, প্ৰধানমন্ত্ৰী আবাস যোজনা, প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনা, উজ্জ্বলা যোজনা, জল জীৱন মিছন, স্বচ্ছ ভাৰত অভিযান আদি ৰূপায়ণৰ শেহতীয়া বিভিন্ন তথ্য জানিবলৈ বিচাৰে আৰু সকলো তথ্য তেওঁলৈ জিলা উপায়ুক্তৰ জৰিয়তে শীঘ্ৰে প্ৰেৰণ কৰিবলৈ কয়। তেওঁ কয় যে তেওঁ তথ্যসমূহ প্ৰধানমন্ত্ৰীৰ ওচৰত দাখিল কৰিব আৰু আকাংক্ষিত জিলা হিচাপে ধুবুৰী জিলাই আশানুৰূপ ফল প্ৰদৰ্শন কৰা দেখিলে মোদী ডাঙৰীয়া নথৈ সুখী হ'ব। বৈঠকৰ পিছতে সাংবাদিকৰ সৈতে কথা বাৰ্তালাপত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে উন্নয়নৰ বাবে সকলোৰে সমান অধিকাৰ আৰু সুবিধা লাগে। সেয়ে প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই ধুবুৰীকে ধৰি দেশৰ একাংশ পিছপৰা জিলাক বিশেষ গুৰুত্ব প্ৰদানেৰে আকাংক্ষিত জিলা হিচাপে চিহ্নিত কৰিছে। তেওঁ কয় যে আকাংক্ষিত জিলা কাৰ্যসূচী ৰূপায়ণৰ বৰ্তমান স্থিতি জানিবলৈ তেওঁ ধুবুৰীলৈ আহিছে। জিলা প্ৰশাসনৰ কামৰ প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়— 'জিলাখনৰ যথেষ্ট উন্নতি হৈছে। বিকাশৰ গতি বাঢ়িছে। জিলা উপায়ুক্ত সহিতে সকলো বিষয়াই দিনে-নিশাই কৰা কামৰ সুফল দেখা পোৱা গৈছে। ধুবুৰীত প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ ভিছন সফল হৈছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সকলো বিষয়ৰ ওপৰত নজৰ ৰাখি সামগ্ৰিকভাৱে ৰাজ্যখনক আগবঢ়াই নিছে।' ইয়াৰ পূৰ্বে গুৱাহাটীৰ পৰা হেলিকপ্টাৰেৰে ধুবুৰীত উপস্থিত হৈ তেওঁ প্ৰথমে বি এন কলেজত এনচিচি কেডেটৰ সৈতে এক মত বিনিময় কাৰ্যসূচীত ভাগ লয়। তাৰ পৰা পোনে পোনে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ধুবুৰী আৰু ফুলবাৰীৰ সংযোগী নিৰ্মীয়মাণ দলংখনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পৰ্যালোচনা বৈঠকৰ পিছতে বিয়লি ধুবুৰী আৰ্তৰ্ভৱনত স্থানীয় নাগৰিকসকলৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে।





# ৰাজ্যজুৰি বিশ্ব 'মৌ' দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ মে'ঃ** ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশ কৃষক মৰ্চা, ৰাজ্যিক কমিটীৰ উদ্যোগত ৰাজ্যখনৰ ১৭ খন জিলাত আজি বিশ্ব 'মৌ' দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মৰ্চাই মৌ প্ৰতিপালনত উৎসাহিত কৰাৰ লগতে জীৱিকাৰ উপায় হিচাপে গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে ভালেসংখ্যক সভাৰ আয়োজন কৰে। এই সভাসমূহত বিভিন্ন প্ৰজাতিৰ 'মৌ', মৌ পালনৰ পদ্ধতি, এই সম্পৰ্কত চৰকাৰৰ আঁচনি আৰু ইয়াৰ বাণিজ্যিক দিশটোৰ বিষয়ে আলোচনা কৰা হয়। ৰাজ্যখনৰ বিভিন্ন জিলাত অনুষ্ঠিত এই সভাসমূহত কৃষি বিভাগৰ বিষয়া, কৃষক মৰ্চা ৰাজ্যিক কমিটীৰ সদস্যসকলৰ লগতে জিলাৰ সভাপতি, মণ্ডল সভাপতি, মণ্ডলৰ বিষয়ববীয়া, মৌপালক আৰু কৃষকসকল উপস্থিত থাকে। এই উপলক্ষে ক্ষেত্ৰীৰ ডিমৰীয়া মণ্ডলৰ সভাত উপস্থিত থাকে কৃষক মৰ্চা, অসম প্ৰদেশৰ সভাপতি দেৱজিৎ বৰা, সাধাৰণ সম্পাদক নিবাৰণ লহকৰ, কৃষক মৰ্চা গুৱাহাটী মহানগৰৰ সভাপতি সঞ্জীৱ সমৰ ডেকা, কৃষক মৰ্চাৰ ৰাজ্যিক বিষয়ববীয়া প্ৰীতম গোস্বামী, কবেন্দ্ৰ ডেকা আৰু দীপাংকৰ দেৱনাথ।

# প্ৰাকৃতিক দুৰ্যোগৰ বাবে ২২ মে'ৰ পৰিৱৰ্তে ২৯ মে'ত অনুষ্ঠিত হ'ব নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ মে'ঃ** প্ৰাকৃতিক দুৰ্যোগৰ বাবে অহা ২২ মে'ত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত অনুষ্ঠিত হ'ব লগা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন ২৯ মে'লৈকে পিছুৱাই দিয়া হৈছে। নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমান আৰু সম্পাদক ৰূপ কুমাৰ শৰ্মাই এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জনায় যে বিগত কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত নলবাৰী জিলাৰ মাজেৰে যোৱা পাগলাদিয়া, মৰাপাগলদিয়া, বুঢ়াদিয়া, টিহু আদি নদীসমূহৰ বাঢ়নী পানীয়ে তাণ্ডৱ চলাই বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে। মৰাপাগলদিয়া নদীৰ বাঢ়নী পানীয়ে উত্তৰ বালি, মাক্ৰাপাৰ আৰু দক্ষিণ ভোজকুছিত মথাউৰি ছিঙি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে । আনহাতে বুঢ়াদিয়া নদীৰ বাঢ়নী পানীয়ে কেন্দুবাৰীৰ গান্ধীবস্তিত মথাউৰি ভাঙি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে । টিহু নদীৰ বাঢ়নী পানীয়ে দাহুদীত মথাউৰি ভাঙি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে। এতিয়াও বহু গাঁও জলমগ্ন হৈ আছে । আনকি জীৱ-জন্তু ৰখাৰ ঠাই নোহোৱাৰ লগতে খাদ্য সংকটেও দেখা দিছে । কৃষিপ্ৰধান অঞ্চলসমূহৰ বেছিভাগ খেতিপথাৰ পানীৰ তলত থকাত কৃষক ৰাইজে মূৰে-কপালে হাত দিছে। এনে পৰিস্থিতিত সাংবাদিকসকলো প্ৰতিটো মুহূৰ্তত বাতৰি সংগ্ৰহত ব্যস্ত হৈ পৰিছে । বিশেষকৈ নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব বিচৰা পশ্চিম নলবাৰী অঞ্চলত এনে পৰিস্থিতি এতিয়াও স্বাভাৱিক অৱস্থালৈ অহা নাই। সেয়েহে তাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাকৃতিক দুৰ্যোগৰ বাবে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ২৯ মে', ২০২২ খ্ৰীষ্টাব্দ দেওবাৰে পূৰ্বে নিৰ্ধাৰিত স্থান আৰু কাৰ্যসূচী অনুসৰি অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমান আৰু সম্পাদক ৰূপ কুমাৰ শৰ্মাই জানিবলৈ দিয়ে । এতিয়া অহা ২৯ মে'ত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰে উদ্যোক্তাসকলে।

## ভাৰত-ভুটান সীমান্তত বন্যহস্তীৰ তাণ্ডৱ

# কেইবাটাও পৰিয়ালৰ বাসগৃহ ভাঙি চাউল-ধান খাই কৰিলে লণ্ডভণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ মে'ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী ননকে আঙাৰকাটা, আঙাৰকাটা নতুন বস্তি, পলাশবাৰী আৰু চেঁচাপানীত নিশা বন্যহস্তী প্ৰৱেশ কৰি গোটেই অঞ্চলতে তাণ্ডৱ চলায়। গাঁওবাসীয়ে জানিবলৈ দিয়া মতে খাদ্যৰ সন্ধানত ভুটান পাহাৰৰ পৰা নামি অহা বন্যহস্তীৰ প্ৰায় ১০০ জনীয়া এটা বৃহৎ জাকে প্ৰথমতে নিশা চমান বজাত গাঁওখনত প্ৰৱেশ কৰে। গাঁওবাসীয়ে লগে লগে কুমাৰীকাটাস্থ বন বিভাগক খবৰ দিয়াত বন বিভাগৰ লোক দৈ হাতীৰ জাকটোক দূৰলৈ খেদি থৈ আহে। কিন্তু সেই জাকটোৱে পুনৰ নিশা প্ৰায় ১২:৩০ বজাত আঙাৰকাটা অঞ্চলত প্ৰৱেশ কৰি প্ৰথমতে ভৱন আৰ্যৰ ঘৰ চৌহদত প্ৰৱেশ কৰি ১ বিঘা তামোলবাৰী ভাঙি লণ্ড-ভণ্ড কৰে। তাৰ পিছত তেওঁৰ ঘৰত প্ৰৱেশ কৰি ১৫০ মোন ভঁৰালৰ ধান খোৱাই নহয়, বাসগৃহৰো ক্ষতিসাধন কৰে। বন্যহস্তীৰ বৃহৎ জাকে আঙাৰকাটা-পলাশবাৰীত প্ৰৱেশ কৰি শংকৰ বিশ্বাস, মঙ্গল বিশ্বাস, নকুল বিশ্বাস, নিখিল বিশ্বাস আৰু মাণিক বিশ্বাসৰ ঘৰত প্ৰৱেশ কৰি কেইবাটাও বাসগৃহৰ ক্ষতিসাধন কৰাৰ উপৰি তামোলবাৰী, কলৰ বাগান, পাচলি খেতি খাই, গচকি তহিলং কৰে। বন্যহস্তীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে শিশু-মহিলাসহ কেবাজনো লোকৰ। স্থানীয় ৰাইজে চৰকাৰক উপযুক্ত ক্ষতিপূৰণ দিবলৈ আহ্বান জনাইছে।

# লাহৰীঘাটত বিশ্বশান্তিৰ বাবে সাৰ্বজনীন অখণ্ড হৰিনাম-কীৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ মে'ঃ** বিশ্বশান্তিৰ বাবে মৰিগাঁও জিলাৰ লাহৰীঘাট বজাৰৰ নিলগতে বৰবৰিৰ শ্ৰীশ্ৰী মদন গোপাল মন্দিৰত বঙালী হিন্দু সম্প্ৰদায়ৰ লোকসকলে সাৰ্বজনীন অখণ্ড হৰিনাম-কীৰ্তন ও মহোৎসৱৰ স্থানীয় হৰি মন্দিৰৰ উদ্যোগত যোৱা ১৬ মে'ৰ পৰা ৩২ প্ৰহৰৰ হৰিনাম-কীৰ্তন কাৰ্যসূচী চলি আছে। জিলাৰ বিভিন্ন ঠাইৰ পৰা সময়সূচী মতে ভক্তসকলে বাদ্যযন্ত্ৰ লৈ ১ প্ৰহৰকৈ হৰিনাম-কীৰ্তন পৰিৱেশন কৰি থাকে। হৰিনাম কীৰ্তন পৰিচালনা সমিতিৰ সম্পাদক মাণিক ৰয়ে জনোৱা মতে একোটা প্ৰহৰত ৪.৩০ ঘণ্টাকৈ অবিৰতভাৱে থিয় হৈ হৰিনাম-কীৰ্তন পৰিৱেশন কৰা হয়। সন্ধিয়াৰ ভাগত হৰিনাম-কীৰ্তন শুনিবলৈ ভক্তসকল মন্দিৰ প্ৰাঙ্গণত উপস্থিত হয়। অৱশ্যে ২১ মে'ৰ দুপৰীয়া ১২ বজাত মহাপ্ৰভুৰ ভোগৰাগ আৰু ১ বজাত মহাপ্ৰভুৰ প্ৰসাদ বিতৰণ কৰা হ'ব বুলি পৰিচালনা সমিতিৰ পৰা জানিব পৰা গৈছে। হৰিনাম কীৰ্তনৰ লগতে সকলো ধৰণৰ পূজা সামগ্ৰীৰ বস্তু বিক্ৰী কৰা দুখন দোকানেও গ্ৰাহকক বহু আকৰ্ষিত কৰিছে।

# সাহিত্য-সংস্কৃতিৰ সাধক, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বোধেশ্বৰ শইকীয়াৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২০ মে'ঃ** মাজুলীৰ কমলপুৰ গাঁও নিৱাসী অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰৰ নীৰৱ সাধক, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বোধেশ্বৰ শইকীয়াৰ ১৯ মে'ৰ পুৱা নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিন ধৰি অসুস্থ হৈ থকা শইকীয়াৰ মৃত্যুৰ বাতৰি বিয়লি পৰাৰ লগে লগে কমলাবাৰী অঞ্চলৰ লগতে মাজুলীৰ বিভিন্ন ঠাইত শোকৰ ছাঁ বিয়পি পৰে। মাজুলীৰ বিভিন্ন দল-সংগঠন তথা অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছত শেষকৃত্য সমাপন কৰা হয়। অতি সৰল জীৱন যাপন কৰা এইগৰাকী স্বনামধন্য ব্যক্তিয়ে ছাত্ৰ অৱস্থাৰ পৰাই বিপ্লৱী সত্তাৰে সামাজিক কামত আত্মনিয়োগ কৰে। অসম আন্দোলনৰ সময়ত মাজুলীৰ পৰা গণ সংগ্ৰাম পৰিষদক নেতৃত্ব দি এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অসম সাহিত্য সভাৰ লগত দীৰ্ঘদিন ধৰি সম্পৰ্ক ৰক্ষা কৰাৰ লগতে কমলাবাৰী ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰিছিল আৰু মাজুলী জিলা সাহিত্য সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। কবিতা আৰু চিন্তাশীল লেখনীৰে সাহিত্য ক্ষেত্ৰত অৰিহণা যোগোৱা শইকীয়াই কেইবাখনো স্মাৰক গ্ৰন্থ সম্পাদনা আৰু নিজাববীয়াকৈ গ্ৰন্থ প্ৰকাশ কৰিছিল। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা এইগৰাকী শিক্ষকে জিলা কৃতী শিক্ষকৰ স্বীকৃতি পাইছিল । মৃত্যুৰ আগমুহূৰ্তলৈকে মাজুলীৰ সাহিত্য-সংস্কৃতিৰ বহুকেইটা অনুষ্ঠান আৰু মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ লগত জড়িত হৈ আছিল। বহুগুণ সম্পন্ন এইগৰাকী লোকৰ মৃত্যুত মাজুলীৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মাজুলী জিলা সাহিত্য সভা, মাজুলী জিলা সাংবাদিক সন্থা, সদৌ মাজুলী জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্থা, পেঞ্চনাৰ সন্থা, মাজুলী জিলা ভাওনা সন্মিলন, মাজুলী জিলা সাংস্কৃতিক মহাসভা, মাজুলী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, কোচ-ৰাজবংশী ছাত্ৰ সন্থা, মাজুলী জিলা মহিলা সমিতি, লেখিকা সমাৰোহ সমিতি, কমলপুৰ গাঁও পৰিচালনা সমিতি, ৰামধনু শাখা সাহিত্য সভা, মাজুলী মিলন সংঘ, সন্মিলিত শিল্পী সমাজ, মাজুলী মহাবিদ্যালয়, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়কে ধৰি অসমৰ বিভিন্ন ঠাইৰ বিশিষ্ট লোকে শোক প্ৰকাশ কৰিছে। ইহ সংসাৰত পত্নী, এজন পুত্ৰ আৰু দুগৰাকী কন্যাসহ এৰি যোৱা শইকীয়াৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৮ বছৰ ।



# নগাঁৱত নাট্যকাৰ গুণদা গোস্বামীৰ 'কিশোৰৰ নাটমালা' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২০ মে'ঃ** নগাঁও জিলা সাহিত্য সভাৰ আগন্তুক সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিশিষ্ট নাট্যকাৰ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুণদা গোস্বামী ৰচিত 'কিশোৰৰ নাটমালা' নামৰ এখনি নাট্যগ্ৰন্থ আজি নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী তোদী স্মৃতি ভৱনত উন্মোচন কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট নাট্যকাৰ, পৰিচালক সপোনটি বৰদলৈয়ে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণ প্ৰসংগত বৰদলৈয়ে নাটকৰ বিভিন্ন দিশ ব্যাখ্যা কৰি কয় যে বৰ্তমান অসমত মৌলিক নাটকৰ সংখ্যা কম। নাটকে সদায় সমাজলৈ ভাল বাৰ্তা প্ৰেৰণ কৰি আহিছে। অনুষ্ঠানত বিশিষ্ট নাট্যশিল্পী, পৰিচালক পুণ্যদা বৰাই গ্ৰন্থখনৰ সমীক্ষা আগবঢ়াই কয় যে গুণদা গোস্বামীৰ নাটকৰ এক সুকীয়া বৈশিষ্ট্য আছে। তেওঁৰ নাটকত শিশুক প্ৰভাৱিত কৰিব পৰা উপাদান সন্নিৱিষ্ট হৈ আছে। অনুষ্ঠানত 'কলংপাৰ' কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিং, নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি ঠগিত মহন্ত, নাট্যকাৰ অজিত বৰঠাকুৰ, সমজুৱাৰ ফালৰ পৰা শিক্ষয়িত্ৰী চাৰু বণিয়া, লেখক পুলকানন্দ কৌশিক আদিয়েও ভাষণ প্ৰদান কৰে। লেখক ভৱেশ মেধি, শিল্পী ৰঞ্জন বেজবৰুৱা, 'কলংপাৰ' কাকতৰ সম্পাদক ভবেন বৰা, তাৰিণী শৰ্মা, হিৰণ্য বল্লভ গোস্বামী, লেখিকা শুৱনি গোস্বামী, অনিল শৰ্মা, দীপিকা নাথ, স্মৃতি কলিতাকে ধৰি শতাধিক সাহিত্যানুৰাগী লোকৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানতে হৰ্ষিত কুমাৰ ৰাজখোৱা আৰু দৰ্শিত কুমাৰ ৰাজখোৱাই কবিতা পাঠ কৰে। গুণদা গোস্বামীয়ে আঁত ধৰা এই অনুষ্ঠানৰ আৰম্ভণিতে বাগেশ্ৰী কৌশিকে মঙ্গলাচৰণ পৰিৱেশনেৰে শুভাৰম্ভ কৰে।

## বিহুবৰত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান ঃ আটক ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২০ মে'ঃ** পুনৰ ৰাজ্যত বৃদ্ধি পাইছে ড্ৰাগছ সাম্ৰাজ্যৰ বৃহৎ বজাৰখন। দৈনিক নাজিৰাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী বিহুবৰৰ পৰা সৰবৰাহ হয় বিভিন্ন প্ৰান্তলৈ শ শ ড্ৰাগছ। যোৱা পুৱতি নিশা ড্ৰাগছৰ বিৰুদ্ধে বিহুবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্যজ্যোতি কলিতা আৰু নাজিৰা মহকুমা আৰক্ষী বিষয়া শুভলক্ষ্মী দত্তই অভিযান চলাই এজন লোকক আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। আটকাধীন ব্যক্তিজনৰ নাম অনিল বৰাইক। ড্ৰাগছ ব্যৱসায়ী অনিল বৰাইকৰ পৰা জব্দ কৰিবলৈ সক্ষম হয় ১৫ গ্ৰাম ড্ৰাগছ। ধৃত অনিল বৰাইকে ঘৰৰ এটা ফ্ৰীজত ড্ৰাগছখিনি লুকুৱাই থৈছিল।

# মাণিকপুৰত নিখিল ভাৰত কৃষক সভাৰ বঙাইগাঁও-চিৰাং জিলা কমিটীৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৯ মে'ঃ** সাম্প্ৰতিক অৱস্থাত পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ মূল্য আকাশলংঘী বৃদ্ধিয়ে সকলো সময়ৰ অভিলেখ ভঙ্গ কৰিছে। খাদ্য সামগ্ৰী, ঔষধ-পাতি আদিৰ লগতে নিত্য নৈমিত্তিক ব্যৱহাৰ্য প্ৰতিবিধ সামগ্ৰীৰ মূল্য দ্ৰুত গতিত বৃদ্ধি পাইছে। এই সময়ছোৱাতেই সামগ্ৰীসমূহৰ ওপৰত জিএছটি কেন্দ্ৰীয় চৰকাৰে বৃদ্ধি কৰি সমস্যাটোক অধিক ভয়াৱহ কৰি জনজীৱন দুৰ্বিষহ কৰি তুলিছে। চৰকাৰৰ এই নীতিৰ ফলত দেশখন অৱধাৰিতভাৱে এক অতি শোচনীয় আৰ্থিক সংকটৰ গৰাহলৈ গতি কৰিছে। এই অৱস্থাৰ মাজতেই দুমাহৰো অধিক কাল একেৰাহে হোৱা অতিবৃষ্টিৰ ফলত বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বহু কৃষকৰ বিস্তৰ ক্ষতিসাধন হৈছে। গোম, মাকৈ, মৰাপাট, বিভিন্ন মচলা শস্যৰ লগতে শাক-পাচলি পথাৰতে পচি গেলি গৈছে। সেয়ে আজি নিখিল ভাৰত কৃষক সভাৰ বঙাইগাঁও জিলা আৰু চিৰাং জিলা কমিটীয়ে দুই ঘণ্টা অৱস্থান ধৰ্মঘট কৰি, মাণিকপুৰৰ ৰাজপথেৰে শোভাযাত্ৰা কৰি, মাণিকপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰীতিমণি দাসৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ কেইবা দফীয়া দাবী সম্বলিত এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছসহ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ, অতিবৃষ্টি, ধুমুহাত বিনষ্ট হোৱা কৃষকৰ খেতি আৰু সা-সম্পত্তিৰ ক্ষতিপূৰণৰ ব্যৱস্থা আৰু প্ৰতি গাঁও পঞ্চায়তৰ এলেকাত একোটাকৈ ধান ক্ৰয় কেন্দ্ৰ স্থাপনৰ লগতে আই নদীৰ বানপানীত গৃহহাৰা হোৱা পৰিয়ালসমূহক সংস্থাপন কৰাৰ দাবীত স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম গৱেষক সন্মিলন সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ মে'ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথমখন গৱেষক সন্মিলন আজি গুৱাহাটীৰ ৰূপনগৰস্থিত চৌহদত অনুষ্ঠিত হৈ যায় । পুৱা ১০.৩০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ লৈ গৱেষকসকল উপকৃত হোৱাকৈ মন্তব্য ৰাখে অসম চৰকাৰৰ লেবাৰ ৱেলফেয়াৰ আৰু স্কিল ডেভেলপমেণ্ট বিভাগৰ প্ৰিন্সিপাল ছেক্ৰেটাৰী ডঃ ভি কল্যাণ চক্ৰৱৰ্তীয়ে। ভাষণ প্ৰসংগত তেখেতে বিশ্ববিদ্যালয়ৰ এই কাৰ্যসূচীৰ প্ৰশংসা কৰাৰ লগতে গৱেষকসকলে নিজৰ গৱেষণা কৰ্মত গ্ৰহণ কৰিব লগীয়া কৌশল সম্পৰ্কেও অৱগত কৰে । বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক (শৈক্ষিক) ডঃ নয়নমণি শইকীয়াই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মৃণাল কুমাৰ বৰাই । অনুষ্ঠানৰ মূল বিষয় 'গৱেষকৰ সৈতে মত বিনিময়'ত অংশ লয় বিশ্ববিদ্যালয়খনৰ নৱনিযুক্ত উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই। ভাষণত তেখেতে নতুন শিক্ষানীতি, গৱেষণাৰ বাবে একোজন গৱেষকক কেনেধৰণৰ গুণ, কৌশলৰ প্ৰয়োজন আৰু গৱেষণাৰ গুণগত মান বৃদ্ধিৰ বাবে ল'বলগীয়া দিশসমূহৰ বিষয়ে আলোকপাত কৰাৰ লগতে গৱেষকসকলে উত্থাপন কৰা প্ৰশ্নসমূহৰো উত্তৰ দিয়ে। অনুষ্ঠানতে নিজৰ গৱেষণা কৰ্মৰ অভিজ্ঞতাৰে গৱেষকসকলক সততাৰে আগুৱাবলৈ পৰামৰ্শ প্ৰদান কৰে উপ-পঞ্জীয়ক (প্ৰশাসনিক) ডঃ শেখৰ কান্তি সৰকাৰে । বিশ্ববিদ্যালয়ৰ বিষয়া-কৰ্মচাৰী, অধ্যাপক-অধ্যাপিকা, গৱেষকসকল উপস্থিত থকা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ আই কিউ এছ চিৰ সমন্বয়ক ডঃ অজিত দেৱনাথে।

# বানাক্ৰান্তক খাদ্য বিতৰণ ৰেজাউল হকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ২০ মে'ঃ** ৰাজ্যত এই বছৰৰ প্ৰথমটো বানে সংহাৰ ৰূপ ধাৰণ কৰিছে। এই ভয়াৱহ বানত লাখ লাখ লোক গৃহহীন হৈ পৰাৰ লগতে বহু লোক হতাহত হৈছে। সমগ্ৰ অসমতে মুষলধাৰে অহা বৰষুণৰ ফলত হঠাতে অহা বানত মানুহে ঘৰৰ বস্তুকেইপদো নিৰাপদে স্থানান্তৰ কৰিব নোৱাৰিলে। আম আদমী পাৰ্টী, অসমে তৃণমূলৰ স্বেচ্ছাসেৱকৰ সহায়ত বানপীড়িত অঞ্চলসমূহত সহায়ৰ হাত আগবঢ়াই আহিছে । আজি আম আদমী পাৰ্টীৰ দৰং জিলা সমিতিৰ সমন্বয়ক ৰেজাউল হকে বেয়াকৈ ক্ষতিগ্ৰস্ত দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাঁৱত গৈ বানাক্ৰান্ত ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লোৱাৰ লগতে বিষ্ণুপুৰ প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰত খাদ্য বিতৰণ কৰে।

# বইটামাৰীৰ পঞ্চগাঁৱত অজগৰ উদ্ধাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ২০ মে'ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী অঞ্চলৰ পঞ্চগাঁৱত আজি পুৱাৰ ভাগত এজন লোকৰ হাঁহৰ গঁৰালৰ পৰা এডাল অজগৰ সাপ উদ্ধাৰ কৰা হয় । ৰাইজে পিছত সাপডালক বন বিভাগৰ হাতত চমজাই দিয়ে। জানিব পৰা মতে আজি পুৱাৰ ভাগত গাঁওখনৰ শিলঘাগৰি পাহাৰৰ নামনিৰ হৰেশ্বৰ ৰায় নামৰ লোকজনৰ শোৱনি কোঠাৰ কাষতে থকা এটি হাঁহৰ গঁৰালত এডাল অজগৰ সাপ সোমাই এটা হাঁহ ভক্ষণ কৰিবলৈ ধৰে। লগে লগে গঁৰালটোত থকা আন হাঁহবিলাকে চিঞৰ-বাখৰ কৰিবলৈ ধৰে। পিছত ঘৰৰ গৰাকীয়ে গড়ালটোত অজগৰডাল প্ৰত্যক্ষ কৰে । তেওঁ গাঁওখনৰ একাংশ লোকক এই বিষয়ে জনায় । পিছত একাংশ লোকে লোকজনৰ ঘৰত উপস্থিত হৈ অজগৰডালক আবদ্ধ কৰি ৰাখি বহলপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ক অৱগত কৰে । কিছু সময় পিছত উক্ত লোকজনৰ ঘৰত বন বিভাগৰ কেইজনমান কৰ্মী উপস্থিত হৈ অজগৰডাল উদ্ধাৰ কৰি নি বনাঞ্চলত এৰি দিয়ে । অজগৰডাল ওচৰৰে শিলঘাগৰি পাহাৰৰ পৰা নামি অহা বুলি সন্দেহ কৰা হৈছে । অজগৰডাল প্ৰায় বাৰ কিলোগ্ৰাম মান ওজনৰ বুলি ধাৰণা কৰা হৈছে।

# এসপ্তাহে সন্ধান নাই বিহুবৰৰ নিৰুদ্দিষ্ট কিশোৰৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ মে'ঃ** যোৱা ১২ মে' তাৰিখে নাজিৰা মহকুমাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী বিহুবৰৰ পৰা সন্ধানহীন হোৱা পোন্ধৰ বছৰীয়া কিশোৰ চিৰাজুল ৰহমানৰ বৰ্তমানো কোনো সম্ভেদ নোলোৱাত চিন্তিত হৈ পৰিছে পৰিয়ালবৰ্গ। উল্লেখযোগ্য যে যোৱা ১২ মে' তাৰিখে সমীপৰে এঘৰ লোকৰ বিয়াৰ কাম-কাজত সহায় কৰিবলৈ যোৱা বুলি পৰিয়ালক জনাই থৈ যোৱাৰ পিছত পিছদিনাও ঘৰলৈ ঘূৰি নহাত চিৰাজুলৰ পৰিয়ালে কিশোৰজনৰ বিচাৰ-খোঁচাৰ কৰে। কিন্তু বিয়াঘৰৰ লোকে এৰাতি থাকি পিছদিনা পুৱাই চিৰাজুল ঘৰলৈ যোৱা বুলি পৰিয়ালক জানিবলৈ দিয়ে। কিন্তু কিশোৰজন ঘৰলৈ নহাত পৰিয়ালৰ লোকসকলে তেওঁলোকৰ সম্বন্ধীয় লোকৰ সৈতেও এই সন্দৰ্ভত যোগাযোগ কৰে যদিও কিশোৰজনৰ সন্ধান উলিওৱাত ব্যৰ্থ হয়। পিছত উপায়বিহীন হৈ চিৰাজুলৰ পিতৃয়ে স্থানীয় বিহুবৰ আৰক্ষী থানাত যোৱা ১৬ মে' তাৰিখে বিষয়টোৰ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে। নাজিৰা মহকুমাৰ গেলেকী অঞ্চলৰ মাদ্ৰাছাত অধ্যয়ন কৰা চিৰাজুল বিগত ঈদত বিদ্যালয় বন্ধ থকাৰ বাবে ঘৰলৈ আহিছিল। ইফালে এসপ্তাহে কিশোৰজনৰ কোনো সন্ধান নোলোৱাত কিশোৰজনৰ দৰিদ্ৰ পৰিয়ালটো চিন্তিত হৈ পৰিছে।



*নগাঁৱৰ ঐতিহ্যমণ্ডিত নেহৰুবালিত কলঙৰ বাঢ়নী পানী সোমোৱাৰ ফলত সমগ্ৰ নেহৰুবালি এতিয়া জলমগ্ন হোৱা দেখা গৈছে*

# তামুলপুৰত স্বেচ্ছাসেৱী সংগঠন 'এইড এট এক্সন'ৰ উদ্যোগত দক্ষতা বিকাশ আৰু পৰামৰ্শ দান শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ মে'ঃ** তামুলপুৰ জিলা সদৰস্থিত বৰখোপা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি স্বেচ্ছাসেৱী সংগঠন 'এইড এট এক্সন'ৰ উদ্যোগত এক দক্ষতা বিকাশ আৰু পৰামৰ্শ দান শিবিৰৰ আয়োজন কৰা হয়। উক্ত শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কি কৰি ভাল পায়, কি কৰিবলৈ দক্ষতা আছে আৰু দক্ষতাৰ ভিত্তিত কেনেদৰে ভৱিষ্যতে নিজকে এটা ভাল বৃত্তিত জড়িত হ'ব পাৰে সেই সম্পৰ্কে স্বেচ্ছাসেৱী সংগঠনটোৰ কৰ্মকৰ্তাসকলে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। আজিৰ দক্ষতা বিকাশ শিবিৰত উপস্থিত থাকি স্বেচ্ছাসেৱী সংগঠন 'এইড এট এক্সন'ৰ প্ৰকল্প সমন্বয়ক চিনুমণি দত্ত, জিলা সমন্বয়ক সৌৰভ নাথ, হিমাংশু লহকৰ, অংকিতা কাকতীয়ে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে নিজৰ কেৰিয়াৰ গঢ়ি তুলিব পাৰি সেই সম্পৰ্কে বিভিন্ন বিষয়ত পৰামৰ্শ আগবঢ়ায় । আজিৰ অনুষ্ঠানত স্বেচ্ছাসেৱী সংগঠনটোৰ জিলা সমন্বয়ক চুমকি দৈমাৰী, শৈক্ষিক নিৰ্দেশক প্ৰীতি ৰাভা, জাহ্নৱী পাঠক, জাহ্নৱী দাস, বৰখোপা হাইস্কুলৰ সহকাৰী শিক্ষক সৈতেন্দ্ৰ দাসৰ লগতে বিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।



# শোচনীয় অৱস্থাত কাকজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

## যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক কাকজান আছুৰ দাবীপত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ মে’ ঃ** বৃহত্তৰ কাকজান অঞ্চলৰ চিকিৎসাৰ ক্ষেত্ৰত বাটকটীয়া কাকজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বৰ্তমানে এক অস্বাস্থ্যকৰ পৰিস্থিতিৰে ৰোগীৰ চিকিৎসা চলি আছে। চিকিৎসালয়খনত জৰুৰীকালীন চিকিৎসাৰ বাবে নাই এম্বুলেঞ্চ, বিশুদ্ধ খোৱাপানী, সু-স্বাস্থ্যকৰ পৰিৱেশ, এজাক বৰষুণতে ভিতৰ সোমায় পানী, ৰোগীৰ অনুপাতে চিকিৎসকৰ অভাৱ আদি সমস্যাৰে বহুত দিনৰ পৰাই জৰ্জৰিত হৈ থকা দেখা গৈছে। এই সমস্যাসমূহ সমাধানৰ বাবে বিভাগীয় কৰ্তৃপক্ষক কেইবাবাৰো অৱগত কৰাৰ লগতে ৫ মাৰ্চ, ২০২২ তাৰিখে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক এখন স্মাৰক-পত্ৰ যোগেদি যোগেদিও অৱগত কৰা হয়। কিন্তু দুটাকৈ মাহ অতিক্ৰম কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষৰ অলপো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। সেয়ে ১৯ মে’ তাৰিখে কাকজান আঞ্চলিক ছাত্ৰ সন্থাই এই সমস্যাসমূহ সমাধানৰ বাবে দাবী জনাই পুনৰ যোৰহাট জিলা যুটীয়া স্বাস্থ্য সঞ্চালকক কাকজান আছুৰ সভাপতি বেদান্ত ভৰালী আৰু সম্পাদক ৰূপম কুমাৰ বৰাৰ স্বাক্ষৰ সম্বলিত এখন দাবীপত্ৰ প্ৰদান কৰা হয়। এক বিবৃতি যোগে কাকজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বেদান্ত ভৰালী আৰু সম্পাদক ৰূপম কুমাৰ বৰাই কয় যে আজি বহুদিন ধৰি কাকজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো এক অস্বাস্থ্যকৰ পৰিৱেশত চলি আছে আৰু বহুতো বিসংগতিপূৰ্ণভাৱে চলি থকা পৰিলক্ষিত হৈছে। কিন্তু এই বিষয়বোৰ কেইবাবাৰো কৰ্তৃপক্ষক জনোৱা হৈছে যদিও তেওঁলোকে কিন্তু অলপো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে জনসাধাৰণে বহুতো ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ’ব লগা হৈ আহিছে। যিহেতু কাকজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো বৃহত্তৰ কাকজান অঞ্চলটোৰ চিকিৎসাৰ ক্ষেত্ৰত ইয়েই একমাত্ৰ আশা, এই স্বাস্থ্য কেন্দ্ৰটোৰ এনে অৱস্থা হোৱাটো দুৰ্ভাগ্যজনক। গতিকে অতিশীঘ্ৰে ইয়াৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে এক সপ্তাহৰ ভিতৰত যদি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়া আগামী দিনত কাকজান আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ’ব বুলি জানিবলৈ দিয়ে।



# গৰীয়া-মৰীয়া-দেশী জনগোষ্ঠীৰ সমস্যা সমাধানৰ দাবীত তামুলপুৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ মে’ ঃ** গৰীয়া-মৰীয়া-দেশী জনগোষ্ঠীৰ লোকসকলক জনগোষ্ঠীয় মৰ্যাদা প্ৰদান কৰা, গৰীয়া-মৰীয়া-দেশীসকলক উন্নয়নৰ বাবে এটি সুকীয়া বিভাগ গঠন কৰি এজন অভিভাৱক বা তত্ত্বাৱধায়ক মন্ত্ৰী নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা আৰু এই জনগোষ্ঠীৰ সুকীয়া জৰীপৰ ব্যৱস্থা কৰাৰ দাবীত আজি সদৌ অসম গৰীয়া-মৰীয়া-দেশী জাতীয় পৰিষদৰ তামুলপুৰ জিলা আহ্বায়ক সমিতিৰ উদ্যোগত তামুলপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে । স্মাৰক-পত্ৰ প্ৰেৰণ কৰি সদৌ অসম গৰীয়া-মৰীয়া-দেশী জাতীয় পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদে কয়— শ শ বছৰ আগৰ পৰাই আমাৰ ৰাজ্যখনত বসবাস কৰি থকা গৰীয়া-মৰীয়া-দেশী আদি জনগোষ্ঠীসমূহ বছৰ বছৰ ধৰি অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে অৱহেলিত, বঞ্চিত আৰু শোষিত হৈ আহিছে। দীৰ্ঘদিনীয়া কংগ্ৰেছৰ শাসনকালত একে ধৰ্মৰ পূৰ্ববংগীয় মূলৰ লোকসকলৰ লগত একাকাৰ কৰি আমাৰ এই জনগোষ্ঠীসমূহক অস্তিত্বহীন কৰি পেলাইছিল। কিন্তু বৰ্তমানৰ চৰকাৰখনে এই অৱহেলিত আৰু বঞ্চিত জনগোষ্ঠীসমূহৰ বাবে লোৱা বলিষ্ঠ পদক্ষেপে আমালৈ আশাৰ বাৰ্তা কঢ়িয়াই আনিছে। তেওঁ এই জনগোষ্ঠীটোৰ জ্বলন্ত সমস্যাসমূহ পোনপটীয়াকৈ অৱগত কৰিব পৰাকৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা এটি সুকীয়া বিভাগ গঠন কৰি এজন অভিভাৱক বা তত্ত্বাৱধায়ক মন্ত্ৰী নিযুক্তি দি সুনিৰ্দিষ্ট পৰিকল্পনাৰে অসমৰ আন জনগোষ্ঠীসমূহৰ লগতে সমানে সমানে আগবাঢ়ি যোৱাটো নিশ্চিত কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনায়। স্মাৰক-পত্ৰ প্ৰেৰণ কৰাৰ সময়ত সদৌ অসম গৰীয়া-মৰীয়া-দেশী জাতীয় পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদ, তামুলপুৰ জিলা আহ্বায়ক সমিতিৰ আহ্বায়ক মজিবৰ ৰহমান, ৰাতুল আলী, মোবাৰক আলী, আলাউদ্দিন আহমেদ আদিকে ধৰি কেইবাজনো নেতা উপস্থিত থাকে। ইয়াৰ পূৰ্বে সংগঠনটোৰ ফালৰ পৰা তামুলপুৰ জিলা উপায়ুক্ত সীমান্ত কুমাৰ দাস, অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাঙ্গ তালুকদাৰ , অতিৰিক্ত উপায়ুক্ত কোকিলা গগৈ আৰু তামুলপুৰ ৰাজহ চক্ৰ বিষয়া ৰাহেদুৰ ৰহমানক সম্বৰ্ধনা জ্ঞাপন কৰে।

# তিতাবৰ শিক্ষাখণ্ডত নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ দিক্‌দৰ্শী অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২০ মে’ ঃ** অসম চৰকাৰে যোৱা ১৪ মে’ তাৰিখে শিক্ষা বিভাগত নিযুক্তি প্ৰদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন জিলাৰ বিদ্যালয়সমূহত কালি আৰু আজি যোগদান কৰা পৰিলক্ষিত হৈছে। তাৰ মাজতে আজি তিতাবৰ শিক্ষাখণ্ডৰ বিভিন্ন বিদ্যালয়ত যোগদান কৰা নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক অভিৰোচিত কৰি দিকদৰ্শন কৰিবলৈ তিতাবৰত এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। তিতাবৰৰ শিক্ষা বিষয়া অৱনী গগৈৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি, অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি শিক্ষা বিষয়াগৰাকীয়ে তেওঁলোকৰ দায়িত্ব-কৰ্তব্যৰ বিষয়ে আলোকপাত কৰি অভিৰোচিত কৰে । তেওঁলোকক মেধা আৰু দায়িত্ববোধৰ সু-সমন্বয় সাধন কৰি তিতাবৰ শিক্ষাখণ্ডত নতুন দিশৰ সূচনা কৰিবলৈ আহ্বান জনোৱা হয় । লগতে আগন্তুক গুণোৎসৱত নৱাগতসকলৰ কৰণীয় সহযোগিতাৰ আভাস দিয়া হয় । মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক অৰুণ কোঁৱৰে আঁত ধৰা অনুষ্ঠানত খণ্ড সমল ব্যক্তি জোনালী বন গোস্বামী, সমন্বয়ক সঞ্জীৱ গগৈ, আৰ কে শইকীয়া, অসীম পলং, ত্ৰিলোচন গগৈয়ে শুভেচ্ছামূলক বক্তব্য ৰখাৰ উপৰি কেইবাগৰাকী নৱাগত-নৱাগতাই নিজৰ অনুভৱ ব্যক্ত কৰে । এম আই এছ আলতাফ আহমেদ, সমন্বয়ক মৃদুলা দাস, ৰাজা শইকীয়া, সম্প্ৰীতি হাজৰিকাসহ প্ৰায় ৭০ গৰাকী নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা অভিনৱ অনুষ্ঠানটিয়ে এক সুদূৰপ্ৰসাৰী উৎসাহদায়ক বাতাৱৰণ সৃষ্টি কৰিব বুলি শিক্ষানুৰাগী ৰাইজে আশা প্ৰকাশ কৰিছে।

# ব’হাগী বিদায় উপলক্ষে পশ্চিম নলবাৰীৰ ‘আকাশ - এক কলাত্মক অনুষ্ঠান’ৰ উদ্যোগত বিশেষ চিত্ৰাংকণ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ মে’ ঃ** পশ্চিম নলবাৰীৰ অন্যতম অগ্ৰণী অনুষ্ঠান ‘আকাশ - এক কলাত্মক অনুষ্ঠান’। কলা বিষয়ক ভিন্নৰঙী অনুষ্ঠান ৰূপায়ণেৰে ইতিমধ্যে জনসমাদৃত পশ্চিম নলবাৰীৰ চামতাস্থিত এই আকাশ - এক কলাত্মক অনুষ্ঠানে এইবেলি ব’হাগী বিদায় উপলক্ষে আয়োজন কৰিবলৈ লৈছে বিশেষ চিত্ৰাংকণ প্ৰতিযোগিতা। অনুষ্ঠানটিৰ পৰিকল্পক তথা সঞ্চালক প্ৰধান চন্দন প্ৰয়াসে জানিবলৈ দিয়া মতে অহা ২৯ মে’ৰ পুৱা ১০-৩০ বজাত চামতা আঞ্চলিক ক্ৰীড়া সংঘ (বৰ্তমানৰ এথ্‌লেটিকছ্‌ ষ্টেডিয়াম)ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিতব্য ব’হাগ বিহু বিষয়ক এক বিশেষ চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে, য’ত দুটিকৈ শাখাত প্ৰতিযোগীসমূহক অন্তৰ্ভুক্ত কৰিব । ক - শাখাত প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু খ - শাখাত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে ভাগ ল’ব পাৰিব । দুয়োটি শাখাৰ বাবে প্ৰথম পুৰস্কাৰ হিচাপে ৫০১ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে ৩০১ টকা, তৃতীয় পুৰস্কাৰ হিচাপে ২০১ টকা আৰু নিচুকনি বঁটা হিচাপে ১০১ টকাকৈ আগবঢ়োৱা হ’ব । লগতে মূল্যৱান কিতাপ আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ’ব। উল্লেখ্য যে প্ৰথম পুৰস্কাৰপাপ্ত প্ৰতিযোগীক অসম ভিত্তিত আয়োজন কৰা চিত্ৰ প্ৰদৰ্শনীত বিশেষভাৱে সুযোগ দিয়া হ’ব । আগতীয়াকৈ নামভৰ্তি কৰিবলৈ আৰু অধিক জানিবলৈ ৮৪৭৩৯৫৪১৬৪, ৯৭০৭৪৭৩৫৫০ আৰু ৬০০০৫১৮৬৮৬ নম্বৰত যোগাযোগ কৰিবলৈ মুখ্য উদ্যোক্তা ৰঞ্জন দাসে অনুৰোধ জনাইছে।

# ৩০ বিএন চিআৰপিএফৰ উদ্যোগত বিশ্বনাথ চাৰিআলি জৱাহৰ নৱোদয় বিদ্যালয়ত যোগ সজাগতা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২০ মে’ ঃ** আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে চি/৩০ বিএন চিআৰপিএফে কালি বিশ্বনাথ চাৰিআলি জৱাহৰ নৱোদয় বিদ্যালয় বিদ্যালয়ত যোগ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। বিশ্বনাথ চাৰিআলি জে এন ভি বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী, ল’ৰা-ছোৱালী আৰু ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ দিয়াৰ উদ্দেশ্যে আগন্তুক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে সজাগতা কাৰ্যসূচীভাগ কালি চিআৰপিএফৰ তৰফৰ পৰা আয়োজন কৰা হয় বিদ্যালয়খনত। যোগৰ স্বাস্থ্যকৰ জীৱনশৈলী আৰু লাভালাভ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা আনিবলৈ শোণিতপুৰ জিলাৰ চাৰিদুৱাৰত মুখ্য কাৰ্যালয় থকা ৩০ বিএন চিআৰপিএফে দীৰ্ঘদিন ধৰি বিভিন্ন প্ৰান্তত নিয়মীয়াকৈ যোগ সজাগতা অনুষ্ঠান আৰু সংবেদন পৰিচালনা কৰি আহিছে । অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা দীৰ্ঘদিন ধৰি যোগ আসন আয়োজিত কৰাৰ লগতে আসনৰ বাবে সঠিক ভঙ্গীবোৰ বৰ্ণনা আৰু প্ৰদৰ্শন কৰি আহিছে জনসাধাৰণৰ মাজত। ইফালে আজিও বিশ্বনাথ চাৰিআলি বিদ্যালয়ত জৱাহৰ নৱোদয় বিদ্যালয়ত ৩০ বিএন চিআৰপিএফৰ সহকাৰী কমাণ্ডেণ্ট বি ভি সিঙে এই যোগ আসনত অংশগ্ৰহণ কৰি অংশগ্ৰহণকাৰীসকলক দৈনন্দিন জীৱনত যোগৰ গুৰুত্বৰ বিষয়ে অৱগত কৰাৰ লগতে ই-স্বাস্থ্যৰ লাভালাভ প্ৰদান কৰে আৰু আত্ম-অনুশাসন গঢ়ি তোলাত সহায় কৰা বুলি উল্লেখ কৰি লগতে কয়— ই জীৱনশৈলীৰ বাবে অতি গুৰুত্বপূৰ্ণ। তাৰ উপৰি নমনীয়তা বৃদ্ধি, গাঁঠি, লিগামেণ্ট আৰু টেণ্ডনৰ তৈলাক্তকৰণ, শৰীৰৰ সকলো অঙ্গ মালিচ কৰা আৰু পেশীৰ উৎকৃষ্ট টোনিং আদিৰ বাবে যোগ অত্যন্ত উপকাৰী কথা উল্লেখ কৰে। অংশগ্ৰহণকাৰীসকলক চাপমুক্ত জীৱন যাপন কৰিবলৈ আৰু শাৰীৰিক আৰু মানসিকভাৱে সুস্থ থাকিবলৈ দৈনিক যোগ-ব্যায়াম কৰিবলৈ পৰামৰ্শ দিয়ে। জেএনভি বিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন সিঙে সকলো শিক্ষাৰ্থী, শিক্ষক, কৰ্মচাৰী আৰু চিআৰপিএফ জোৱানসকলক তেওঁলোকৰ সুস্বাস্থ্যৰ বাবে শুভেচ্ছা জনায় আৰু যোগক তেওঁলোকৰ স্বাস্থ্যৱান জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে ল’বলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে যোগে সকলো ফালৰ ফিট্‌নেছ, ওজন হ্ৰাস, চাপৰ পৰা সকাহ, আভ্যন্তৰীণ শান্তি প্ৰতিৰোধ, ৰোগ প্ৰতিৰোধ ক্ষমতা উন্নত কৰা, উন্নত সম্পৰ্ক আৰু মানৱ জীৱনত যোগৰ অন্যান্য গুৰুত্ব/লাভালাভত সহায় কৰে বুলি প্ৰকাশ কৰে।

# যোৰহাটৰ তিমতিমীয়াত শিল্পীপ্ৰাণ বৰনামঘৰীয়াক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট, ২০ মে’ ঃ** নামঘৰে এখন সমাজ সুস্থিৰতাৰে আগবঢ়াই নিয়াত বিশেষ ভূমিকা লয়। গাঁও তথা অসমীয়া সমাজত নামঘৰৰ নামঘৰীয়াগৰাকী সকলোৰে মান্য। দক্ষিণ যোৰহাটৰ তিমতিমীয়া বৰনামঘৰৰ এনে মান্যবৰ বৰনামঘৰীয়া হেমধৰ গগৈক যোৱা ২ জেঠত শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ জয়ন্তী আৰু উৰুৱা সবাহৰ সংগতিৰে ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। তেখেতৰ অনুৰাগী, শিষ্যকে ধৰি কেইবাটাও পৰিয়ালেও সন্মান জনায়। আধ্যাত্মিকতা, সাত্বিকতা, সময়ানুৱৰ্তিতা, পৱিত্ৰতা, সৰলতা আদি গুণৰ অধিকাৰী হেমধৰ গগৈ যুৱকালৰ পৰাই সমাজ-সংস্কৃতি আৰু ধৰ্মীয় কাৰ্যত জড়িত। নামঘৰীয়াৰ দায়িত্বত ত্ৰিশ বছৰৰো অধিক কাল ব্ৰত আছে। গৃহস্থীৰ ধৰ্মীয় কৰ্মতো সম্পূৰ্ণ অৱদান যোগাই গৈছে। বৰবায়ন ৰূপে গাঁৱৰ উপৰি অঞ্চলৱৰ্তী ভাওনা পৰিচালনা কৰিছে। অভিনয়তো পাৰ্গত নামঘৰীয়াগৰাকীয়ে শূৰ্পনখা আৰু গদাপাণিৰ চৰিত্ৰত ব্যুৎপত্তি লাভ কৰি থৈছে। দিহানাম, শাস্ত্ৰ পাঠ, প্ৰাৰ্থনা, বিহু আদিতো পাৰ্গত। শিল্পকৰ্মৰ লগতে কৃষিত জড়িত নামঘৰীয়া হেমধৰ গগৈয়ে স্বাস্থ্যজনিত কাৰণত নামঘৰত দৈনিক বন্তি প্ৰজ্বলনৰ দায়িত্বৰ পৰা অব্যাহতি লৈছে যদিও মূল পদত অধিষ্ঠিত থাকিব। ঘৰুৱা দায়িত্ব পালিও নিতৌ পুৱা-গধূলি নামঘৰত গাঁৱৰ ৰাইজৰ হৈ ভক্তি-প্ৰদীপ আগবঢ়াই থাকিব পৰাটো সহজ নহয়। ধৈৰ্যশীল, ধৰ্মমতি, একান্ত সেৱকৰ গুণ থকা বাবেহে হেমধৰ গগৈয়ে দীৰ্ঘকাল এনে কৰ্তব্য সাধন কৰিব পাৰিছে বুলি ৰাইজে স্বীকাৰ কৰি সম্বৰ্ধনাৰে মান্যতা দিয়ে। ৰাইজে মাননি ৰূপে আগবঢ়োৱা বিগত বৰ্ষৰ মাননি নামঘৰৰ কৰ্মৰ বাবে উছৰ্গা কৰি উদাৰতা আৰু বদান্যতাৰ পৰিচয় দিয়ে নামঘৰীয়া হেমধৰ গগৈয়ে।

# বৰপথাৰত পথ দুৰ্ঘটনা

## গুৰুতৰভাৱে আহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২০ মে’ ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰ নগৰৰ হস্পিটেল তিনিআলিত আজি বিয়লি সংঘটিত হয় এক পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাটোৰ ফলত আহত হয় এজন যুৱক। উল্লেখ্য যে এখন ট্ৰাকে টানি লৈ আহিছিল বিদ্যুতৰ খুঁটাৰে সৈতে এখন ট্ৰেলাৰ। উক্ত ট্ৰেলাৰখনে পথৰ কাষেৰে একে দিশতে গৈ থকা স্কুটী আৰোহী যুৱকজনক মহটিয়াই লৈ যায়। এ এছ-০৫এন-৪৫৬৭ নম্বৰৰ এখন স্কুটী চলাই অহা দীপ বৰগোহাঁই নামৰ যুৱকজনৰ এখন ভৰিৰ ওপৰেৰে পাৰ হৈ যায় ট্ৰেলাৰখনৰ চকা। দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ নম্বৰ হৈছে এ এছ-০৩বি-১০৪৭ আৰু ট্ৰেলাৰখনৰ নম্বৰ হ’ল এ এছ-০৫বি-০২৫৭। দুৰ্ঘটনাৰ ফলত যুৱকজনৰ বাঁও ভৰিখন সম্পূৰ্ণৰূপে ভাগি যায়। বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত দুই নং টেঙানিৰ বাসিন্দা দীপ বৰগোহাঁই মাতৃৰ সৈতে আহিছিল বজাৰ কৰিবলৈ। আনহাতে দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে ট্ৰেলাৰখনৰ চালক আৰু হেণ্ডিমেনে। ততাতৈয়াকৈ ওচৰতে থকা বৰপথাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ যুৱকজনক লৈ যায় হয় যদিও সেই সময়ত স্বাস্থ্য কেন্দ্ৰত নাছিল কোনো চিকিৎসক বা স্বাস্থ্যকৰ্মী। ইপিনে দিন দুপৰতে জৰুৰীকলীন বিভাগত চিকিৎসক বা চিকিৎসা কৰ্মী নথকা ঘটনাই এতিয়া স্বাস্থ্য বিভাগৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। ইতিমধ্যে যুৱকজনক উন্নত চিকিৎসাৰ বাবে গোলাঘাটলৈ লৈ যায় পৰিয়ালৰ লোকে। দুৰ্ঘটনা সংঘটিত হোৱা ঠাইডোখৰত বৃহস্পতিবাৰৰ দিনটোত সাপ্তাহিক বজাৰ বহাৰ ফলত যথেষ্ট জনসমাগম হয় যদিও যান-জঁট নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ লোক উপস্থিত নথকাত এনে ঘটনা সংঘটিত হ’বলৈ পালে বুলি স্থানীয় লোকে প্ৰকাশ কৰিছে।

# কলং নৈত উদ্ধাৰ সন্ধানহীন কন্দৰ্প ফুকনৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ মে’ ঃ** অৱশেষত আজি পুৱা কলং নৈত কন্দৰ্প ফুকন নামৰ সত্তৰ ঊৰ্ধ্বৰ লোকজনৰ মৃতদেহ উদ্ধাৰ হয় । নগাঁও চহৰৰ আমোলাপট্টি-নাওবৈচা পথৰ নিজ বাসগৃহৰ পৰা কালি পুৱা ওলাই অহাৰ পাছত সন্ধানহীন হৈ আছিল সমাজকৰ্মী তথা ধৰ্মপৰায়ণ ব্যক্তি কন্দৰ্প ফুকন । আনহাতে কালি পুৱা কন্দৰ্প ফুকনৰ বাসগৃহৰ সমীপৰ কলং নৈৰ ঘাটত ফুকনৰ জোতাযোৰ উদ্ধাৰ হোৱাত লোকজনৰ কলঙত সলিল সমাধি ঘটা বুলি সন্দেহ কৰা হৈছিল । উল্লেখ্য যে প্ৰতিদিনেই পুৱা কন্দৰ্প ফুকনে উক্ত ঘাটত যোগাসন, প্ৰণায়াম কৰি আহিছিল । স্থানীয় লোকে সন্দেহ কৰা মতে যোগাসন কৰি উঠি হাত-ভৰি ধুবলৈ যাওঁতেই হয়তো ব্যক্তিগৰাকী ভৰা কলঙত পিছলি পৰি সলিল সমাধি ঘটে । আনহাতে কলঙত কালি দুপৰীয়াৰে পৰা ফুকনৰ মৃতদেহ বিচাৰি এছ ডি আৰ এফ বাহিনীয়ে অভিযান চলায় যদিও সন্ধিয়া পৰ্যন্ত সন্ধানহীন লোকজনৰ মৃতদেহ উদ্ধাৰ হোৱা নাছিল। আজি পুৱা পুনৰ এছ ডি আৰ এফ বাহিনীয়ে চলোৱা অভিযানত কিছুসময়ৰ পাছতে ঘাটটোৰ পৰা কিছু নিলগত কলঙত ফুকনৰ মৃতদেহ উদ্ধাৰ হয়। ইপিনে সমাজকৰ্মী, ধৰ্মপৰায়ণ কন্দৰ্প ফুকনৰ আকস্মিক বিয়োগত নগাঁও চহৰত শোকৰ ছাঁ পৰে। নগাঁৱৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰে জড়িত কন্দৰ্প ফুকন আমোলাপট্টি পূজা সমিতি আৰু নগাঁও শ্মশানঘাট শ্ৰী শ্ৰী শিৱমন্দিৰ সমিতিৰ এগৰাকী সক্ৰিয় বিষয়ববীয়া আছিল। শিৱনগৰ চিত্ৰাংকণ বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক কন্দৰ্প ফুকন নগাঁও চহৰৰ আমোলাপট্টি অঞ্চলত নিৰ্মাণৰত নৱগ্ৰহ মন্দিৰৰ এগৰাকী অন্যতম উদ্যোক্তা আছিল। কন্দৰ্প ফুকনৰ আকস্মিক বিয়োগত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰা, আমোলাপট্টি পূজা সমিতি, নগাঁও শ্মশানঘাট শিৱ মন্দিৰ সমিতি, শিৱনগৰ চিত্ৰাংকণ বিদ্যালয়, সমলয় সাংস্কৃতিক গোষ্ঠীকে ধৰি ভালেসংখ্যক ব্যক্তি আৰু অনুষ্ঠানে শোক প্ৰকাশ কৰে । মৃত্যুৰ সময়ত ফুকনে পত্নী, এজন পুত্ৰ আৰু এগৰাকী কন্যাসহ ভালেসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়।

# পলাশবাৰী-চানডুবি সংযোগী পথত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২০ মে’ ঃ** প্ৰাকৃতিক পৰিৱেশ তথা সেউজ বৰ্ধনৰ বাবে বিশেষ পদক্ষেপ পলাশবাৰী-চানডুবি নৱনিৰ্মিত সংযোগী পথত। পলাশবাৰী-চানডুবিলৈ প্ৰায় ২৭ কিলোমিটাৰ পথ প্ৰাকৃতিক পৰিৱেশ তথা সেউজীয়া কৰণৰ লক্ষ্যৰে গছপুলি ৰোপণ কৰাৰ পৰিকল্পনা পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী তথা প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ অনিল দাসৰ। আজি তিনিআলি কল্লাপাৰাত এটি গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ব্যৱসায়ী অনিল দাসে। নিজৰ ওপজা দিনত এনেদৰে গছপুলি ৰোপণ কৰি সকলোকে এই বিশেষ দিনটোত গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। যিহেতু নৱনিৰ্মিত পথটোত দুয়ো ফালে গছ-গছনিৰে ভৰি থাকিলে প্ৰাকৃতিক পৰিৱেশ আৰু সৌন্দৰ্য বৰ্ধন হ’ব। পলাশবাৰীৰ পৰা চানডুবিলৈ বিভিন্ন প্ৰজাতিৰ কেইবা সহস্ৰাধিক গছপুলি পৰ্যায়ক্ৰমে ৰোপণ কৰা হ’ব বুলি জানিবলৈ দিয়ে পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ব্যৱসায়ী দাসে। চানডুবি তিনিআলি কল্লাপাৰাৰ পৰা বৰিহাটলৈ গছপুলি ৰোপণ কৰা কাৰ্যসূচীত লোকনিৰ্মাণ বিভাগৰ বিষয়াসকল, ব্যৱসায়ী বিনয় কলিতা, নিতুল দাস, সমাজকৰ্মী অনুপ মেধিসহ অঞ্চলটোৰ ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে সহযোগিতা আগবঢ়ায়। অনিল দাসৰ এনে আদৰণীয় প্ৰচেষ্টাক সকলোৱে ভূয়সী প্ৰশংসা কৰিছে।

# মাজুলীত জল জীৱন আঁচনিৰ তিনিদিনীয়া প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২০ মে’ ঃ** মাজুলী জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত বনগাঁও ঔদ্যোগিক প্ৰতিষ্ঠানত জল জীৱন আঁচনিৰ ভূমিদাতাসকলৰ তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাজুলী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা কুমুদ ৰঞ্জন হাজৰিকাৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা প্ৰশিক্ষণৰ শুভাৰম্ভণী সভাখন উদ্বোধন কৰে মাজুলীৰ বিধায়ক ভুৱন গামে। অলকেশ গগৈয়ে আঁত ধৰা সভাখনত মাজুলীৰ উপায়ুক্ত পুলক মহন্ত উপস্থিত থাকি জল জীৱন আঁচনিৰ জৰিয়তে মাজুলীৰ ঘৰে ঘৰে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা হৈছে বুলি উল্লেখ কৰে। এই প্ৰশিক্ষণৰ মুঠ ৯৩ গৰাকীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। সভাত উপস্থিত থাকে মাজুলীৰ অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতা, খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়া, জিলা পৰিষদৰ দিতিমণি পেগু, মাজুলীৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰাজীৱ দাস উপস্থিত থকাৰ লগতে বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# দক্ষিণ কামৰূপ টেণ্ট হাউছ উন্নয়ন সংস্থাৰ সৌজন্যত উপহাৰ কুপনৰ খেল, বকোত অস্থায়ী কাৰ্যালয় মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২০ মে’ ঃ** দক্ষিণ কামৰূপ টেণ্ট হাউছ উন্নয়ন সংস্থাৰ সাহায্যাৰ্থে আয়োজন কৰা উপহাৰ কুপনৰ খেলখন অহা ২২ মে’ৰ দিনা অনুষ্ঠিত কৰা হ’ব। বকো আঞ্চলিক শংকৰদেৱ নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰিবলৈ লোৱা উপহাৰ কুপনৰ খেলখন পৰিচালনা কৰিবলৈ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয় অস্থায়ী কাৰ্যালয়টো। উল্লেখ্য যে দক্ষিণ কামৰূপ টেণ্ট হাউছ উন্নয়ন সংস্থাৰ সভাপতি অমৰেন্দ্ৰ অধিকাৰী, সম্পাদক কৈলাশ দাসৰ লগতে উপহাৰ কুপন খেল পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন দাস আৰু সম্পাদক মনোজ দাসে জনোৱা মতে ২২ মে’ত আয়োজন কৰিব লগা উপহাৰ কুপনৰ খেলৰ আগে আগে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে অনুষ্ঠিত কৰা হ’ব চিত্ৰাংকণ প্ৰতিযোগিতা। ইফালে সভাপতি অমৰেন্দ্ৰ অধিকাৰীয়ে জনোৱা মতে, ইতিমধ্যে চিত্ৰাংকণ প্ৰতিযোগিতা আৰু উপহাৰ কুপনৰ খেলৰ সম্পূৰ্ণ প্ৰস্তুতি চলাই আছে। ইফালে উপহাৰ কুপনৰ বিক্ৰী সম্পূৰ্ণ হোৱাৰ পথত।

# ছিপাঝাৰত বানত মৃত্যু হোৱা লোকৰ পৰিয়ালক চেক প্ৰদান বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২০ মে’ ঃ** ছিপাঝাৰত বানত মৃত্যু হোৱা লোকৰ পৰিয়ালৰ ঘৰত বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী উপস্থিত হৈ আগবঢ়ালে চৰকাৰী সাহায্যৰ চাৰি লাখ টকাৰ চেক। যোৱা মঙলবাৰে সন্ধিয়া ছিপাঝাৰৰ পদ্মাঝাৰত বানত উটি গৈছিল কৰুণা কলিতা নামৰ এজন লোক। যাৰ পিছত এছডিআৰএফৰ তৎপৰতাত উদ্ধাৰ হৈছিল লোকজনৰ মৃতদেহ। বৃহস্পতিবাৰে আবেলি লোকজনৰ পৰিয়ালৰ ওচৰত উপস্থিত হয় স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী। অতি তাৎক্ষণিকভাৱে বিধায়কগৰাকীয়ে মৃত কৰুণা কলিতাৰ পত্নী আৰু পুত্ৰৰ হাতত অৰ্পণ কৰে মুখ্যমন্ত্ৰীৰ সাহায্যৰ চাৰি লাখ টকাৰ চেক। উল্লেখ্য যে ছিপাঝাৰৰ পশ্চিম অঞ্চলটোত দিমীলা নদীৰ বানত ক্ষতিগ্ৰস্ত হৈছে প্ৰায় পঁচিশখনকৈ ৰাজহ গাঁও। ক্ষতিগ্ৰস্ত লোকসকলৰ হৈ যিমান পাৰি সিমান সোনকালে সকলো ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে বিধায়কগৰাকীয়ে।



# বকোৰ খলিহাত দুষ্কৃতিকাৰীয়ে কাটিলে পথৰ দাঁতিৰ গছ ঃ প্ৰতিক্ৰিয়া অব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২০ মে’ ঃ** প্ৰকৃতিক চিৰসেউজ কৰি জলবায়ু নিৰ্মল কৰাৰ লক্ষ্যৰে চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন তথা প্ৰকৃতিপ্ৰেমীয়ে উদ্যোগ লৈ আহিছে গছপুলি ৰোপণৰ। এই কাৰ্য চলি থকাৰ সময়তে আজি কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত খলিহাত অচিনাক্ত দুৰ্বৃত্তই কাটি টহিলং কৰিলে পথৰ দাঁতিত থকা বহুকেইজোপা গছ। প্ৰাপ্ত তথ্য অনুসৰি খলিহা গাঁৱৰ পথৰ দাঁতিত থকা বহুকেইজোপা গছ যোৱানিশা কাটি টহিলং কৰে। পুৱা কটা গছবোৰ দেখি খলিহাৰ একাংশ প্ৰকৃতিপ্ৰেমী লোকে বেজাৰ অনুভৱ কৰে আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই লৈ খলিহাত আজি ৰাইজে সাংবাদিকৰ আগত পথৰ দাঁতিত থকা গছবোৰ কাটি টহিলং কৰা কাৰ্যক নিন্দা কৰে আৰু দুষ্কৃতিকাৰীক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ আহ্বান জনায়।

# বিশ্বনাথত অগপৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ২০ মে’ ঃ** অসম গণ পৰিষদৰ বিশ্বনাথ জিলা কাৰ্যালয়ত কালি দলৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সমষ্টিৰ স্থায়ী সভাপতি মদন গোহাঁইৰ সভাপতিত্বত সাধাৰণ সভাখন অনুষ্ঠিত হৈ যায়। । উক্ত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমষ্টি সমিতিৰ অন্যতম সম্পাদক ৰমেন ৰাউতীয়াই । সভাত অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰবীণ হাজৰিকাই উপস্থিত থাকি দলৰ সাংগঠনিক ভেটি সবল কৰাৰ বাবে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ উপৰি কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশনা মৰ্মে সদস্য ভৰ্তিকৰণ আৰু নবীকৰণৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে। সভাখনত জিলা সমিতিৰ সভাপতি কেশৱ কলিতা, কাঃ সভাপতি দিলীপ সৰকাৰ, সম্পাদক প্ৰশান্ত বৰকটকী, যুৱ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নয়ন শইকীয়া, যুৱ পৰিষদৰ জিলা সভাপতি ভৰত কলিতা, সম্পাদক ধ্ৰুৱজ্যোতি ৰাজবংশী, কৃষক পৰিষদৰ জিলা সভাপতি জোন বৰাকে আদি কৰি প্ৰতিকূল বতৰকো নেওচি বহুতো বিষয়ববীয়া উপস্থিত থাকে।


*No. KOK/BLDG/Tech-136/2019-20/449* *Date 18-05-2022*

**NOTICE INVITING QUOTATION**

Sealed quotation in plain papers affixing Non-refundable Court fee stamp of Rs.8.25 (Rupees eight & paise twenty five) only are invited from the intending reputed Registered Contractors/Firms/Suppliers/person for approval of Rates of some Non-Schedule items which will be included in the estimating provision for the following work. The Quotation will be received by the undersigned up to 1:30 Pm of 24-05-2022 and will be opened on the same date and place at 2:00 Pm in front of all bidders or their authorized representative.

The Non-schedule items which will be included in original estimate after approval are as per ANNEXURE-I attached herewith and may be collected in the office of the undersigned during office hours from 23-05-2022 to 24-05-2022.

Name of work :

1. Construction /Erection of Statue of Sikhna Jwhwlao Kausetee Kampa at Ultapani, Sikhnajhar.

TERMS AND CONDITIONS:

1. Thequotation must be accompanied with up to date Firm Registration Certificate/Trade licence/Contractor Registration/Income Tax Clearance Certificate/GST Registration/PAN CARD etc.
2. Thequotationers/bidders should be quoted their rate both in figures and words legibly for each item.
3. Rate should be quoted inclusive of all Taxes.
4. The Rates should be from the reputed Company/Manufacture as specified/acceptable by the deptt.
5. The undersigned/Authority concerned shall have discretionary power to accept or reject any quotation without showing any reason thereof.
6. The approved rates will be viable only for inclusion in estimating purpose.

Sd/= Executive Engineer, PWD,
Kokrajhar District & Chirang District
Territorial Building Division, Kokrajhar.

*IPR(BTC)-48/2022*

# ছেমি ফাইনেলত পি ভি সিন্ধু



**বেংকক,২০ মে' ঃ** ভাৰতৰ পি ভি সিন্ধু চলিত থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক পদক বিজয়ী সিন্ধুৱে আজি প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত জাপানৰ বিশ্বৰ এক নম্বৰ খেলুৱৈ আকানে ইয়ামাগুচিৰ বিৰুদ্ধে তিনিখন খেলৰ অন্তত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ষষ্ঠ বাচনিৰ ভাৰতীয় খেলুৱৈগৰাকীয়ে ৫১ মিনিটত প্ৰতিযোগিতাৰ দ্বিতীয় বাছনিৰ জাপানীজ শ্বাটলাৰগৰাকীক ২১-১৫, ২০-২২, ২১-১৩ ত পৰাস্ত কৰে। এতিয়া ফাইনেলত সিন্ধু চীনৰ অলিম্পিক চেম্পিয়ন চেন ইউ ফেইৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে অন্তিমবাৰৰ বাবে এই যুটিয়ে খেলা খেলখনত বিতৰ্কৰ সৃষ্টি হৈছিল আৰু বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপৰ ছেমিফাইনেলৰ সময়ত মেচত সময় অপব্যৱহাৰ কৰাৰ বাবে আম্পায়াৰে সিন্ধুক এটা পইণ্টৰ শাস্তি প্ৰদান কৰিছিল। ১৩-৯ ৰ হেড টু হেড অভিলেখৰে মেচখনত সোমাই সিন্ধুৱে আন এক সুন্দৰ প্ৰদৰ্শন কৰি বৰ্তমানৰ বিশ্ব চেম্পিয়নগৰাকীৰ বিৰুদ্ধে ১৪ সংখ্যক জয়লাভ কৰে। উল্লেখ্য যে ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদক বিজয়ী সিন্ধুৰ এই সফলতাৰ ফলতেই প্ৰতিযোগিতাখনত একমাত্ৰ ভাৰতীয় শ্বাটলাৰ হিচাপে পদক আশা সজীৱ হৈ আছে। প্ৰতিযোগিতাখনত ষষ্ঠ স্থানৰ বাছনি লাভ কৰা তথা বিশ্বৰ সাত নং স্থানত থকা সিন্ধুৱে দ্বিতীয় ৰাউণ্ডৰ এখন মেচত কোৰিয়াৰ উবেৰ কাপ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ছিম ইউ জিনক ২১-১৬ ২১-১৩ ত পৰাস্ত কৰিবলৈ সক্ষম হয়। মেচ জয়ৰ বাবে মাত্ৰ ৩৭ মিনিট সময় লৈছিল সিন্ধুৱে। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডত আমেৰিকাৰ লৰেন লামক পৰাস্ত কৰা সিন্ধুৱে আজি জাপানৰ আকানে ইয়ামাগুচিক সুযোগ নিদিলে। ইফালে, ভাৰতৰ ঐতিহাসিক থমাছ কাপ জয়ৰ অন্যতম নায়ক কিদাম্বী শ্ৰীকান্ত পুৰুষৰ একক দ্বিতীয় ৰাউণ্ডত প্ৰতিপক্ষক ৰাক অভাৰ প্ৰদান কৰি অভিযান সামৰে।




*ক্ৰীড়া সাংবাদিক সন্থাৰ শতবৰ্ষ কাৰ্যসূচীৰ বিশেষ অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, গুৱাহাটী স্পৰ্টছ এছ'চিয়েচনৰ সভাপতি পুলক গোস্বামীসহ অন্যান্যসকল, নেহৰু ষ্টেডিয়ামত*

## ২২ মে'ত দেশজুৰি ক্ৰীড়া ভাৰতীৰ বাইক ৰেলী

### অসমত ১৮ টা স্থানতো উলিওৱা হ'ব ৰেলী

**গুৱাহাটী,১৯ মে' ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ ১৮টা সন্থাৰ পৰা একেসময়তে অহা ২২ মে'ৰ পুৱা ন বজাত আৰম্ভ হ'ব ক্ৰীড়া ভাৰতীৰ এক বাইক ৰেলী। উল্লেখ্য যে দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱ কাৰ্যসূচীৰ অংশ হিচাপেই দেশৰ মুঠ ২২০ সন্থাই নিজৰ স্থানৰ পৰাই ৭৫ খন মটৰচাইকেলৰে সমদল কৰিব। একোটা সন্থাৰ পৰা ৫০-১২৫ কিলোমিটাৰ ৰেলী কৰা হ'ব। সেই অনুসৰি এই ৰেলীয়ে সামৰিব দেশৰ মুঠ ১৮ হেজাৰ কিলোমিটাৰ দূৰত্ব। ৰাষ্ট্ৰ বন্দনাৰ অংশ হিচাপে দেশজুৰি একে সময়তে ৰেলী আৰম্ভ হ'ব আৰু ইয়াৰে অংশ হিচাপে ক্ৰীড়া ভাৰতী অসম প্ৰদেশেও ইয়াৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি অসম প্ৰদেশৰ সম্পাদক শ্যামন্ত শইকীয়াই তেজপুৰত প্ৰকাশ কৰা অনুসৰি এই বাইক ৰেলী ৰাজ্যখনৰ শ্ৰীৰামপুৰত আৰম্ভ হৈ বঙাইগাঁও, নলবাৰী,জালুকবাৰী, ৰৌতা, বিশ্বনাথ,নাৰায়ণপুৰ, গোগামুখ, ডিব্ৰুগঞ্জ,শিৱসাগৰ নুমলীগড়,কলিয়াবৰকে ধৰি হাফল' শিলচৰ আদি সকলো স্থানতে উলিওৱা হ'ব। উল্লেখ্য যে, ৰাজ্যত এই ৰেলীয়ে মুঠ ১৮ শ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব।

## প্ৰধানমন্ত্ৰীৰ আমন্ত্ৰন ক্ৰমে নতুন দিল্লীলৈ অসমৰ অভিনন্দন গোস্বামী

### আজি ভাৰতীয় বধিৰ অলিম্পিক দলৰ লগত মোদীৰ চাহমেল

**গুৱাহাটী, ২০ মে' ঃ** ব্ৰাজিলত অনুষ্ঠিত সদ্য সমাপ্ত বধিৰ অলিম্পিকত অংশ লোৱা অসম সন্তান অভিনন্দন গোস্বামীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰন মৰ্মে আজি ৰাওনা হৈছে নতুন দিল্লীলৈ। কাইলৈ প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ বাসভৱনতে সাক্ষাৎ কৰিব অভিনন্দনে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত সদ্য সমাপ্ত বধিৰ অলিম্পিকত ভাৰতীয় দলটোৱে এতিয়ালৈকে কৰা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে অভিনন্দন জনাইছে আৰু কাইলৈ (২১ মে') তেওঁৰ বাসগৃহত দলৰ সকলো সদস্যকে সাক্ষাৎ কৰাৰ বাবে আমন্ত্ৰন জনাইছে। সেয়ে আজি গুৱাহাটীৰ পৰা অসম সন্তান অভিনন্দন ৰাওনা হৈছে নতুন দিল্লীলৈ। উল্লেখ্য যে অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে এইবাৰ বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে টাইকোৱান-ডো খেলুৱৈ অভিনন্দন গোস্বামীয়ে। কোৱাৰ্টাৰ ফাইনেলত ভৰিত আঘাত পাই অভিযান সামৰিছিল অভিনন্দনে। উল্লেখ্য যে মেগা প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে ভাৰতীয় দল বাছনি কৰিবলৈ লক্ষ্ণৌ অনুষ্ঠিত হৈছিল এক বাছনি প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতে প্ৰথমস্থান দখল কৰি অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰে ২০ বছৰীয়া টাইকোৱান-ডো খেলুৱৈ অভিনন্দনে। উল্লেখ্য যে ব্ৰাজিলৰ কাক্সিয়াছ ড' চুলত অনুষ্ঠিত ২৪ সংখ্যক বধিৰ অলিম্পিকত ভাৰতে আঠটা সোণ, এটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এয়া এতিয়ালৈ ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।

## পইণ্ট ভগাই ল'লে নগাঁও-শিলচৰ দলে

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। সেয়ে বি চি চি আইৰ নিয়ম অনুসৰি এ চি এ পৰিত্যক্ত হোৱা তিনিখন মেচৰ ছটা দলক এক পইণ্টকৈ ভগাই দিয়ে। উল্লেখ্য যে আমিনগাঁৱৰ খেলপথাৰত হোৱা মেচত নগাঁও দলে ১১৮ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত শিলচৰে দুই উইকেটত কৰে ৪০ ৰাণ। মেচ ইমানে সমাপ্ত হয় আৰু দুয়ো দলে পইণ্ট ভগাই লয়। শিলচৰৰ ৰাহুল সিঙে ছটা উইকেট দখল কৰে। এয়া আছিল নগাঁৱৰ দ্বিতীয় মেচ। প্ৰথম মেচত আবিৰ চক্ৰৱৰ্তীৰ (৩৩-৬) ৰ চমকপ্ৰদ বলিঙত বিধ্বস্ত হৈ নগাঁৱে ১৬৮ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত তিনিচুকীয়াই দিনান্তত ৫৯-৪ ৰাণ কৰিছিল। পৰৱৰ্তী দুটা দিনত খেল নহ'ল। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা ১২ টা দলক চাৰিটা গ্ৰুপত বিভক্ত কৰা হৈছে। গ্ৰপ 'এ'ৰ মেচ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলিছে গুৱাহাটী, মৰিগাঁও আৰু তেজপুৰে। ইফালে, জজ খেলপথাৰত গ্ৰুপ 'বি'ৰ মেচ খেলিছে এন এফ ৰেলৰে, বঙাইগাঁও আৰু ডিব্ৰুগড়ে । একেদৰে গ্ৰুপ 'চি'ৰ মেচ আমিনগাঁৱত খেলিছে নগাঁও, তিনিচুকীয়া আৰু শিলচৰে। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ দ্বিতীয় খেলপথাৰত গ্ৰুপ 'ডি'ৰ মেচত খেলিছে বৰপেটা, বিশ্বনাথ আৰু কাৰ্বি আংলঙে। প্ৰতিখন মেচ তিনিদিনীয়া কৰা হৈছে।

# খহনীয়াত জাহ যোৱাৰ উপক্ৰম ১০ কোটিৰ ক্ৰীড়া প্ৰকল্প

**গুৱাহাটী, ২০ মে' ঃ** মঙলদৈ চহৰৰ নাতি দূৰৈৰ সোণালী পামত নিৰ্মীয়মান ১০ কোটি টকীয়া ক্ৰীড়া প্ৰকল্পটো সাম্প্ৰতিক বানত জাহ যোৱাৰ উপক্ৰম হৈছে । প্ৰকল্পটোৰ চৌহদৰ বেৰৰ পশ্চিম আৰু দক্ষিণ দিশৰ কাষেদিয়েই বৈ যোৱা মঙলদৈ নৈৰ কোৱাল সোঁতে সকলো তচনচ কৰি পেলোৱাৰ আশংকা প্ৰকট হৈছে। উল্লেখ্য যে মঙলদৈ-ভূটীয়াচাং পথৰ চপাইৰ সমীপৰ সোণালী পামলৈ প্ৰৱেশ কৰা ঠেক পথটোৱেই হৈছে নিৰ্মীয়মান প্ৰকল্প তথা ষ্টেডিয়ামখনৰ একমাত্ৰ প্ৰৱেশ পথ । এক কিলোমিটাৰ দূৰৈৰ স্থানটোলৈ নাই কোনো বিকল্প পথ । বৰ্তমানলৈ ষ্টেডিয়ামৰ কাম বহুখিনি আগবাঢ়িছে । কিন্তু প্ৰস্তাৱিত ষ্টেডিয়ামলৈ ডাঙৰ গাড়ী নোযোৱাৰ বাবে ট্ৰেক্টৰেৰে সা-সামগ্ৰী সৰবৰাহ হৈ আছে । এনে অৱস্থাতে কাষেদি বৈ যোৱা মঙলদৈ নৈৰ বাঢ়নি পানীয়ে চৌহদটো বুৰাই বালি-বোকাৰে পুতি পেলায় । তদুপৰি যিকোনো মুহূৰ্ততে চৌহদৰ বেৰ আৰু আনকি গেলেৰী খহাই নিয়াৰ আশংকা বৃদ্ধি পাইছে । তেনেকুৱা হ'লে মঙলদৈবাসীয়ে দেখা এক আশাৰ সপোন চূৰ্ণ-বিচূৰ্ণ হ'ব । স্থানীয় লোকে জনোৱা মতে প্ৰকল্পটোৰ স্থান নিৰ্ধাৰণেই সম্পূৰ্ণ আসোঁৱাহযুক্ত । কাৰণ কাষতে আছে খৰস্ৰোতা নৈখন আৰু প্ৰৱেশ পথ বুলিবলৈ আছে এটা সৰু ঠেক গলি । কিবা অঘটন ঘটিলে ওলাই যাবলৈ নাই কোনো বিকল্প পথ। ৰাইজৰ মতে প্ৰকৃততে স্থানটো এখন আধুনিক শ্মশানৰ বাবেহে উপযুক্ত আছিল। আনহাতে আজি ষ্টেডিয়াম খন পৰিদৰ্শন কালত এজন কৰ্মৰত লোকে কয় যে দক্ষিণ দিশৰ চৌহদৰ বেৰত ইতিমধ্যে ফাঁট মেলিছে । উক্ত দিশৰ কাষেদিয়েও বৈ গৈছে নৈ খন । উল্লেখ্য যে ২০২০ ৰ ২১ আগষ্টত সাংসদ দিলীপ শইকীয়া আৰু তেতিয়াৰ বিধায়ক গুৰুজ্যোতি দাসে ছিগ্‌নেছাৰ প্ৰকল্প 'পেকেজ নম্বৰ এছ-৫৭ উক্ত প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল । ইয়াৰ বাবে চিভিল ওৱৰ্কত ছয় কোটি ১১ লাখ ১৩ হাজাৰ ৮২০ টকা, চেনিটাৰী আৰু পানী যোগানৰ বাবে ২১ লাখ ২৭ হাজাৰ ৬৫৮ টকা, বৈদ্যুতিক বিভাগৰ বাবে দুই কোটি ৮২ লাখ ৫৮ হাজাৰ ৫২১ টকা আৰু ভূমিৰ গুণগত পৰীক্ষাৰ বাবে ডেৰ লাখ টকা লগতে বিভাগীয় কৰসহ মুঠ ১০ কোটি ধাৰ্য্য কৰা হৈছে। কিন্তু বাৰিষাৰ প্ৰথমটো বানেই এই ক্ৰীড়া প্ৰকল্পটো যে স্থায়ী হৈ নাথাকিব তাৰ এক ইংগিত দিছে।

## তামুলপুৰৰ সুদক্ষ ফুটবল খেলুৱৈ কণক ৰাভাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি,তামুলপুৰ,২০মে' ঃ** তামুলপুৰৰ প্ৰাক্তন সুদক্ষ ফুটবলাৰ কণক ৰাভা আৰু নাই।যোৱা নিশা চিকিৎসাধীন অৱস্থাতে ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসা লয়ত তেওঁ মৃত্যু বৰণ কৰে। ৪৫ বছৰীয়া প্ৰাক্তন ফুটবলাৰ গৰাকী বিগত ফেব্ৰুৱাৰী মাহৰ পৰা ব্ৰেইন টিউমাৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল তামুলপুৰ জিলাৰ ১ নং উলুবাৰী গাঁও নিবাসী স্বৰ্গীয় কেশৱ ৰাভাৰ পুত্ৰ কণক ৰাভাই ১৯৯২ চনত নলবাৰী জিলাৰ হৈ ১৪ বছৰৰ অনুৰ্ধৰ আন্তঃ জিলা ছাব জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। এসময়ৰ জনপ্ৰিয় ফুটবলাৰ গৰাকী উলুবাৰী মিলন জ্যোতি ক্লাৱৰ প্ৰাক্তন ক্ৰীড়া সম্পাদকো আছিল। মৃত্যুৰ সময়ত তেওঁ দুজন ভাইসহ কেইবাজনো আত্মীয় কুটুম্ব আৰু বহু সংখ্যক গুণমুগ্ধ ক ইহসংসাৰত এৰি থৈ যায়।

## বাৰিষাৰ সময়ত ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

### ৰেলৱে দলৰ সমালোচনা এ চি এক

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাই বাৰিষা খেল আয়োজন কৰাৰ ফল ভূগিছে ৰাজ্যৰ ক্ৰিকেটাৰসকলে। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। প্ৰতিযোগিতাৰ নেহৰু ষ্টেডিয়ামত হোৱা ৰেলৱে আৰু ডিব্ৰুগড়ৰ মাজৰ তিনিদিনীয়া মেচখন বৰষুণৰ বাধাৰ বাবে উভয় দলে এক পইণ্টকৈ ভগাই লয়। ডিব্ৰুগড়ে ১৬৮-৮ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত ৰেলৱে ৪২-৪ ৰাণ কৰাৰ সময়তে তিনিদিনীয়া মেচখন সমাপ্ত হয়। ৰেলৱেৰ হৈ কৰণ মহাজনে পাঁচটা উইকেট পায় প্ৰথম ইনিংছত। উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। উল্লেখ্য যে জজ খেলপথাৰত হ'বলগা কাৰ্বি আংলং আৰু বৰপেটাৰ মাজৰ মেচখনৰ তিনিদিনত এটাও বল নপৰিল। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ মেচত প্ৰথমদিনা শিৱশংকৰ ৰয়ৰ (২১৬) অপৰাজিত দ্বিশতকৰে ৰেলৱে ৩৮৪-৪ ৰাণ কৰিছিল বঙাইগাৱৰ বিৰুদ্ধে। কিন্তু বৰষুনে ৰেলৱেৰ আশাত চেচাপানী ঢালি দিয়ে। অসম ক্ৰিকেট সন্থাই বাৰিষা খেল আয়োজন কৰাৰ বাবে আপত্তি কৰিছে ৰেলৱে দলে।

## অসমত খেলৰ বাতৰি প্ৰকাশৰ এশ বছৰ

### শতবৰ্ষৰ কাৰ্যসূচীৰ ল'গো উন্মোচন

**গুৱাহাটী, ২০ মে' ঃ** অহা বৰ্ষৰ পহিলা জুলাইত অসমত খেলৰ বাতৰি প্ৰকাশৰ এশ বছৰ সম্পূৰ্ণ হ'ব। উল্লেখ্য যে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'অসমীয়া' নামৰ এখন সাপ্তাহিক কাকতত খেল বিষয়ক প্ৰথমটো বাতৰি প্ৰকাশ পাইছিল ১৯২৩ ত। অসমৰ ক্ৰীড়া আৰু ক্ৰীড়া সংবাদিকতাৰ ক্ষেত্ৰখনৰ বাবে ঐতিহাসিক ক্ষণ হিচাপে পৰিগণিত এই দিনটোক বিশেষ তাৎপৰ্যপূৰ্ণ কৰি তুলিবলৈ অসম ক্ৰীড়া সাংবাদিক সন্থাই অভিলাসী পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি, এ এছ জে এ চলিত বৰ্ষৰ দুই জুলাইৰ পৰা অহা বৰ্ষৰ পহিলা জুলাইলৈ বৰ্ষজোৱা কাৰ্যসূচীৰে অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ উদযাপনৰ যো-জা চলাইছে। এই কাৰ্যসূচীৰে অংশ হিচাপে আজি অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ৰ এক অনুষ্ঠানত শতবৰ্ষ কাৰ্যসূচীৰ ল'গো আৰু টেগলাইন উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, সাংবাদিক প্ৰবিত্ৰ গগৈ, মৃনাল তালুকদাৰ, সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱা আৰু সম্পাদক ইমতিয়াজ আহমেদ আদি। উল্লেখ্য যে 'খেলৰ বাতৰিৰ বিবৰ্ত্তনৰ শতবৰ্ষ' হিচাপে পালন কৰিবলগীয়া এই বৰ্ষটোত সন্থাই ক্ৰীড়া সাংবাদিকৰ কল্যাণমূলক কাৰ্যসূচীৰ লগতে কেবাটাও বক্তৃতানুষ্ঠান, ক্ৰীড়া কথাছবি মহোৎসৱ, অন্তৰংগ আলাপ, ক্ৰীড়া ফটোগ্ৰাফী প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা আদি আয়োজন কৰিব। সন্থাই অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ইতিহাস সম্বলিত গ্ৰন্থও প্ৰকাশ কৰিব।

## জজ খেলপথাৰত তিনি দিনত এটাও বল নপৰিল

### পুনৰ এক পইণ্টতে সন্তুষ্ট থাকিল বৰপেটা

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। উল্লেখ্য যে জজ খেলপথাৰত হ'বলগা কাৰ্বি আংলং আৰু বৰপেটাৰ মাজৰ মেচখনৰ তিনিদিনত এটাও বল নপৰিল। ইয়াৰপূৰ্বেও বৰপেটাই নিজৰ প্ৰথমখন মেচত শক্তিশালী স্থিতিত থকাৰ পাছতো বৰষুনৰ বাধাৰ বাবে এক পইণ্টহে লাভ কৰিছিল। অম্লানজ্যোতি দাসৰ (২৪-৬) ৰ বিধ্বংসী বলিঙত বিধ্বস্ত হৈ বিশ্বনাথে ১৪১ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত বৰপেটাই দিনান্তত ৪৪-১ ৰাণ কৰিছিল। কিন্তু পৰৱৰ্তী দুদিনৰ মেচ নহ'ল।

## ২২ মে'ত দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব অভিজিত বৰুৱা

**গুৱাহাটী, ২০ মে' ঃ** প্ৰফেচনেল বক্সিঙত প্ৰৱেশ কৰিয়ে প্ৰতিপক্ষক ধৰাসায়ী কৰা যোৰহাটৰ অভিজিত বৰুৱাই অহা ২২ মে'ত মুম্বাইত প্ৰফেচনেল বক্সিঙৰ দ্বিতীয়খন মেচত অৱতীৰ্ণ হ'ব। উল্লেখ্য যে বিশ্ব বক্সিং কাউঞ্চিল আৰু এচিয়ান বক্সিং কাউঞ্চিলৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত অভিজিত বৰুৱা মুখামুখি হ'ব উত্তৰ প্ৰদেশৰ শিৱম তিৱাৰীৰ। ইয়াপূৰ্বে যোৱা ২৪ এপ্ৰিলত নতুন দিল্লীত ৰয়েল স্পৰ্টছ প্ৰমোচনে আয়োজন কৰা প্ৰফেচনেল বক্সিং প্ৰতিযোগিতাত অভিজিত বৰুৱাই প্ৰতিপক্ষক প্ৰথম ৰাউণ্ডতে নক আউট কৰি অভিলেখ গঢ়িছিল। আছু যোৰহাট জিলা সমিতি আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিয়ে যোৰহাটৰ সন্তান তথা সম্ভাৱনাপূৰ্ণ বক্সাৰ গৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

### নুৰুদ্দিন ক্ৰিকেটত সিদ্ধাৰ্থৰ ছটা উইকেট

## গুৱাহাটীৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে তেজপুৰৰ তিনি পইণ্ট

**গুৱাহাটী, ২০ মে' ঃ** গুৱাহাটীয়ে চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয়খন মেচত এক পইণ্ট লাভ কৰিয়ে সন্তুষ্ট থাকিল। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ মুল খেলপথাৰত হোৱা তিনিদিনীয়া মেচখন আজি অন্তিম দিনা ড্ৰ ৰূপে সমাপ্ত হয় যদিও তেজপুৰে প্ৰথম ইনিংছৰ অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে। উল্লেখ্য যে মেচখনত তেজপুৰে প্ৰথম ইনিংছত ৩৭৪ ৰাণ কৰাৰ পাছত গুৱাহাটীয়ে হৃশিকেশ তামুলীৰ (১০১ ৰাণ) শতকৰ সত্তেও প্ৰথম ইনিংছত ২১৩ ৰাণ কৰি ফল'অনৰ সন্মুখীন হয়। তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই ছটা উইকেট লাভ কৰি দলক তিনি পইণ্ট দিয়াত সহায় কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন গ্ৰুপ মেচত মৰিগাঁৱৰ বিৰুদ্ধে এক ইনিংছ আৰু ২২ ৰাণত জয়লাভ কৰিছিল গুৱাহাটীয়ে। মেচৰ নায়ক আছিল ৰোহিত সিং। প্ৰথম ইনিংছত পাঁচটা উইকেট লাভ কৰা গুৱাহাটীৰ বাওঁহতীয়া স্পীনাৰ ৰোহিত সিঙে দ্বিতীয় ইনিংছতো সাতটা উইকেট লাভ কৰি মেচত ১২ টা উইকেট দখলেৰে গুৱাহাটীক সাত পইণ্ট দিয়াত মুখ্য ভূমিকা লয়। দ্বিতীয় মেচৰ প্ৰথম ইনিংছতো ৰোহিতে তেজপুৰৰ পাঁচটা উইকেট লাভ কৰিছিল। কিন্তু এৰিক ৰয়ৰ আঘাতৰ বাবে বেটিঙত দুৰ্বল হৈ পৰে গুৱাহাটী। উল্লেখ্য যে প্ৰথম মেচত মৰিগাঁৱে ১৩২ ৰাণতে প্ৰথম ইনিংছ সামৰাৰ পাছত গুৱাহাটীয়ে এৰিক ৰয়ৰ (১৫০) শতকৰে ৩১০-৬ ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল।

## ৰাষ্ট্ৰীয় কেনয়িং আৰু কায়াকিং প্ৰতিযোগিতাত সোণ আৰু ব্ৰঞ্জৰ পদকেৰে ৰাজ্যখনলৈ কঢ়িয়াইছে গৌৰৱ




**দৈনন্দিন বাৰ্তা সেৱা ভূৰাগাঁও ২০ মে' :** মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত ৩২ সংখ্যক ৰাষ্ট্ৰীয় কেনয়িং আৰু কায়াকিং প্ৰতিযোগিতাত মৰিগাঁৱৰ চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি সোণ আৰু ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।উল্লেখ্য যে আজি অনুষ্ঠিত ৫০০ মিটাৰ কে ২ আৰু ২০০ মিটাৰ কে ২ ইভেন্টত অসমৰ হৈ দৰ্শন বৰদলৈ আৰু বিক্ৰমজ্যোতি বৰদলৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰে।ইফালে কালি অনুষ্ঠিত ৫০০ মিটাৰ কে ৪ ত অসম দলে দেশৰ ভিতৰতে প্ৰথম হৈ সোণৰ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।এই দলটোত আছিল দৰ্শন বৰদলৈ, ৰবীনাশ পাতৰ,বিক্ৰমজ্যোতি কোঁৱৰ আৰু মিঠু পাতৰ।উল্লেখ্য যে এই তথ্য সদৰি কৰিছে মৰিগাঁৱৰ চাৰণ বিলৰ পাৰত থকা কেনয়িং আৰু কায়াকিং প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক অনন্ত বৰঠাকুৰে।

**SHORT TENDER NOTICE**

Seal Tender in F-2 form affixing Court Fee Stamp of Rs.8.25 (Rupees Eight and twenty five Paisa) only with validity period of 180 (one hundred eighty) days are invited from Registered APWD (Building) constractors for the as detailed in the table below.

**TA B I LE**

| Sl no | Name of Work | Estimated Value of work (Approx Rs.) | Bid Security (In Rs) | Cost of tender Paper (In Rs.) | Date of Application | Date of issue of tender paper | Time & date of receiving opening of Tender | Time of Completion | Eligibility of Contractor |
|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| 1 | Repairing & Renovation of Telisati Sub-Centre, under Kathiatoli PHC of Nagaon District under Directorate of Health Services (FW), Assam during the year 2021-22. | 8,68,025.00 | 2% for Gnl. and 1% for Reserved category | 500.00 | 21-05-2022 To 23.05.2022 | 25-05-2022 | Receiving up to 2.00 PM and opening at 2.30PM of 27-05-2022 | 2(Two) Months. | Registered APWD (Bldg.) Class-I (A,B,C), Class-II & III Contractor with an experience similar nature of work) |
| 2 | Repairing & Renovation of Nonoi Uriagaon Sub-Centre, under Buragohainthan PHC of Nagaon district under Directurate of Health Services (FW), Assam during the year 2021-22. | 9,99,880.00 | | 600.00 | | | | | |

Detailed particulars may be seen during office hours or any working days in the office of the undersigned, Contractors will have to submit application for Tender paper along with attested copy of current Registration Certificate. Pan Card. GST,Up-to date Labour Licence. EPF Registration, Financial Turn Over last 3(three) years and cost of tender paper as detailed above in the form of Bank Draft/Banker Cheque in any Nationalized Bank in favour of Executive Engineer. PWD Nugaon.Raha.Dhing & Batarirava Territorial Building Division. Tender paper will be issued to the Contractors or to their authorised agents up-to 4.00 PM in working day as mentioned above from the office of the undersigned. Bid Security in the form of FDR/CTDR duly pledged in favour of the Executive Engineer. PWD Nagaon. Raha. Dhing & Batadrava Territorial Building Division to be submitted alone with the tender paper.

Performance Security/Security Deposit Money as per norms and additional performance security as per Chief Engineer. PWD (Bulding)'s letter No.BN/12 82/Pt-l -84. dt. I5.02.2011. If required is to be furnished by the successful bidder when notified.

If for any reason, the lasi date of receiving and opening of tender is declared as holiday, the Same will be received and opened on the next working day.

The undersigned will be the sole authority to cancel any tender without showing any reason

**N.B:-** 1. Prospective bidders are suggested to \isit the proposed work site before submission of bids.
2. The Short NIT will form a part of the tender agreement
3. If required, the bidder should possess valid Electrical licence for executing Electrical works of the project. In case the bidder is not in possesion of such licence, the bidder must enter into collaboration/tie-up arrangement with such Licence holder having requisite experience. Such Licence holder having requisite. Such tie-up must be registered in court carrying out Electrical works. Necessary documents should be Furnished along with the bid.
4. Site visite certificate from the concern authority is required at the time dropping of tender.

Sd/-
Superintending Engineer, PWD
Nagaon Building Circle, Nagaon

Janasanyog /C/2823/22

# হোজাই জিলাত এশখনৰো অধিক শিক্ষানুষ্ঠান প্লাৱিত

## দুৰ্গতৰ মাজত প্ৰশাসনৰ সমানে সংস্থা-সংগঠনৰো সহায়ৰ হাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২০ মে’ ঃ** কপিলী নদীৰ বানপানীয়ে ডিমা হাছাও, হোজাই, নগাঁও জিলাত ব্যাপক ক্ষয়-ক্ষতি কৰাৰ সময়ত প্ৰশাসনৰ উদ্ধাৰ আৰু সাহায্য প্ৰদান পূৰ্ণগতিত চলিছে। হোজাই জিলাৰ ৮৩খন গাঁও এই বানত বুৰ গৈছিল। অসংখ্য বাট-পথ, ঘৰ-দুৱাৰৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে পশুধনৰো হৈছে অকল্পনীয় ক্ষতি। পানী লাহে লাহে কমি আহিছে যদিও এতিয়াও বহু গাঁও পানীৰ তলত আছে। জিলাখনৰ শতাধিক শিক্ষানুষ্ঠান বানত ডুব যোৱা বুলি জানিব পৰা গৈছে। ফলত গুণোৎসৱৰ প্ৰস্তুতিও ব্যাহত হৈছে। সৰ্বত্ৰ বানপানীয়ে সাগৰৰ ৰূপ লোৱাৰ সময়ত ক্ষয়-ক্ষতিৰ অনুমান লগোৱাটো সম্ভৱ নহয়। হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে নিজে পীড়িত অঞ্চলবোৰ নাৱেৰে গৈ পৰিদৰ্শন কৰাৰ লগতে বান সাহায্য বিতৰণৰো তদাৰক কৰিছে। লগতে অতিৰিক্ত উপায়ুক্তসকলকো বিভিন্ন কামত নিয়োজিত কৰিছে। আক্ৰান্ত অঞ্চলৰ ৰাজহ চক্ৰ বিষয়া, লাট মণ্ডলসকলে দিনে-ৰাতিয়ে বানাক্ৰান্ত অঞ্চলত থাকি আক্ৰান্তৰ তালিকা আৰু বান সাহায্য বিতৰণ কৰি আহিছে। দুৰ্গত লোকসকলক উদ্ধাৰৰ বাবে চৰকাৰৰ এনডিআৰএফ, এছডিআৰএফৰ সমানে হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰ এলেকাত স্থানীয় সমাজসেৱী সংস্থা-সংগঠনৰ স্বেচ্ছাসেৱকসকলো জড়িত হৈ আছে। ডবকাৰ সমাজসেৱী সংস্থা ফাতিমা ৱেলফেয়াৰ ফাউণ্ডেচনৰ সভাপতি মোহাম্মদ আব্দুল জলিলে নিজে এখন নাও ভাৰা কৰি দুৰ্গতসকলক উদ্ধাৰ কৰিছে। তেওঁৰ লগতে তেওঁক সহযোগ কৰিছে হীৰা বৰভুঞা, তাজ উদ্দিন বৰভুঞা, মুহি উদ্দিন আৰু লুৎফুৰ ৰহমানে। মোৰাঝাৰৰ সামাজিক সংগঠন প্ৰগতিশীল যুৱ মঞ্চৰ সভাপতি চুহেল আহমেদৰ ঐকান্তিক প্ৰচেষ্টাক সকলোৱে শলাগিছে। ঐক্য সেনা অসমৰ হোজাই জিলা সমিতিৰ সভাপতি আহমদ হুছেইন, জমিয়ত উলামাৰ স্বেচ্ছাসেৱকসকলে দিনে-নিশাই প্ৰশাসনৰ সৈতে মিলি বানাক্ৰান্তক উদ্ধাৰৰ সমানে সাহায্য প্ৰদান কৰি আহিছে। আক্ৰান্ত লোকৰ মাজত উল্লেখিত সংস্থাকেইটাই ব্যাপক হাৰত সাহায্যও প্ৰদান কৰিছে। আজি ডবকা হাজী আনফৰ আলী কলেজৰ শিক্ষক গোটে মিলি সৰুপথাৰ, চাৰ্লকৰ শিবিৰত খাদ্য সামগ্ৰী বিতৰণ কৰে। কলেজখনৰ অধ্যাপক আতাউৰ ৰহমান, ডঃ হাছিনুচ চুলতান, আব্দুল হামিদ তালুকদাৰ, শ্বিবিৰ আহমেদ উচমানীৰ নেতৃত্বত যোৱা এটি দলে এই সাহায্য সামগ্ৰী বিতৰণ কৰে। হোজাই জিলা জমিয়ত উলামাৰ সম্পাদক মৌলানা ছয়িদ আহমদৰ নেতৃত্বত যোৱা এটি জমিয়তৰ দলে চাৰ্লকৰ শিবিৰত বান সাহায্য বিতৰণ কৰে। ইপিনে, যমুনামুখত বানত এজন লোকৰ সলিল সমাধি ঘটা বুলি জানিব পৰা গৈছে।



নাৰেংগী মিলিটাৰী কেম্পত কেন্দ্ৰীয় ৰাজ্যিক প্ৰতিৰক্ষা মন্ত্ৰী অজয় ভট্ট

# লখিমপুৰ জিলাৰ পূব তেলাহীত সোৱণশিৰিৰ খহনীয়াত জাহ গ’ল ছটা পৰিয়ালৰ বাসগৃহ

## এছেৰেকটা ন-আলিত সোৱণশিৰিৰ ভয়ংকৰ খহনীয়া অব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২০ মে’ ঃ** বানৰ সমান্তৰালকৈ লখিমপুৰ জিলাত সোৱণশিৰিৰ খহনীয়াৰ তাণ্ডৱ অব্যাহত আছে। বৃহত্তৰ তেলাহী মৌজাৰ পূব তেলাহীত এতিয়া সোৱণশিৰি নদীয়ে প্ৰচণ্ড গৰাখহনীয়াৰ সৃষ্টি কৰাত ছটা পৰিয়ালৰ বাসগৃহ চলিত সপ্তাহত সোৱণশিৰিৰ বুকুত জাহ যোৱাৰ পিছত আৰু প্ৰায় কুৰিটা পৰিয়ালৰ বাসগৃহ জাহ যোৱাৰ উপক্ৰম ঘটিছে। ইতিমধ্যে সোৱণশিৰিৰ খহনীয়াই পূব তেলাহীত জয়ন্ত দলে, দাসী পেগু, সীতাৰাম দলে, বুচিৰি দলে, কৃষ্ণ দলে, বিৰিঞ্চি দলে আৰু বিষ্ণুৰাম পেগুৰ বাসগৃহ নিঃশেষ কৰি পেলায়। উল্লেখ্য যে পূব তেলাহীৰ এছেৰেকটা-মহৰীচুক আৰু গোৱালবাৰীত এতিয়া সোৱণশিৰি নদীয়ে ভয়ংকৰ গৰাখহনীয়াৰ সৃষ্টি কৰাত শ শ হেক্টৰ কৃষিভূমি জাহ যোৱাৰ লগতে ঘৰ-বাৰীও জাহ যাবলৈ ধৰিছে। নদীখনে এছেৰেকটা-মহৰীচুক আৰু গোৱালবাৰীত তীব্ৰ খহনীয়াৰ সৃষ্টি কৰাত নিকটৱৰ্তী মাজৰ চাপৰি, গামচুক, আদিসুঁতি, বালিজান, শান্তিপুৰ আদি গাঁওসমূহলৈ ভাবুকি কঢ়িয়াই আনিছে। ইফালে নআলিতো নদীখনে তীব্ৰ খহনীয়াৰ সৃষ্টি কৰাত অঞ্চলটোৰ মৰটন চাপৰি, ধূলি গাঁও, মুক্তি চুক আদি গাঁওসমূহলৈ ভাবুকি কঢ়িয়াই আনিছে। একপ্ৰকাৰে সোৱণশিৰিৰ খহনীয়াত আতংকিত ৰাইজে এতিয়া বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। সমান্তৰালভাৱে খেৰকটীয়া নদীয়েও একেটা অঞ্চলৰ টামাৰ গাঁও, ডফলাকটা আদিলৈ ভাবুকি নমাই আনিছে। টি এম পি কে, এম এম কে আৰু টি এম এম কে স্থানীয় আঞ্চলিক সমিতিসমূহে উক্ত খহনীয়া অঞ্চলসমূহত শীঘ্ৰে বিজ্ঞানসন্মতভাৱে স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনাইছে। এই ক্ষেত্ৰত লখিমপুৰ জিলা প্ৰশাসনক চৰজমিন পৰিদৰ্শনৰ ব্যৱস্থা কৰিবলৈও সংগঠনকেইটাই দাবী জনাইছে।

# ফিল’বাৰীৰ কণ্ঠশিল্পী বিশ্বজিৎ গায়ন সন্ধানহীন

## ২৪ এপ্ৰিলত তিনিচুকীয়ালৈ বুলি ওলাই যোৱা বিশ্বজিৎ আজিও ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকৰ ফিল’বাৰী থানাত এজাহাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল’বাৰী, ২০ মে’ ঃ** তিনিচুকীয়া জিলাৰ ফিল’বাৰীৰ শীতলপুৰ গাঁৱৰ উদীয়মান সংগীতশিল্পী বিশ্বজিৎ গায়ন বিগত এটা মাহ ধৰি সন্ধানহীন হোৱাৰ বাতৰি আহি পৰিছে। ফিল’বাৰী থানাৰ অন্তৰ্গত শীতলপুৰ গাঁৱৰ প্ৰয়াত ভোগেশ্বৰ গায়নৰ কনিষ্ঠ পুত্ৰ বিশ্বজিৎ গায়নে ২৪ এপ্ৰিল তাৰিখে তিনিচুকীয়ালৈ বুলি ঘৰৰ পৰা ওলাই গৈছিল, কিন্তু আজি পৰ্যন্ত ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ লোক চিন্তিত হৈ পৰিছে। পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে তিনিচুকীয়ালৈ যোৱা দিনৰেই পৰা বিশ্বজিতৰ মোবাইল ফোন অফ হৈ আছিল, কিন্তু পৰিয়ালৰ কোনো সদস্যই ডাঙৰ ককায়েক অপূৰ্ব গায়নক জনোৱা নাছিল বিশ্বজিতৰ মোবাইল ফোন বন্ধ হোৱাৰ কথাটো। বৃহস্পতিবাৰে কিবা বিশেষ কামৰ বাবে অপূৰ্বই বিশ্বজিতক ফোন কৰাৰ সময়ত মোবাইল ফোন বন্ধ পোৱাত ঘৰৰ অন্য লোকক আন বেলেগ নম্বৰ বিচাৰে। তেতিয়াই সমগ্ৰ ঘটনাটো পোহৰলৈ আহে। বিগত এটা মাহ ধৰি বিশ্বজিতৰ মোবাইল ফোন বন্ধ থকাৰ লগতে পৰিয়ালৰ লগত কোনো যোগাযোগ নাই বুলি জানিবলৈ দিয়ে জ্যেষ্ঠ ভাতৃ অপূৰ্বক। আজি জ্যেষ্ঠ ভাতৃ অপূৰ্বই ফিল’বাৰী থানাত উপস্থিত হৈ উদীয়মান সংগীতশিল্পী বিশ্বজিৎ গায়ন সন্ধানহীন হোৱা বুলি এজাহাৰ দাখিল কৰে। উদীয়মান সংগীতশিল্পীগৰাকী বিগত এটা মাহ ধৰি ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ মাজত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। যি সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যুৱক-যুৱতীসকলে আলফা (স্বা)ত যোগদান কৰাৰ বাতৰি আহি পৰিছে, ঠিক তেনে সময়তেই উদীয়মান শিল্পী বিশ্বজিত গায়ন সন্ধানহীন হোৱা খবৰে সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সন্ধানহীন বিশ্বজিৎ গায়নে কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এটা কাৰ্যকালৰ বাবে সাংস্কৃতিক সম্পাদকৰ দায়িত্বত থকাৰ লগতে অসম কেইবাটাও পৰ্টেলত প্ৰায় এটা বছৰ ধৰি সাংবাদিক হিচাপে কৰ্ম কৰিছিল। সাংস্কৃতিক কৰ্মৰ লগত জড়িত যুৱক বিশ্বজিৎ গায়নে ৰাকেশ ৰিয়ান, মন্টুমণি শইকীয়া, আহ্বান শংকৰ, ৰূপম কাশ্যপৰ কণ্ঠৰ বহুকেইটা জনপ্ৰিয় গীত ৰচনা আৰু সুৰ কৰি দৰ্শকৰ ব্যাপক সঁহাৰি লাভ কৰিছিল। বিশ্বজিত গায়নৰ কোনো ব্যক্তিয়ে সন্ধেদ পালে ৯৮৫৯৩৪৬০৪১ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

# হাজোৰ কুলহাটীৰ দুৰ্গা পূজাৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২০ মে’ ঃ** তীৰ্থনগৰী হাজোৰ কুলহাটীৰ দুৰ্গা পূজাৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। কুলহাটী ৰাইজৰ উদ্যোগত পৰম্পৰাগতভাৱে পালন কৰি অহা দুৰ্গতিনাশিনী মা দুৰ্গাৰ শ্ৰীচৰণত বেলপাত দিয়াৰ লগতে আড়ম্বৰপূৰ্ণভাৱে পৰম্পৰাগতভাৱে পালন কৰি অহা পূজাভাগি এইবেলি ১০ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। যোৱাবেলি হৈ যোৱা দুৰ্গাপূজাৰ পিছতেই উদ্‌যাপন সমিতি গঠন কৰাৰ পিছতে বিভাগীয় সমিতিসমূহে তৎপৰতা আৰম্ভ কৰিছে। ইতিমধ্যে প্ৰচাৰ উপসমিতি আৰু স্মৃতিগ্ৰন্থ সমিতিয়েও প্ৰাৰম্ভিক কাৰ্য আৰম্ভ কৰিছে। অহা ২৫ ছেপ্টেম্বৰৰ পৰা ৫ অক্টোবৰলৈ মহাড়ম্বৰপূৰ্ণভাৱে চলিবলগীয়া পূজাভাগিত সমূহ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তা সমিতিৰ সভাপতি গোবিন্দ ভৰালী আৰু মুখ্য সম্পাদক মনোজ দাসে আন্তৰিকতাৰে কামনা কৰিছে।

# ডিমৌত শিৱসাগৰ জিলা ৰেচম বিভাগৰ ৰেচম হাট প্ৰতিষ্ঠাৰ বাবে প্ৰাৰম্ভিক আলোচনা, সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ মে’ ঃ** ডিমৌ বহুমুখী ভৱনত শিৱসাগৰ জিলা ৰেচম বিভাগৰ দ্বাৰা ৰেচম হাট প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰাৰম্ভিক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। অসমৰ কৃষি, বাণিজ্য, গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ অন্তৰ্গত জিলা ৰেচম বিভাগৰ দ্বাৰা ডিমৌত আয়োজিত উক্ত অনুষ্ঠানত ডিমৌ অঞ্চলৰ বিভিন্ন স্থানৰ পৰা শতাধিক মুগা পালক উপস্থিত থাকে। মুগা পালকসকলে মুগা সূতাৰে প্ৰস্তুত কৰা বস্ত্ৰৰ লগতে অন্যান্য সামগ্ৰীৰ গুণগত মানেৰে বিক্ৰীৰ বাবে এখন বিক্ৰী কেন্দ্ৰ আৰু পৰিচালনা সমিতি গঠন কৰে। ৰেচম বিভাগৰ দ্বাৰা পৰিচালিত ৰেচম হাটৰ সমিতিত উপদেষ্টা হিচাপে ডিমৌ ৰাজহ চক্ৰ বিষয়া, ডিমৌ পৌৰসভাৰ পৌৰপতি, ডিমৌ উন্নয়ন খণ্ড বিষয়া, সহকাৰী পৰিচালক ৰেচম বিভাগ শিৱসাগৰ, শিৱসাগৰ হেণ্ডলুম বিভাগক লৈ দুলাল বৰুৱাক সভাপতি, পল্লৱিতা গগৈক উপ-সভাপতি, ডিমৌ ৰেচম কেন্দ্ৰৰ পৰিচালকক সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া সদস্যৰে ৰেচম হাট পৰিচালনা সমিতি গঠন কৰে। অনুষ্ঠানত ৰেচম ভাৰপ্ৰাপ্ত সহকাৰী আয়ুক্ত দীপক নাথ, শিৱসাগৰ জিলা ৰেচম সম্প্ৰসাৰণ বিষয়া লক্ষ্মী নাৰায়ণ শইকীয়া, এপাৰ্টৰ সমন্বয়ক সামাজিক দায়বদ্ধ ৰশ্মি সন্দিকৈ, অতুল হাজৰিকা, কাৰ্যব্যৱস্থাপক অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰ প্ৰকল্প এফপিচি শিৱসাগৰ জিলাৰ আদি বিষয়াসকল উপস্থিত থাকে।

# বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ শৰ্মাক সাক্ষাৎ শ্বেৰমান আলী আহমেদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২০ মে’ ঃ** বৰপেটাৰ বাঘবৰত অৱস্থিত মাধৱদেৱ গুৰুৱে স্থাপন কৰা বৈঠাপুতা ঘাট সত্ৰত অব্যাহত আছে ব্ৰহ্মপুত্ৰৰ খহনীয়া। সত্ৰখনৰ প্ৰতি সৃষ্টি হোৱা খহনীয়া সমস্যা সম্পৰ্কে বাঘবৰৰ বিধায়ক শ্বেৰমান আলী আহমেদে বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মাক সাক্ষাৎ কৰি সত্ৰখনৰ পৰিস্থিতি সম্পৰ্কে অৱগত কৰে। বুঢ়াসত্ৰীয়াগৰাকীৰ বাসগৃহত উপস্থিত হৈ বিধায়ক শ্বেৰমান আলী আহমেদে সত্ৰখন ৰক্ষাৰ বাবে তেওঁ গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে অৱগত কৰে। ইপিনে বিধায়কগৰাকীৰ সৈতে আলোচনাৰ পিছতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সত্ৰখন ৰক্ষাৰ বাবে ব্যৱস্থা ল’বলৈ বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়াগৰাকীয়ে আহ্বান জনায়।



গুৱাহাটী প্ৰেছ ক্লাবত ডেগন সেৱা আশ্ৰমৰ ব্ৰচাৰ মুকলি কৰাৰ দৃশ্য

# ধুবুৰীত নিখিল ভাৰত-বংগ সাহিত্য সন্মিলনীৰ উদ্যোগত ১২জন ছাত্ৰ-ছাত্ৰীক ২ হেজাৰকৈ টকাৰ বৃত্তি প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ মে’ ঃ** ধুবুৰী নিখিল ভাৰত-বংগ সাহিত্য সন্মিলন ধুবুৰী শাখাৰ উদ্যোগত ধুবুৰীৰ বিভিন্ন স্কুলৰ ১২জন ছাত্ৰ-ছাত্ৰীক বাংলা ভাষাত উৎকৰ্যতা বৃদ্ধিৰ বাবে উৎসাহ বৃত্তি প্ৰদান কৰা হয়। ইয়াৰ উপৰি যোৱা ২০১৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত বাংলাত সৰ্বাধিক নম্বৰ লাভ কৰা ধুবুৰীৰ পলী ঘোষক বংগ সাহিত্য সভাৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰতিবছৰৰ দৰে এই বছৰ নিখিল ভাৰত-বংগ সাহিত্য সন্মিলন ধুবুৰী শাখাৰ উদ্যোগত গৌৰীপুৰ পাব্লিক লাইব্ৰেৰীত কালি ৰবীন্দ্ৰ জয়ন্তী উৎসৱ অনুষ্ঠিত হয়। পুৱাত সন্মিলনীৰ সভাপতি দেৱাশীষ ভট্টাচাৰ্যই কবিগুৰুৰ প্ৰতিকৃতিত মাল্যদান আৰু পুষ্পাৰ্ঘ প্ৰদান কৰে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় বুলি সম্পাদক সুশান্ত কৰে জনায়।

### কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন


# ৰূকাছেন মহাবিদ্যালয়ত নিৰ্বাচনী বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২০ মে’ ঃ** অহা ৮ জুনত অনুষ্ঠিত হ’বলগীয়া কাৰবি আংলং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নিৰ্বাচনৰ বাবে জিলা নিৰ্বাচনী বিষয়াই ইতিমধ্যে সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। সেই উদ্দেশ্যে আজি বকলীয়াঘাট ৰূকাছেন মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলগীয়া নিৰ্বাচনী বিষয়াসমূহৰ প্ৰথম পৰ্যায়ৰ এক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ভাৰপ্ৰাপ্ত বিষয়া নিতুচৰণ দত্তৰ তত্বাৱধানত অনুষ্ঠিত আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ৪২৮ গৰাকী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰে। আজিৰ নিৰ্বাচনী প্ৰশিক্ষণ কাৰ্যসূচীত ৰাকেশ হাজৰিকা, ভক্তিপ্ৰাণ গগৈ, কৰ্নেল টেৰণ, সমুজ্জ্বল বৰা, শুভ্ৰ দাস, মুকুট লস্কৰ, লক্ষেশ্বৰ হাইনাৰী, পলাশ নাথ, মিথুন ৰয়, প্ৰশান্ত মুছাহাৰী, নাৰায়ণ দত্ত আৰু এম আলীয়ে নিৰ্বাচনী প্ৰশিক্ষণ প্ৰদান কৰে। কাইলৈও দ্বিতীয় দিনৰ বাবে অনুষ্ঠিত হ’বলগীয়া উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত মুঠ ২৪২ গৰাকী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰিব, লগতে ১০ গৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰিব বুলি প্ৰশিক্ষণ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুচৰণ দত্তই সংবাদ মাধ্যমক জানিবলৈ দিছে।



গুৱাহাটী প্ৰেছ ক্লাবত পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ এক অনুষ্ঠানৰ দৃশ্য




CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি